Content includes AI-generated material

**গ্ৰেপ্তাৰলৈ ভয় নাই ৰাহুল গান্ধীৰ**
নতুন দিল্লী, ২০ এপ্ৰিলঃ নেশ্যনেল হেৰাল্ড গোচৰত ইডিৰ তদন্তক লৈ শেহতীয়াকৈ দেশত সৃষ্টি হৈছে ১০ পৃষ্ঠাত

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, APRIL 21, 2025 ■ সোমবাৰ, ৭ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১১২ Guwahati, Assam ।। মূল্যঃ এটকা

মেৰাপানীত উত্তেজনা, ১৩০০ একৰ ভূমি নাগালেণ্ডৰ বুলি দাবী

# অসমৰ মাটিত আকৌ নগা বিধায়কে দেখুৱালে বীৰত্ব



ই-সংবাদ, ২০ এপ্ৰিলঃ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ মন্ত্ৰী-বিধায়কে ৰাজ্যিক সীমা সমস্যা সমাধান কৰা বুলি দাবী কৰিলেও সীমান্তত আজিও অব্যাহত আছে উত্তেজনা। সীমান্তৰ অসমীয়াই আজিও ভীতিগ্ৰস্ত হৈ দিন পাৰ কৰিবলৈ বাধ্য হৈছে। কিন্তু অসম ২ পৃষ্ঠাত চাওক

ডুবেক গৌৰৱৰ প্ৰত্যুত্তৰ

## ‘বিজেপিয়ে ভাৰতক উত্তৰ কোৰিয়াত পৰিণত কৰিব বিচাৰিছে’

নতুন দিল্লী, ২০ এপ্ৰিলঃ ভাৰতীয় ন্যায়পালিকা সন্দৰ্ভত বিজেপি নেতাৰ সাম্প্ৰতিক ৫ পৃষ্ঠাত চাওক

৯০০ কোটিৰ ঋণ লৈ আৰম্ভ কৰিব নতুন বিত্তীয় বৰ্ষ

# উদং ৰাজকোষ, ঋণ নিৰ্ভৰ হিমন্ত বিশ্বৰ চৰকাৰ

## বহু ঠিকাদাৰে পাবলৈ আছে বিল, সকলোতে ঘাটি

ই-সংবাদ, ২০ এপ্ৰিলঃ নতুন ২০২৫-২৬ বিত্তীয় বৰ্ষত হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰে ৩৬ হাজাৰ কোটি টকাৰ ঋণ লোৱাৰ ৩নং পৃষ্ঠাত

## হোমৰ জুইৰ পূৰ্বে জ্বলিল চিতাৰ জুই, দুৰ্ঘটনাত হেৰাই গ'ল চুমি প্ৰধান



ই-সংবাদ বিশেষ, ২০ এপ্ৰিলঃ হোমৰ জুই জ্বলিবলগীয়া আছিল ১১ মে'ত। কিন্তু নিয়তিৰ কি যে পৰিহাস। হোমৰ জুই জ্বলিবলৈ ৪নং পৃষ্ঠাত

## গুৱাহাটীত জালত মণিপুৰৰ উগ্ৰপন্থী সদস্য



ই-সংবাদ, ২০ এপ্ৰিলঃ গুৱাহাটী মহানগৰ আৰক্ষীয়ে এক অভিযান চলাই বৃহৎ সফলতা লাভ কৰিছে। মহানগৰীৰ ৫ পৃষ্ঠাত চাওক

## আধাঘণ্টা পলম কিয়? যোৰহাটত শিৱসাগৰৰ হুঁচৰি দলৰ ওপৰত আক্ৰমণ



ই-সংবাদ, শিৱসাগৰ, ২০ এপ্ৰিলঃ অসমীয়াৰ আয়ুসৰেখা হেঁপাহৰ ৰঙালী বিহুক কেন্দ্ৰ কৰি শেহতীয়াকৈ ন ন বিতৰ্ক সৃষ্টি হৈ থকাৰ সময়তে যোৱানিশা যোৰহাটত ৯ নং পৃষ্ঠাত

## ভূমিস্খলন, বানত কাশ্মীৰত নিহত ৩ জন

ই-সংবাদ, ২০ এপ্ৰিলঃ প্ৰকৃতিৰ ৰোষত পৰিছে প্ৰকৃতি ৰাণী জম্মু-কাশ্মীৰ। নেৰানেপেৰা ৮ পৃষ্ঠাত চাওক

## শিল্পী সমাজে জনালে প্ৰতিবাদ

ই-সংবাদ, ২০ এপ্ৰিলঃ কণ্ঠশিল্পী, গীতিকাৰ-সুৰকাৰ দিগন্ত ভাৰতীক অপমান কৰাৰ শেষাংশ ১০ পৃষ্ঠা

ঐতিহাসিক দ্বিপাক্ষিক চুক্তিৰ প্ৰত্যক্ষ উলংঘা ঢাকাৰ

# ভাৰত-বাংলাদেশৰ ত্ৰিপুৰাৰ সীমান্ত অঞ্চলত আকৌ সংঘাত

### চীনৰ প্ৰৰোচনাত পৰি মাহুৰী নদীত বান্ধ নিৰ্মাণ



আগৰতলা, ২০ এপ্ৰিলঃ ভাৰত-বাংলাদেশ সীমান্তত আকৌ বাঢ়িছে উত্তেজনা। ত্ৰিপুৰাৰ দক্ষিণ অংশত মাহুৰী নদীৰ দাঁতিত কৃত্ৰিম বান্ধ শেষাংশ ১০ পৃষ্ঠাত

বৰাকত দিলীপ শইকীয়াৰ অভয়

## বিজেপিয়ে নাকাঢ়ে মুছলমানৰ মাটি-ঘৰ



ই-সংবাদ, ২০ এপ্ৰিলঃ বিজেপিৰ ৰাজ্যিক সভাপতিৰ দায়িত্ব গ্ৰহণ কৰি আজি বৰাক উপত্যকা ভ্ৰমণ কৰিছে দিলীপ শেষাংশ ৩ পৃষ্ঠাত

নলবাৰীৰ সাংবাদিকে দেখুৱালে মানৱতাৰ নিদৰ্শন

## এশগৰাকী লোকৰ শেষকৃত্য সম্পন্ন মজিবুৰৰ



ই-সংবাদ, বাঁহজানী, ২০ এপ্ৰিলঃ ধৰ্মৰ উৰ্ধ্বত মানৱতা। সেই কথাকে প্ৰতীয়মান কৰি নলবাৰীৰ সাংবাদিক মজিবুৰ ৯ পৃষ্ঠাত চাওক

## সিংহৰ দৰে গৰ্জন দি ভিজা মেকুৰী হ'ল দিলীপ!

ই-সংবাদ, ২০ এপ্ৰিলঃ বিজেপিৰ নৱনিযুক্ত ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই ৮ নং পৃষ্ঠাত

## বোকাজানত চাহ বাগানত স্বামী-স্ত্ৰীক নৃশংসভাৱে হত্যা

### গুৰুতৰভাৱে আহত ৩ সন্তান

ই-সংবাদ, ডিফু, ২০ এপ্ৰিলঃ বোকাজান মহকুমাৰ অন্তৰ্গত বৰপথাৰ আৰক্ষী থানাৰ অধীনৰ নামবৰ নদী চাহ বাগিচা অঞ্চলত যোৱানিশা এক চাঞ্চল্যকৰ শেষাংশ ৭ পৃষ্ঠাত

## ডক্টৰেট লাভ



কটহগুৰি মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ সহকাৰী অধ্যাপক তথা নগাঁও জিলাৰ ৰৌমাৰী গাঁৱৰ বাসিন্দা মোঃ ফাইজ উদ্দিন আহমেদক তেওঁৰ "এ ষ্টাডি অৱ দ্য কনচেপ্ট অৱ গড ইন দ্য ফিলচফিজ অৱ মহাত্মা গান্ধী, মহাম্মদ ইকবাল এণ্ড সৰ্বপল্লী ৰাধাকৃষ্ণন" শীৰ্ষক বিষয়ত গৱেষণা কৰাৰ বাবে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ে ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে। আহমেদে এই গৱেষণা বিশ্ববিদ্যালয়খনৰ দৰ্শন বিভাগৰ অধ্যাপক ড০ সুমিত্ৰা পুৰকায়স্থৰ তত্বাৱধানত সম্পন্ন কৰে। তেওঁৰ এই গৱেষণাই ভাৰতীয় দৰ্শন আৰু তুলনামূলক ধৰ্মীয় চিন্তাৰ ক্ষেত্ৰত এক মূল্যৱান অৱদান আগবঢ়াব বুলি আশা কৰা হৈছে।




## ৱেবছাইট ডিজাইন

যিকোনো ধৰণৰ ৱেবছাইট ডিজাইনিং, ৱেবছাইট আপগ্ৰেড কৰা আদিৰ বাবে যোগাযোগ কৰকঃ 98644-21357।

## ছ'চিয়েল মিডিয়া

ৰাজনৈতিক দল, ব্যৱসায়িক প্ৰতিষ্ঠান আদিৰ ছচিয়েল মিডিয়াৰ যিকোনো কামৰ বাবে যোগাযোগ কৰকঃ দ্য গ্ৰোথ গাইড, ফোনঃ 7002342103

বিজ্ঞাপন বুক কৰক
+৯১ ৯১০১৬-৬০১৮৫




## জেইই মেইন পৰীক্ষা নাৰায়ণা শৈক্ষিক প্ৰতিষ্ঠানৰ বিশেষ সফলতা অৰ্জন

**গুৱাহাটী, ২০ এপ্ৰিলঃ** শনিবাৰে ঘোষিত জেইই মেইন ২০২৫ পৰীক্ষাত অসাধাৰণ কৃতিত্বৰে পুনৰ এবাৰ সাফল্যৰ ইতিহাস ৰচিবলৈ সক্ষম হ'ল নাৰায়ণা শৈক্ষিক প্ৰতিষ্ঠানসমূহে। অ'পেন শাখাত অল ইণ্ডিয়া ৰেংক ১কে ধৰি শীৰ্ষ ১০০ৰ ভিতৰত ২৫টা ৰেংক লাভ কৰি দেশৰ ভিতৰতে অন্যতম শ্ৰেষ্ঠ প্ৰস্তুতি প্ৰতিষ্ঠান হিচাপে নিজৰ স্থিতি শক্তিশালী কৰে নাৰায়ণে শৈক্ষিক প্ৰতিষ্ঠানসমূহে। উল্লেখ্য যে, এইবাৰ সৰ্বভাৰতীয় ৰেংক ১, ৯, ১২, ১৩, ১৯, ২০, ২১, ২২, ২৪, ২৫, ২৬, ৩৬, ৩৬, ৪৫, ৪৭, ৫৯, ৬০, ৬৭, ৮০, ৮১, ৮৪, ৮৬, ৮৭ আৰু ৯৫ ৰ স্থান নাৰায়ণৰ ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিছে। ইয়াৰে ২০ৰ ভিতৰত ৬টা, ২৫ৰ ভিতৰত ১০টা, আৰু শীৰ্ষ ১০০ৰ ভিতৰত ২৫টা ৰেংক নাৰায়ণাৰ হাতত আছে। আটাইতকৈ উল্লেখযোগ্য কথাটো হ'ল নাৰায়ণাৰ ছাত্ৰী বাণীব্ৰত মাঝিয়ে এইবাৰ ৩০০ নম্বৰৰ ভিতৰত ৩০০ নম্বৰ লাভ কৰি সৰ্বভাৰতীয় শীৰ্ষস্থান দখল কৰে। একেদৰে আন আন শীৰ্ষ ৰেংকাৰৰ ভিতৰত আছে শিৰেন বিকাশ তছিনিৱাল (ৰেংক ৯), সৌৰভ (ৰেংক ১২), আৰ্শীযমান্দ নন্দী (ৰেংক ১৩), সান্নিধ্য ছাৰফ (ৰেংক ১৯) আৰু আয়ুষ সিংহল (ৰেংক ২০)ৰ দৰে ছাত্ৰ-ছাত্ৰী। এই ঐতিহাসিক সাফল্যৰ পিছত নাৰায়ণা শিক্ষানুষ্ঠানৰ সঞ্চালিকা শ্ৰীমতী পি ৰামাদেৱী, ড° পি সিন্ধুৰা আৰু মিছ পি শৰণীয়ে ছাত্ৰ-ছাত্ৰী, পৰিয়াল, শিক্ষক-কৰ্মচাৰীক ধন্যবাদ জনাই কয়, "যোৱা ছবছৰত তৃতীয়বাৰৰ বাবে নাৰায়ণাৰ ছাত্ৰ-ছাত্ৰীৰ হাতত সৰ্বভাৰতীয় পৰ্যায়ৰ শীৰ্ষ ৰেংক আহিছে। যোৱা পাঁচ বছৰত নাৰায়ণাই শীৰ্ষ ১০ টা ৰেংকিওৰ ২১% লাভ কৰিছে, যিটো আমাৰ ধাৰাবাহিক সফলতাৰ প্ৰমাণ।" এনে এক গুঞ্জৰিত সফলতাৰ পিছত এতিয়া দেশৰ জেইই প্ৰস্তুতিৰ মানচিত্ৰত এক অপ্ৰতিৰোধ্য নাম হৈ পৰিছে নাৰায়ণা।



■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উদং ৰাজকোষ, ঋণ নিৰ্ভৰ হিমন্ত বিশ্বৰ

প্ৰস্তাৱ গ্ৰহণ কৰিছে। প্ৰস্তাৱ লোৱাই নহয় ১ এপ্ৰিলৰ পৰা আৰম্ভ হোৱা নতুন বিত্তীয় বৰ্ষত প্ৰথমবাৰ ঋণ ল'বলৈ সাজু হৈছে অসম চৰকাৰ। ৰঙালী বিহুৰ সমাপ্তিৰ পিছতে ২২ এপ্ৰিলত আকৌ এবাৰ ৯০০ কোটি টকাৰ ঋণ ল'ব হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰে। পোন্ধৰ বছৰৰ বাবে ৰাজ্যিক চৰকাৰৰ প্ৰতিভূতি (ছিকিউৰিটিজ) নিলামৰ জৰিয়তে এই ঋণ ল'ব চৰকাৰখনে। ৰিজাৰ্ভ বেংক কৰ্তৃপক্ষক ইতিমধ্যে প্ৰস্তাৱ দাখিল কৰিছে। এককথাত ক'বলৈ ক'লে ঋণৰ ওপৰত নিৰ্ভৰ কৰি চলিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ। ৰাজ্যৰ উদ্যোগ, বাণিজ্য বন্ধ হৈ পৰাত চৰকাৰখনে চাকৰিয়ালৰ দৰমহা, ঠিকাদাৰৰ বিল আদায় দিবলৈ প্ৰতি মাহে ঋণ লৈ থাকিবলগীয়া হৈছে। চৰকাৰৰ ৰাজকোষ উদং হৈ থকাৰ ফলতে বাৰে বাৰে ঋণ লৈ জোৰা-টাপলি মাৰিবলগীয়া হৈছে। মাহেকত ঋণ লৈ চৰকাৰ চলাই থকা বুলি বিৰোধী তথা অৰ্থনীতিবিদসকলে অভিযোগ উত্থাপন কৰি আহিছে। বিৰোধী তথা অৰ্থনীতিবিদসকলৰ অভিযোগৰ মাজতে আকৌ ৯০০ কোটি টকাৰ ঋণ ল'বলৈ সাজু হৈছে চৰকাৰ। ২২ এপ্ৰিলত ৯০০ কোটি টকা ঋণ ল'বলৈ সাজু হৈছে চৰকাৰখনে। ১০ বছৰীয়া ৰাজ্যিক চৰকাৰী প্ৰতিভূতি (ছিকিউৰিটিজ) নিলামৰ ঘোষণা কৰি বিবৃতি দিছে। ইয়াৰ জৰিয়তে ৰাজ্যই ঋণ সংগ্ৰহ কৰিব বিচাৰিছে। অসম চৰকাৰৰ বিত্ত বিভাগৰ সচিব দিলীপ কুমাৰ বৰাৰ দ্বাৰা ইতিমধ্যে প্ৰকাশিত চৰকাৰী বিবৃতি নং বি ডব্লিউ.০৩/২০২৫/১১ যোগে ৯০০ কোটি টকা ঋণ লোৱাৰ কথা প্ৰকাশ পাইছে। নিলামত নিৰ্ধাৰিত কাট-অফ য়িল্ড অনুসৰি কুপনৰ হাৰ স্থিৰ কৰা হ'ব। ইয়াৰ আগতে হিমন্ত বিশ্ব শৰ্মা চৰকাৰে জানুৱাৰীৰ পৰা ২২ এপ্ৰিললৈকে পৰ্যন্ত চাৰি মাহত ৮,৮৫০ কোটি টকা ঋণ লৈছে। ৭ জানুৱাৰীত ৫০০ কোটি, ২৮ জানুৱাৰীত ৫০০ কোটি, ৪ ফেব্ৰুৱাৰীত ৯০০ কোটি, ১৮ ফেব্ৰুৱাৰীত ৯০০ কোটি, ২৫ ফেব্ৰুৱাৰীত এটা পৰ্যায়ত ৯৫০ কোটি আৰু আন এটা পৰ্যায়ত ৯০০ কোটিসহ ১,৮৫০ কোটি, ৪ মাৰ্চত ৯০০ কোটি, ১১ মাৰ্চত ৯০০ কোটি, ২৫ মাৰ্চত এটা পৰ্যায়ত ১,০০০ কোটি আৰু আন এটা পৰ্যায়ত ৫০০ কোটিসহ ১,৫০০ কোটি টকা ঋণ লয়। এতিয়া ২২ এপ্ৰিলত ৯০০ কোটি টকা ঋণ ল'ব চৰকাৰে। এই ৯০০ কোটি টকাসহ ৰাজ্য চৰকাৰৰ ঋণৰ পৰিমাণ হৈ পৰিব ১ লাখ ৭২,৮৫০ কোটি টকা। বিৰোধী দলসমূহ আৰু অৰ্থনীতিবিদসকলে ৰাজ্য চৰকাৰৰ বাৰে বাৰে ঋণ গ্ৰহণৰ নীতিৰ ওপৰত উদ্বেগ প্ৰকাশ কৰি আহিছে। ঋণৰ সুদৰ বোজাই ৰাজ্যৰ অৰ্থনীতিত দীৰ্ঘম্যাদী প্ৰভাৱ পেলাব পাৰে। নতুন বছৰটোত বাৰে বাৰে ঋণ লোৱা এইখন চৰকাৰৰ বিত্ত ব্যৱস্থা থৰক-বৰক বুলি অভিযোগ উঠি আহিছে। বিগত ৮ বছৰত অসমৰ বিজেপি চৰকাৰে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ মাৰ্চ মাহলৈকে সুতৰ নামত ভৰিবলগীয়া হৈছে ৪২,০৬১ কোটি টকা। সৰ্বানন্দ সোণোৱাল চৰকাৰে ৫ বছৰত ১৯,৬৫১ কোটি টকা আৰু হিমন্ত চৰকাৰৰ তিনি বছৰতে সকলো অভিলেখ ভংগ কৰি সুতৰ নামত ভৰিছে ২২,৪১০ কোটি টকা। আনহাতে পোন্ধৰ বছৰকৈ শাসন চলোৱা কংগ্ৰেছৰ তৰুণ গগৈ চৰকাৰখনে ২০১৫-১৬ বিত্তীয় বৰ্ষলৈকে সুদৰ বাবদ ২৬,৩৬৯ কোটি টকা ভৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিয়ে নাকাঢ়ে মুছলমানৰ মাটি-ঘৰ

শইকীয়াই। আজি কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাত দলীয় সভাত অংশ লয় দিলীপ শইকীয়াই। দিনতে ভাগতে শইকীয়াই হাইলাকান্দি চহৰত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে। তাৰ পিছতে শইকীয়াই শ্ৰীভূমি আৰু কাছাৰ জিলাৰ ধলাই বিধানসভা সমষ্টিত পঞ্চায়ত নিৰ্বাচনৰ মিত্ৰজোঁটৰ জিলা পৰিষদৰ সদস্য পদৰ প্ৰাৰ্থীসকলৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত সম্বোধন কৰে। সভাকেইখনত ভাষণ প্ৰদান কৰি দিলীপ শইকীয়াই কয় যে বিজেপিৰ উন্নয়ন আৰু সুশাসনৰ ৰাজনীতিয়ে কেৱল অসমতে নহয়, সমগ্ৰ ভাৰততে মানুহৰ জীৱন সলনি কৰি দিছে বুলি দাবী কৰিছে। বৰাকৰ সভাসমূহত জনসাধাৰণৰ উল্লাস প্ৰত্যক্ষ কৰি শইকীয়াই কয় যে এই উল্লাসে প্ৰমাণ কৰে যে বিজেপিৰ দিনত ইতিবাচক পৰিৱৰ্তন আহিছে। বৰাক উন্নয়ন আৰু প্ৰগতিৰ পথত আছে! অসম ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই আজি বৰাকত ৱাকফ সংশোধনী আইনক লৈ নিজৰ স্পষ্ট মতামত দাঙি ধৰে। কংগ্ৰেছে ৱাকফ আইনৰ বিৰুদ্ধে অপপ্ৰচাৰ চলোৱাৰ অভিযোগ উত্থাপন কৰি দিলীপ শইকীয়াই কংগ্ৰেছক তীব্ৰ আক্ৰমণৰ লক্ষ্য কৰি লয়। কোনো মুছলমানৰ সম্পত্তি, নামাজ পঢ়াৰ অধিকাৰ কাঢ়ি লোৱা নহয় বুলি স্পষ্ট কৰি উদাত্ত কণ্ঠে দিলীপ শইকীয়াই কয় যে যিখন ৱাকফ আইন আছিল সেইখন আমি সংশোধন কৰিছো। বহুতে সংশোধনক লৈ মুছলমানৰ মাজত অপপ্ৰচাৰ চলাই আছে যে মছজিদৰ সম্পত্তি কাঢ়ি লৈ যাব। কবৰস্থানৰ সম্পত্তি কাঢ়ি লৈ যাব। মুছলমানৰ নামাজ বন্ধ কৰি দিব। কংগ্ৰেছ দলে এনে অপপ্ৰচাৰ, মিথ্যাচাৰ সাধাৰণ মুছলমানৰ মাজত প্ৰচাৰ কৰিছে। আজি মই ইয়াত কথা দিছো যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই স্পষ্ট কৰিছে, ভাৰত চৰকাৰে স্পষ্ট কৰিছে যে মুছলমানৰ কোনো সম্পত্তিৰ প্ৰতি লোলুপ নাই, লোভ নাই। কেৱলমাত্ৰ যাতে আমি সৎ ব্যৱহাৰ কৰিব পাৰো, সেই সম্পত্তিৰ দ্বাৰা যাতে দুখীয়া, বিধৱা, মহিলাৰ সেৱা কৰিব পাৰো তাৰ বাবে আমি ৱাকফ সংশোধনী আইন সংসদত গৃহীত কৰিছো। ইপিনে এদিন পূৰ্বে দিলীপ শইকীয়াই ৰঙিয়াত ৰমেন ডেকাক সম্বৰ্ধনা জ্ঞাপনৰ সময়ত নলবাৰীত এক ব'হাগৰ দিনা সংঘটিত ঘটনাক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰে। বাঁহজানী মণ্ডল বিজেপিৰ সভাপতি মিণ্টু তামুলীক ধমক দিছিল। মুখ্যমন্ত্ৰী আৰু মন্ত্ৰী জয়ন্তমল্লৰ সন্মুখত খণ্ডত অগ্নিশৰ্মা হৈ বাঁহজানীৰ মণ্ডল সভাপতিক ধমক দিছিল। দিলীপ শইকীয়াক কাৰ্যালয়ত প্ৰৱেশত বাধা দিয়াত বাঁহজানী মণ্ডলৰ সভাপতি মিণ্টু তামুলীক ধমক দিয়াৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হয়। নলবাৰীৰ খণ্ডৰ বাবে কালি ৰঙিয়াত অনুশোচনা দিলীপ শইকীয়াৰ। শইকীয়াই কয় যে খং মানেই চণ্ডাল হ'ব নালাগে। ৰাজ্যপাল ৰমেন ডেকা উপস্থিত থকা সভাখনত শইকীয়াই কয় যে ৰমেনদাই মোক কৈছিল যে কেতিয়াও ৰাজহুৱা স্থানত টেম্পাৰ হেৰুৱাব নালাগে। সিদিনা এটা মোৰ ভুল হৈছে। বৰাকৰ দিলীপ শইকীয়াৰ সভাত মন্ত্ৰী কৌশিক ৰায়, সাংসদ পৰিমল শুক্লবৈদ্য, ৰাজ্যিক উপ-সভাপতি ৰাজদ্বীপ ৰায়, ৰাজ্যিক সম্পাদক কনাদ পুৰকায়স্থ বিধায়ক নিহাৰ ৰঞ্জন দাস, দীপায়ন চক্ৰৱৰ্তী, মিহিৰকান্তি সোম আদি বহু বিশিষ্ট লোক উক্ত সভাত উপস্থিত থাকে।

# পশুপালন-পশু চিকিৎসাৰ উদ্যোগত চিত্ৰাংকন প্ৰতিযোগিতা

ই-সংবাদ ব্যুৰ', নলবাৰী, ২০ এপ্ৰিলঃ অসম পশুপালন আৰু পশু চিকিৎসা সেৱা সন্থাৰ উদ্যোগত আৰু পশুপালন আৰু চিকিৎসা সেৱা সন্থা নলবাৰীৰ সহযোগত বিশ্ব পশু চিকিৎসা দিৱস উপলক্ষে আজি অসম ভিত্তিত প্ৰাইজমানি চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হয়। নলবাৰীৰ অসম একাডেমিৰ উদ্যোগত অনুষ্ঠিত দুটা শাখাৰ চিত্ৰাংকণ প্ৰতিযোগিতাত প্ৰায় চাৰি শতাধিক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰে। প্ৰতিযোগিতাখন উদ্বোধন কৰে মহকুমা পৰ্যায়ৰ পশু চিকিৎসা বিষয়া ডাঃ অঞ্জনজ্যোতি শৰ্মাই। অসম পশুপালন আৰু পশু চিকিৎসা সেৱা সন্থাৰ সম্পাদক প্ৰমোদ কুমাৰ পাটোৱাৰীয়ে পৰিচালনা কৰা উদ্বোধনী অনুষ্ঠানটোত পশু চিকিৎসক তথা বিশিষ্ট সাহিত্যিক পংকজ গোবিন্দ মেধি, 'অসম টাইম'ৰ মুখ্য সম্পাদক এম মহিবৰ ৰহমান, ডাঃ অম্বিকা ডেকা, ডাঃ মানবেন্দ্ৰ দাস, ডাঃ ত্ৰিদিৱ কুমাৰ ভট্টাচাৰ্য, ডাক্তৰ প্ৰদীপ দেৱ শৰ্মা, ডাঃ গুণজিৎ বৰ্মন, ডাঃ পাঞ্চালী চেতীয়া বৈশ্য, ডাঃ পৰিমীতা হালৈ, পশু চিকিৎসা কৰ্মী কৰেণ কলিতা, বিমল চন্দ্ৰ ঠাকুৰীয়া, ৰবীন্দ্ৰনাথ শৰ্মা, কুসুম দাস, ছোনিয়া দাস, চিত্ৰশিল্পী দিগন্ত বৰ্মন আদি উপস্থিত থাকে। অনুষ্ঠানত বহুসংখ্যক স্থানীয় ৰাইজ তথা অভিভাৱক উপস্থিত থাকে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## হোমৰ জুইৰ পূৰ্বে জ্বলিল চিতাৰ জুই

নৌপাওঁতেই চিতাৰ জুই জ্বলিল। ৰঙালী বিহুৰ মাজতে এই ঘটনা সংঘটিত হৈছে গহপুৰত। ২৭ ব'হাগ, ইংৰাজী ১১ মে'ত বিয়া আছিল গহপুৰ মধ্যচত্ৰঙৰ চুমি প্ৰধানৰ। কিন্তু বিয়াৰ বজাৰ কৰিবলৈ গুৱাহাটীলৈ আহি থকাৰ সময়তে গহপুৰৰ বড়িগাঁৱত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত ভয়ংকৰ পথ দুৰ্ঘটনাত পতিত হৈ অচিন দেশলৈ মেলানি মাগিলে গহপুৰ মধ্যচত্ৰঙৰ চুমি প্ৰধানে। হৃদয়বিদাৰক ঘটনাই জোকাৰি গৈছে সমগ্ৰ গহপুৰক। ইতিমধ্যে ঘৰখনত বিয়াৰ কাম-কাজ আৰম্ভ হৈছিল। বজাৰ-সমাৰ কৰা হৈছিল। কিন্তু আনন্দ-উল্লাসৰ পৰিৱেশৰ মাজতে এক ভয়াৱহ দুৰ্ঘটনাত যেন সকলো শেষ হৈ গ'ল। গহপুৰ মধ্যচত্ৰঙৰ চুমি প্ৰধান এখন ফাৰ্মাচিত কৰ্মৰত হৈ আছিল। চুমিৰ বিয়াৰ বয়স। পৰিয়ালৰ সন্মতিত এজন যুৱকৰ সৈতে বিয়া ঠিক হয়। ২৭ ব'হাগ, ইংৰাজী ১১ মে'ত বিয়াৰ দিন-বাৰ ঠিক হৈছিল। জানিব পৰা মতে, কালি নিশা গহপুৰৰ বান্ধৱীৰ ঘৰত কটাইছিল চুমিয়ে। নিশা বান্ধৱীৰ ঘৰত কটাই আজি বিয়াৰ কাপোৰ কিনিবলৈ গুৱাহাটীলৈ অহাৰ কথা। বান্ধৱীৰ ঘৰৰ পৰা বান্ধৱী টুটুমনি নাথক স্কুটীত উঠাই গহপুৰ অভিমুখে আহি থকাৰ সময়তে বড়িগাঁৱত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত ভয়ংকৰ দুৰ্ঘটনাত পতিত হৈ থিতাতে নিহত হয় চুমি। অৰুণাচলৰ দিশৰ পৰা অহা এখন ক'লা ৰঙৰ স্কৰপিঅ'ই স্কুটিখনত পিছফালৰ পৰা খুন্দা মৰাত ৰাজপথৰ পৰা বহু নিলগলৈ ছিটিকি পৰে চুমি আৰু বান্ধৱীগৰাকী। ফলত ঘটনাস্থলীতেই চুমি প্ৰধান নিহত হয়। দেওনাবৰীৰ বান্ধৱী টুটুমনি নাথ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাত তেওঁক চিকিৎসাৰ বাবে ততাতৈয়াকৈ হাস্পিতালত ভৰ্তি কৰা হৈছে। লগে লগে ঘটনাস্থলীত গহপুৰ আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে আৰু হাস্পতাললৈ প্ৰেৰণ কৰে। পিছত আৰক্ষীয়ে মৃতদেহৰ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। উল্লেখ্য, স্কৰপিঅ'খনে চুমিৰ স্কুটিত খুন্দা মাৰি লখিমপুৰৰ দিশে পলায়ন কৰে। নিশা বান্ধৱীৰ ঘৰত কটাই আজি দিনৰ ভাগত ৰে'লেৰে গুৱাহাটীলৈ বজাৰ কৰিবলৈ অহাৰ কথা আছিল চুমিৰ। কিন্তু চুমিৰ কেতিয়াও গুৱাহাটীলৈ অহা নহ'ল। চুমিৰ মৃতদেহ পৰিয়ালে চমজি লোৱা বুলি জানিব পৰা গৈছে। এই কৰুণ ঘটনাই সমগ্ৰ উত্তৰ অসমবাসীক শোকত ম্ৰিয়মাণ কৰি তুলিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## অসমৰ মাটিত আকৌ নগা বিধায়কে

চৰকাৰ, প্ৰশাসন তথা আৰক্ষী নিদ্ৰাৰত অৱস্থাত আছে। যাৰ বাবে অসম-নাগালেণ্ড সীমান্তত উত্তেজনা অব্যাহত আছে। অসমৰ ভূমি নগাই জোৰ-জবৰদস্তি দখল কৰাৰ অভিযোগত সীমান্তৰ অসমীয়াই নেৰানেপেৰা প্ৰতিবাদ কৰি আহিছে। ১০ এপ্ৰিলত অসমৰ কেইবাহাজাৰ বাসিন্দাই মেৰাপানী ছীডৰ্ফামত ৰাজপথলৈ ওলাই আহি সীমান্তত উগ্ৰ প্ৰতিবাদ সাব্যস্ত কৰি সীমান্তৰ অসমীয়া ভূমি সুৰক্ষিত কৰাৰ দাবী জনাইছিল। বাৰে বাৰে সীমান্তত অসমীয়া কৃষক আৰু বিভিন্ন দল-সংগঠনে ভূমি সুৰক্ষাৰ দাবীত প্ৰতিবাদ কৰি গৈছে। কিন্তু চৰকাৰ কিম্বা আৰক্ষী-প্ৰশাসনে আজিলৈ গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন হৈছে। অসমৰ মাটিত নগাই অবৈধভাৱে বহুওৱা জেওৰা-জপনা, পকী দলং উচ্ছেদ কৰাৰ বাবে সাত দিনৰ সময়সীমা বান্ধি দিছিল কৃষক ৰাইজ তথা কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। তাৰ মাজতে মেৰাপানী ছীডৰ্ফামত নাগালেণ্ডৰ বিধায়কে বীৰত্ব প্ৰদৰ্শন কৰে। নগা বিধায়কে বীৰত্ব প্ৰদৰ্শন কৰি এক ইঞ্চি ভূমিও অসমক এৰি নিদিয়াৰ হুংকাৰ দিছে। নগা বিধায়কে অসমীয়া কৃষকক উচ্ছেদ কৰাৰ ভাবুকি প্ৰদান কৰাত পুনৰ সীমান্তত উত্তেজনাই বিৰাজ কৰিছে। নগা বিধায়কৰ অতপালিৰ পিছতে কৃষক সমাজ, স্থানীয় ৰাইজ তথা কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে প্ৰতিবাদ আৰম্ভ কৰিছে। জানিব পৰা মতে ৰাজ্যবাসীয়ে ৰঙালী বিহুৰ আনন্দৰ-উল্লাসত মতলীয়া হৈ থকাৰ সময়তে ১৬ এপ্ৰিলত নাগালেণ্ড বিধানসভাৰ ভাণ্ডাৰী সমষ্টিৰ বিধায়ক আছাস্বেম' কিকনৰ নেতৃত্বত সপ্তম নগা আৰক্ষীৰ শীৰ্ষ বিষয়া, ল'থা ল'ৰাৰ ৰেঞ্জ প্লাৰিক অৰ্গেনাইজেচন, ল'থা ল'ৰাৰ ৰেঞ্জ ষ্টুডেন্ট ইউনিয়ন আৰু নাগালেণ্ডৰ সীমান্ত দণ্ডাধীশে অসমৰ ছীডৰ্ফামৰ ভূমিত সংগোপনে উপস্থিত হৈ ছীডৰ্ফামৰ ১৩০০ একৰ ভূমি সম্পূৰ্ণ ৰূপে নাগালেণ্ডৰ বুলি দাবী কৰি অসমৰ মানুহক উচ্ছেদ কৰাৰ ভাবুকি প্ৰদান কৰি যায়। কোনো কাৰণতে ছীডৰ্ফামৰ এক ইঞ্চি ভূমিও অসমক এৰি দিয়া নহ'ব বুলি হুংকাৰ দিয়ে। সমান্তৰালভাৱে নাগালেণ্ডৰ প্ৰতিনিধি দলটোৱে ছীডৰ্ফামত চাৰিওফালে ফেন্সিঙৰ ব্যৱস্থা কৰি অসমৰ কৃষকক আবণ্টন দিয়া ভূমি অথবা সকলো নথিপত্ৰ বাতিল কৰাৰ বাবে নাগালেণ্ডৰ কৃষি বিভাগক নিৰ্দেশনা জাৰি কৰিছে। এই ঘটনাৰ পিছতেই আজি কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সম্পাদক বিদ্যুৎ শইকীয়াই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। শইকীয়াই কয় যে অসমৰ ভৌগোলিক মানচিত্ৰৰ ভিতৰত থকা ছীডৰ্ফামৰ ভূমি কোনো কাৰণতেই নাগালেণ্ডক এৰি দিয়া নহ'ব। ছীডৰ্ফামৰ ভূমিত নগাৰ কাৰ্যকলাপ অবৈধ বুলি খোদ গোলাঘাট জিলা প্ৰশাসনৰ মেৰাপানীৰ সীমান্ত দণ্ডাধীশগৰাকীয়ে ১০ এপ্ৰিলত হোৱা প্ৰতিবাদী কাৰ্যসূচীত ৰাজহুৱাভাৱে ঘোষণা কৰিছিল। ফলত উচ্ছেদ কৰাৰ সাত দিনৰ সময়সীমা বান্ধি দিছিল। ৰাইজৰ দাবী পালনত ব্যৰ্থ হ'ল গোলাঘাট জিলা প্ৰশাসন। যদিও আজিপৰ্যন্ত অসম প্ৰশাসনে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত জাঙুৰ খাই উঠিছে কৃষক মুক্তি সংগ্ৰাম সমিতি। এই ক্ষেত্ৰত অচিৰেই বিহিত ব্যৱস্থা গ্ৰহণ নকৰিলে ৰাইজৰ সহযোগত পুনৰ জংগী আন্দোলন গঢ়ি তোলা হ'ব হুংকাৰ দিয়ে বিদ্যুৎ শইকীয়াই। গোলাঘাট জিলা প্ৰশাসনক পুনৰ ২২ এপ্ৰিললৈকে অন্তিম সময়সীমা বান্ধি দিছে। অন্যথা নিজৰ ভূমি ঘূৰাই অনাৰ বাবে জীৱনপণ কৰিব বুলি কয়। উল্লেখ্য, অসমৰ ভৌগোলিক মানচিত্ৰৰ ভিতৰৰ মেৰাপানী ছীডফাৰ্ম নাগালেণ্ডৰ বুলি পুনৰ দাবী কৰিছে নাগালেণ্ড চৰকাৰে। নাগালেণ্ড বিধানসভাৰ এজন বিধায়ক আৰু নগা প্ৰশাসনৰ এটা সঁজাতী দলে মেৰাপানীৰ ভেলৌগুৰিস্থিত ছীডফাৰ্ম পৰিদৰ্শন কৰি এই দাবী উত্থাপন কৰিছে। অসম চৰকাৰে কি ব্যৱস্থা লয় সেয়া লক্ষণীয় হব।

## সৰ্ব ভাৰতীয় সাংবাদিক সন্থাৰ কোকৰাঝাৰ জিলা সমিতিৰ বিশেষ বৈঠক সম্পন্ন, শপত গ্ৰহণ

**ই-সংবাদ, ২০ এপ্ৰিলঃ** সৰ্ব ভাৰতীয় সাংবাদিক সন্থা কোকৰাঝাৰ জিলা সমিতিখন অলপতে গঠন কৰা হয়। ৰাজিক সমিতিৰ সাংগঠনিক সম্পাদক অৰুণ কুমাৰ গুপ্তাৰ সঞ্চালনাত অনুষ্ঠিত সাধাৰণ সভাত কোকৰাঝাৰ জিলা সমিতি গঠন কৰে। কামাখ্যা সৰকাৰক সভাপতি, কৰুণা অধিকাৰীক কাৰ্যকৰী সভাপতি, উপ-সভাপতি কিশোৰ মিশ্ৰ, ধনকেশ বৰ্মন, সাংগঠনিক সম্পাদক গোপাল চন্দ্ৰ ৰায়, ডাঙ্গৰাং বসুমতাৰীক সাধাৰণ সম্পাদক হিচাপে লৈ ১৫ জনীয়া কোকৰাঝাৰ জিলা সৰ্ব ভাৰতীয় সাংবাদিক সন্থা গঠন কৰা হয়। আজি দিনৰ ১২ বজাত গোসাঁইগাঁৱৰ তেলীপাৰা আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰৰ সভা কক্ষত শপত গ্ৰহণ কাৰ্যসূচী অনুষ্ঠিত হয়। গোসাঁইগাঁৱৰ নিউজ লাইভৰ জ্যেষ্ঠ সাংবাদিক দুলাল চন্দ্ৰ ৰায়ৰ পৰিচালনাত অনুষ্ঠিত সভাত শপত গ্ৰহণ কৰে জিলা সমিতিয়ে। উক্ত অনুষ্ঠানত কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি আতিফুৰ ৰহমান আৰু সাধাৰণ সম্পাদক সমীৰণ দাস উপস্থিত থাকে। শপত বাক্য পাঠ কৰায় সমীৰণ দাস। একেখন সভাত মুখ্য অতিথি হিচাপে বিটিআৰৰ কাৰ্যবাহী সদস্য সজল কুমাৰ সিংহ ,আক্ৰাসুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক শুনা ধৰ ৰায়, প্ৰাক্তন আছু কৰ্মী আফজালুৰ ৰহমান,সমাজ সেৱক তথা প্ৰাক্তন বাঙালী জন মুক্তি বাহিনিৰ অধ্যক্ষ কমল পাল, গোসাঁইগাঁও ডিজিটেল প্ৰেছ ক্লাবৰ সভাপতি, উপ-সভাপতিকে ধৰি সমাজসেৱক, সাংবাদিক, ছাত্ৰ নেতা উপস্থিত থাকে। উক্ত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সজল সিংহ। অতি পৰিশ্ৰমী আখ্যা দি দিনে-নিশাই আনৰ হকে কাম কৰি যোৱা সাংবাদিকসকলক তেওঁ সমাজসেৱী বুলিও কয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত জালত মণিপুৰৰ উগ্ৰপন্থী

সদাব্যস্ত পল্টনবজাৰত গোপনে বাহৰ পাতি থকা হিংসা জৰ্জৰিত মণিপুৰৰ বিদ্ৰোহী সংগঠনৰ কেডাৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। পল্টনবজাৰ অঞ্চলৰ এখন হোটেলত নিষিদ্ধ বিদ্ৰোহী সংগঠন পিপলছ লিবাৰেচন আৰ্মীৰ (পিএলএ) সক্ৰিয় সদস্যক চোৰাংচোৱা তথ্যৰ ভিত্তিত অভিযান চলাই গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় গুৱাহাটী আৰক্ষী। বশিষ্ঠ আৰক্ষী, বিশেষ অভিযান গোট, পল্টন বজাৰ আৰক্ষীয়ে চলোৱা যুটীয়া অভিযানত সিঙক পল্টন বজাৰৰ এখন হোটেলৰ পৰা গ্ৰেপ্তাৰ কৰা হয়। কেডাৰজন মণিপুৰৰ থৌবাল জিলাৰ মায়াংলাম্বাম ববি সিং বুলি জানিব পৰা গৈছে। হিংসাপীড়িত মণিপুৰত হিংসাত্মক কাৰ্যকলাপত জড়িত থকাৰ অভিযুক্ত বুলি সন্দেহ কৰা হৈছে। সহঃআৰক্ষী আয়ুক্ত মৃণাল ডেকাই কয় যে কিছুদিনৰ পৰা বেহাৰবাৰী অঞ্চলত বসবাস কৰি আছিল। আপত্তিজনক নথি-পত্ৰ জব্দ কৰিছে যদিও কোনো অস্ত্ৰ বা গোলা-বাৰুদ উদ্ধাৰ হোৱা নাই। বৰ্তমান বশিষ্ঠ আৰক্ষীয়ে জেৰা কৰি আছে আৰু পৰৱৰ্তী তদন্তৰ বাবে শীঘ্ৰেই মণিপুৰ আৰক্ষীক গতাই দিয়া হ'ব। পিএলএৰ আন আন নেতাই বসবাস কৰিবলৈ আৰম্ভ কৰিছে যদিও নিৰীক্ষণ কৰি থকা হৈছে। মণিপুৰত নিৰাপত্তা বাহিনীয়ে পিপলছ লিবাৰেচন আৰ্মীৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে। যোৱা ৪৮ ঘণ্টাত ৰাজ্যিক আৰু কেন্দ্ৰীয় বাহিনীৰ এটা যুটীয়া দলে উপত্যকা জিলাসমূহত কেইবাটাও অভিযানত আঠটা পৃথক নিষিদ্ধ গোটৰ সৈতে জড়িত ৮ জন উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। এই অভিযানৰ ফলত অস্ত্ৰ-শস্ত্ৰ, সামৰিক সঁজুলি, মোবাইল ফোন আৰু নগদ ধন উদ্ধাৰ হয়। মণিপুৰৰ থৌবাল জিলাত নিৰাপত্তাৰক্ষীয়ে পুৱাৰ ভাগত চলোৱা অভিযানত এজন ১৫ বছৰীয়া কিশোৰসহ সাতজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ৰাজ্যিক আৰক্ষী আৰু চিআৰপিএফৰ এটা যুটীয়া দলে পুৱা প্ৰায় ২.২০ বজাত এই অভিযান চলাইছিল। চোৰাংচোৱা তথ্যৰ ওপৰত অভিযান চলাই হেইৰোক অংশ-৩ৰ ৱাইবিচি ক্লাবত লুকাই থকা সশস্ত্ৰ দুৰ্বৃত্তৰ দলটোক ধৰিবলৈ সক্ষম হয়। অভিযানৰ সময়ত স্থানীয় লোকে নিৰাপত্তাৰক্ষীৰ ওপৰত শিল নিক্ষেপ কৰে। যাৰ ফলত কিছু আৰক্ষী আৰু চিআৰপিএফৰ বাহন ক্ষতিগ্ৰস্ত হয়। ইয়াৰ প্ৰতিক্ৰিয়াস্বৰূপে বাহিনীয়ে জনতাক ছত্ৰভংগ দিবলৈ অ-মাৰাত্মক গোলা-বাৰুদ ব্যৱহাৰ কৰাত পৰিস্থিতি অনিয়ন্ত্ৰিত হৈ পৰে। বাহিনীটোৱে দুটা আইএনএছএছ ৰাইফল, এটা এলএমজি, এটা কাৰ্বাইন, এটা এমএ-৩ আৰু এমকে-১১ ৰাইফল, ১৫০ ৰাউণ্ডতকৈও অধিক গোলা-বাৰুদ, কেইবাটাও মোবাইল ফোন, এখন চাৰিচকীয়া বাহন, এখন বাইক, নেপালী মুদ্ৰা আৰু বিভিন্ন সামগ্ৰী, গুৰুত্বপূৰ্ণ অস্ত্ৰ-শস্ত্ৰ আৰু সঁজুলি উদ্ধাৰ কৰে। ইপিনে ফেব্ৰুৱাৰী মাহত হোজাই জিলাৰ মোৱাঝাৰৰ পৰা একেটা সংগঠনৰ আন এজন কেডাৰ যাইখোম তাঙৱা সিঙক আটক কৰিছিল। হোজাইৰ এছ পি সৌৰভ গুপ্তাৰ মতে তাঙৱা সিং অস্ত্ৰ আৰু ড্ৰাগছ সৰবৰাহৰে জড়িত আছিল। অস্ত্ৰৰ চোৰাং সৰবৰাহ নেটৱৰ্ক স্থাপনৰ বাবে কাম কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'বিজেপিয়ে ভাৰতক উত্তৰ কোৰিয়াত

মন্তব্যক লৈ তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে লোকসভাৰ বিৰোধী উপ-দলপতি তথা কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে। বিজেপিৰ দুজনকৈ নেতাই ন্যায়পালিকাৰ ওপৰত সন্দেহৰ আঙুলি তোলাৰ পিছত এই সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি সেই মন্তব্যৰ সৈতে দলৰ কোনো সম্পৰ্ক নাই বুলি স্পষ্টীকৰণ দিছিল বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জেপি নাড্ডাই। কিন্তু নাড্ডাৰ সেই স্পষ্টীকৰণ বিশ্বাসযোগ্য নহয় বুলি দাবী কৰি সাংসদ গৌৰৱ গগৈয়ে কয় যে আৰএছএছ-বিজেপিৰ চূড়ান্ত লক্ষ্যই হৈছে ভাৰতক উত্তৰ কোৰিয়া বা ইৰাকৰ দৰে স্বৈৰতান্ত্ৰিক ৰাষ্ট্ৰলৈ পৰিণত কৰা। গৌৰৱ গগৈয়ে প্ৰশ্ন উত্থাপন কৰে যে যেতিয়া নিশিকান্ত ডুবে আৰু দীনেশ শৰ্মাই মুখ্য ন্যায়াধীশক লৈ আপত্তিজনক মন্তব্য কৰিছিল তেতিয়া বিজেপিৰ সভাপতিয়ে তেওঁলোকৰ মন্তব্যক 'ব্যক্তিগত' বুলি উলাই কৰিছিল যদিও বাস্তৱত এই মন্তব্য বিজেপিৰ উচ্চস্তৰৰ মৌন সন্মতি সাপেক্ষে কৰা হৈছে। মোদী-শ্বাহৰ ঘনিষ্ঠ বিজেপি গোটসমূহলৈ আঙুলিয়াই গগৈয়ে কয় যে তেওঁলোকে সচেতনভাৱে ভাৰতৰ ন্যায়পালিকাৰ ভাবমূৰ্তি কলংকিত কৰিবলৈ চেষ্টা চলাইছে। উল্লেখ্য যে, শেহতীয়াকৈ উচ্চতম ন্যায়ালয়ৰ কেইবাটাও ৰায়, বিশেষকৈ তামিলনাডু সম্পৰ্কীয় গোচৰ আৰু ৱাকফ সংশোধনী আইনক লৈ ন্যায়ালৰ বিচাৰে অস্বস্তিত পেলাইছে বিজেপি চৰকাৰক। এনে পৰিপ্ৰেক্ষিততে ন্যায়পালিকাৰ ওপৰত বিজেপিৰ সাংসদ নিশিকান্ত ডুবে অথবা দীনেশ শৰ্মাই কৰা মন্তব্য দৰাচলতে বিজেপিৰ দীঘলীয়া পৰিকল্পনাৰ অংশ বুলি অভিযোগ কৰে গৌৰৱ গগৈয়ে। লক্ষ্যণীয়ভাৱে এই দুই জ্যেষ্ঠ নেতাৰ মন্তব্যৰ পিছত এক্সত স্পষ্টীকৰণ দি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নাড্ডাই কয় যে নিশিকান্ত ডুবে আৰু দীনেশ শৰ্মাই কৰা মন্তব্যৰ সৈতে বিজেপিৰ কোনো সম্পৰ্ক নাই। কিন্তু নাড্ডাৰ এই স্পষ্টীকৰণত সন্দেহ প্ৰকাশ কৰি গৌৰৱ গগৈয়ে কয় যে বিজেপিয়ে ধাৰাবাহিকভাৱে ন্যায়পালিকাৰ বিৰুদ্ধে মন্তব্য কৰি আছে আৰু সেয়া ব্যক্তিগত মতামত নহয়, বিজেপিৰ ৰচনা কৰা আখ্যানহে। ইয়াৰ পূৰ্বে নাড্ডাই টুইট কৰি কয়, "বিজেপিৰ সাংসদ নিশিকান্ত ডুবে আৰু দীনেশ শৰ্মাই কৰা মন্তব্য দলৰ নহয়, বৰঞ্চ তেওঁলোকৰ ব্যক্তিগত মতামত। বিজেপিয়ে এনে মন্তব্যত বিশ্বাস নকৰে আৰু কোনো ধৰণে সমৰ্থন নকৰে। বিজেপিয়ে স্পষ্টকৈ কৈছে যে এই মন্তব্য দলে মানি নলয়।" তেওঁ আৰু কয়, "বিজেপিয়ে সদায় দেশৰ ন্যায়পালিকাক সন্মান জনাই আহিছে আৰু আদালতৰ সকলো ৰায় আৰু পৰামৰ্শ মানি চলি আহিছে। আমাৰ মতে উচ্চতম ন্যায়ালয়কে ধৰি দেশৰ সকলো আদালত গণতন্ত্ৰৰ এক অবিচ্ছেদ্য অংগ আৰু সংবিধান ৰক্ষাৰ ই এক শক্তিশালী স্তম্ভ।" অৱশ্যে সাংসদ গৌৰৱ গগৈয়ে কয় যে এই বক্তব্য কেৱল দেখুৱাবলৈহে। তেওঁৰ মতে ন্যায়পালিকাৰ স্বাধীনতা ক্ৰমান্বয়ে হ্ৰাস কৰি ভাৰতৰ সাংবিধানিক কাঠামো দুৰ্বল কৰাটোৱেই হৈছে বিজেপিৰ প্ৰকৃত তথা মূল লক্ষ্য। লগতে তেওঁ বিজেপিৰ এনে কৌশলক দেশৰ বাবে অত্যন্ত বিপজ্জনক বুলি অভিহিত কৰে।

# মোদীৰ বিপৰীত দাবী জম্মু-কাশ্মীৰৰ ৰাজ্যপাল মনোজ সিনহাৰ

**শ্ৰীনগৰ, ২০ এপ্ৰিলঃ** জম্মু-কাশ্মীৰৰ পৰা ৩৭০ প্ৰত্যাহাৰ কৰি সন্ত্ৰাসবাদী কাৰ্য্যকলাপ হ্ৰাস কৰা বুলি দাবী কৰিছিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় চৰকাৰে। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ এই দাবীৰ বিপৰীত মেৰুত থিয় হৈ এইবাৰ আন এক দাবী কৰিলে কেন্দ্ৰীয়ভাৱে নিযুক্তিপ্ৰাপ্ত উপ-ৰাজ্যপাল মনোজ সিনহাই। তেওঁৰ দাবী অনুসৰি, জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদী কাৰ্যকলাপ হ্ৰাস পোৱা নাই, বৰং পূৰ্বতকৈ বৃদ্ধিহে পাইছে। উল্লেখ্য যে, ২০১৯ চনত কেন্দ্ৰই জম্মু-কাশ্মীৰৰ বিশেষ মৰ্যাদা বাতিল কৰি ৩৭০ অনুচ্ছেদ বাতিল কৰিছিল। তেতিয়াৰ পৰাই বিজেপি নেতৃত্বই দাবী কৰি আহিছে যে উপত্যকাত সন্ত্ৰাসবাদ কাৰ্যকৰীভাৱে নিয়ন্ত্ৰণলৈ অনা হৈছে। বিচ্ছিন্নতাবাদীসকলে অস্ত্ৰ-শস্ত্ৰ এৰি মূলসুঁতিলৈ ঘূৰি আহিছে, আৰু যুৱ প্ৰজন্মই উন্নয়নৰ পথত আগবাঢ়িছে। কিছুদিন পূৰ্বে মুম্বাইত অনুষ্ঠিত এখন বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়েও কৈছিল, "এসময়ত বোমা, শিল আৰু বন্দুকৰ প্ৰতীক হিচাপে পৰিগণিত হোৱা জম্মু-কাশ্মীৰত এতিয়া পৰিৱৰ্তনৰ বতাহ বলিছে। আমাৰ চৰকাৰৰ শক্তিৰ বাবেই তাত থকা যুৱক-যুৱতীসকলে এতিয়া উন্নয়নৰ সপোন দেখিছে।" কিন্তু মোদীৰ বক্তব্যৰ মাত্ৰ কেইদিনমান পিছতে মনোজ সিনহাই উপস্থাপন কৰিলে জম্মু-কাশ্মীৰৰ প্ৰকৃত ছবি। শুকুৰবাৰে দিয়া এক সাক্ষাৎকাৰত তেওঁ কয় যে, বিশেষকৈ জম্মুত সন্ত্ৰাসবাদী কাৰ্যকলাপ বৃদ্ধি পাইছে। এয়া আমাৰ বাবে এক ডাঙৰ প্ৰত্যাহান। আমি জম্মুৰ লগতে কাশ্মীৰকো সন্ত্ৰাসবাদৰ পৰা মুক্ত কৰিব বিচাৰো। তেওঁৰ স্বীকাৰোক্তিত কেন্দ্ৰৰ দাবী আৰু পৰিসংখ্যাৰ মাজত থকা অমিল স্পষ্ট হৈ পৰিছে। উল্লেখ্য যে, শেহতীয়াকৈ পাকিস্তানৰ পৰা অহা উগ্ৰপন্থীয়ে জম্মুৰ আখনুৰ ছেক্টৰত নিয়ন্ত্ৰণ ৰেখাত অনুপ্ৰৱেশৰ চেষ্টা চলাইছিল। অৱশ্যে নিৰাপত্তাৰক্ষীয়ে এই চক্ৰান্ত বিফল কৰে। ইয়াৰ পূৰ্বে কিস্তৱাৰত তীব্ৰ বন্দুক যুদ্ধত জৈছ-ই-মহম্মদৰ শীৰ্ষ উগ্ৰপন্থী ছাইফুল্লাহকে ধৰি আন দুজন জেহাদী নিহত হৈছিল।

**ৰাইজৰ দলৰ মুৰব্বীক ক্ষুৰধাৰ সমালোচনা কংগ্ৰেছ নেতা শুভ্ৰমিত্ৰ গগৈৰ**

# অখিল গগৈয়ে বিজেপিৰ পৃষ্ঠপোষকতাত কাম কৰি আহিছে

**ই-সংবাদ, শিৱসাগৰ, ২০ এপ্ৰিলঃ** ৰাইজৰ দলৰ সভাপতি অখিল গগৈক উভতি ধৰিছে অসম প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সদস্য শুভ্ৰমিত্ৰ গগৈয়ে। আজি শিৱসাগৰৰ ৰাজীৱ ভৱনত এক সংবাদমেলযোগে অখিল গগৈক ক্ষুৰধাৰ সমালোচনা কৰে। ৰাইজৰ দলৰ সৈতে কংগ্ৰেছে পঞ্চায়ত নিৰ্বাচনত মিত্ৰতা নকৰাৰ অন্তৰালত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তথা সংসদৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈ, শেষাংশ ১১ পৃষ্ঠাত



দিগন্ত ভাৰতীক কৰা অপমানৰ বাবে চানমাৰিৰ বিহু সন্মিলনীৰ বিৰুদ্ধে শিল্পীৰ প্ৰতিবাদ, ফটোঃ সংগ্ৰহ

# ভূ-মাফিয়াৰ বাহনৰ খুন্দাত নাজিৰাত এজন ব্যক্তি নিহত

**ই-সংবাদ, গেলেকী, ২০ এপ্ৰিলঃ** নাজিৰাৰ মলাগাঁৱত অবৈধ মাটি খননস্থলীত যোৱানিশা সংঘটিত হ'ল এক অঘটন। মহেন্দ্ৰ গগৈ নামৰ এজন লোকৰ মৃত্যু হৈছে এই ঘটনাত। জানিব পৰা মতে অবৈধ ভূ-মাফিয়াৰ মাটি খনন কাৰ্যত বাধা প্ৰদান শেষাংশ ১২ পৃষ্ঠাত

# জাতীয়তাবাদী নেতা গৌৰীশংকৰ ৰাভাৰ বিয়োগ

**ই-সংবাদ, ধূপধৰা, ২০ এপ্ৰিলঃ** ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচিত অন্তৰ্ভুক্তিৰ দাবীৰে গঠন হোৱা ষষ্ঠ অনুসূচী দাবী সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি, জাতীয়তাবাদী নেতা তথা গোৱালপাৰা জিলাৰ দুধনৈ ২০ পৃষ্ঠাত

# বাঘমাৰাত গাঁঠিৰ ধনেৰে খহনীয়া প্ৰতিৰোধ কৰিবলৈ ওলাই আহিল গঞা

**ই-সংবাদ, শিমলীতোলা, ২০ এপ্ৰিলঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত ১ নং বাঘমাৰা চৰৰ খহনীয়া প্ৰতিৰোধ কৰিবলৈ ওলাই আহিল গাঁওবাসী। স্থানীয় লোকে জনোৱা মতে দীৰ্ঘদিন ধৰি প্ৰত্যেক বছৰে ১ নং বাঘমাৰা চৰত জলজলী নৈৰ শেষাংশ ১২ পৃষ্ঠাত

# ছিপাঝাৰৰ বোনমাঝাত পথ নিৰ্মাণত ব্যাপক অনিয়ম

**ই-সংবাদ, ছিপাঝাৰ, ২০ এপ্ৰিলঃ** দৰং জিলাৰ ছিপাঝাৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত বোনমাঝা পঞ্চায়তৰ এটা পকী পথ নিৰ্মাণত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ ঘটনা পোহৰলৈ আহিছে। উল্লেখ্য যে পঞ্চায়তখনৰ এটা গুৰুত্বপূৰ্ণ পথ পকীকৰণৰ বাবে ২০২৩-২৪ বিত্তীয় বৰ্ষত ছিপাঝাৰ উন্নয়ন খণ্ডৰ প্ৰাককলন অনুসৰি আবণ্টিত শেষাংশ ১২ পৃষ্ঠাত

**দিগন্ত ভাৰতীক অপমান**

# পুৰণিগুদাম কেন্দ্ৰীয় বিহু সমিতিৰ গৰিহণা

**ই-সংবাদ, পুৰণিগুদাম, ২০ এপ্ৰিলঃ** নগাঁও জিলাৰ পুৰণিগুদাম কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন "চম্পাৱতী"ৰ দ্বিতীয় দিনৰ অন্যতম কাৰ্যসূচী যোৱানিশা সাংস্কৃতিক অনুষ্ঠানত হাজাৰ হাজাৰ লোকে ভাগ লয়। সাংস্কৃতিক অনুষ্ঠানত গীত শেষাংশ ২০ পৃষ্ঠাত

# বৰমা ছোৱালী হাইস্কুলত ইছৰোৰ দ্বাৰা মহাকাশ গবেষণাগাৰ মুকলি

**চাৰি-পাঁচ বছৰৰ ভিতৰত নিৰ্মাণ হ'ব ৰাজ্য চৰকাৰৰ ছেটেলাইটঃ ডঃ নীলেশ**

**ই-সংবাদ, বৰমা, ২০ এপ্ৰিলঃ** বাক্সা জিলাৰ বৰমা ছোৱালী হাইস্কুলত আজি এটা মহাকাশ গৱেষণাগাৰ উদ্বোধন কৰে ইছৰোৰ সঞ্চালক ড° নীলেশ এম দেশায়ে। বিটিচি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত থকা কাৰ্যসূচীত ড° নীলেশ এম দেশায়ে অসম চৰকাৰে নিৰ্মাণ কৰিবলগীয়া ছেটেলাইট সন্দৰ্ভত মন্তব্য প্ৰদান কৰে। তেওঁ কয় যে চাৰি-পাঁচ বছৰৰ ভিতৰত নিৰ্মাণ হ'ব ৰাজ্য চৰকাৰৰ ছেটেলাইট। তেওঁ ছাত্ৰ-ছাত্ৰীক বিজ্ঞান, গণিত বিষয় অধিক উৎসাহেৰে পঢ়িবলৈ আহ্বান শেষাংশ ১২ পৃষ্ঠাত

# কামাখ্যা মন্দিৰৰ সমীপত অজ্ঞাত দুৰ্বৃত্তৰ আক্ৰমণ

**ই-সংবাদ, ২০ এপ্ৰিলঃ** গুৱাহাটী মহানগৰীৰ পবিত্ৰ কমাখ্যা মন্দিৰৰ ওচৰত শনিবাৰে সংঘটিত হয় এক আক্ৰমণৰ ঘটনা। এদল অজ্ঞাত দুৰ্বৃত্তই এজন স্থানীয় ব্যক্তিক অনুসৰণ কৰি আক্ৰমণৰ ঘটনা সংঘটিত কৰে। ভুক্তভোগী শেষাংশ ২০ পৃষ্ঠাত

# কণ্ঠশিল্পী জুবলীৰ পাতি লোৱা ভাতৃ তেজয় বৰুৱাৰ মৃত্যু

**ই-সংবাদ, ২০ এপ্ৰিলঃ** সাত বিহুৰ মাজতে সৰগ ভাঙি পৰিল জনপ্ৰিয় কণ্ঠশিল্পী জুবলী বৰুৱাৰ পৰিয়ালত। জুবলী বৰুৱাই ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিহু মঞ্চত সংগীতানুষ্ঠান কৰি থকাৰ মাজতে কালি নিশা পাতি লোৱা ভাতৃয়ে মৃত্যুৰ শীতৰ কোলাত শুই পৰিছে। তাজেন্দৰ সিং ওৰফে তেজয় বৰুৱাই কালি নিশা চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰে। কৰ্কট ৰোগত আক্ৰান্ত হৈ প্ৰায় ডেৰমাহ চিকিৎসাধীন হৈ আছিল



**'বিদায় মোৰ সোণ'...**

তাজেন্দৰ। কিছুদিন ধৰি অৱস্থা সংকটজনক হৈ আছিল যদিও কালি নিশা মৃত্যুৰ শীতল কোলাত শুই পৰে। জুবলীয়ে সামাজিক মাধ্যমত পোষ্ট দি এই কথা ৰাজহুৱা কৰিছে। দীঘলীয়া ফেচবুক পোষ্টত পাতি শেষাংশ ১১ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বোকাজানত চাহ বাগানত স্বামী-স্ত্ৰীক

হত্যাকাণ্ডৰ ঘটনা সংঘটিত হৈছে। অচিনাক্ত দুৰ্বৃত্তৰ আক্ৰমণত তিনিটিকৈ শিশু গুৰুতৰভাৱে আহত হৈছে। জানিব পৰা মতে যোৰানিশা নামৰ নদী চাহ বাগিচাৰ মুণ্ডা বস্তিৰ জুলো মুণ্ডাৰ ঘৰত দুৰ্বৃত্তই আক্ৰমণ কৰি জুলো মুণ্ডাৰ দুই কন্যা ক্ৰমে সীতা মুণ্ডা (১৩), মীৰা মুণ্ডা (১১) আৰু পুত্ৰ সন্তান শংকৰ মুণ্ডা (৯)ক গুৰুতৰভাৱে আহত কৰাৰ লগতে দুৰ্বৃত্তৰ দলটোৱে জুল্লো মুণ্ডা আৰু তেওঁৰ পত্নী পঞ্চমী মুণ্ডাক বেয়াকৈ মাৰপিট কৰাৰ উপৰি নিশাই অপহৰণ কৰি লৈ যায় বুলি তেওঁলোকৰ পুত্ৰ শংকৰ মুণ্ডাই জানিবলৈ দিয়ে। যোৰানিশা দুৰ্বৃত্তৰ আক্ৰমণত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা শিশুকেইটাক গোলাঘাট জিলাৰ সৰুপথাৰ চিকিৎসালয়ত প্ৰাথমিক চিকিৎসাৰ অন্তত উন্নত চিকিৎসাৰ বাবে গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে বুলি জানিব পৰা গৈছে। আনহাতে কালি নিশাৰে পৰা ৰহস্যজনকভাৱে নিৰুদ্দেশ হৈ থকা জুলো মুণ্ডা আৰু পঞ্চমী মুণ্ডাৰ উদ্ধাৰ অভিযানৰ লগতে দুৰ্বৃত্তৰ দলটোৰ অনুসন্ধান ইতিমধ্যে বোকাজান মহকুমাৰ মহকুমা আৰক্ষী বিষয়া ৰুস্তমৰাজ ব্ৰহ্মৰ লগতে বৰপথাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াসহ এটা আৰক্ষী জোৱানৰ দলে নামবৰ নদী চাহ বাগিচাত অভিযান অব্যাহত ৰাখি আজি বিয়লিৰ ভাগত দুয়োগৰাকীকে মৃত অৱস্থাত উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ এই অভিযানৰ অন্তত জুল্লো মুণ্ডা আৰু পঞ্চমী মুণ্ডাক তেওঁলোকৰ ঘৰৰ পৰা কিছু নিলগত থকা কয়লা খনন কৰা এটা দ পুখুৰীৰ পৰা মৃত অৱস্থাত উদ্ধাৰ কৰে। দুৰ্বৃত্তৰ দলটোৱে জুল্লো মুণ্ডা আৰু পঞ্চমী মুণ্ডাক হাত-ভৰি বান্ধি বস্তাত শিল ভৰাই তেওঁলোকৰ ডিঙিত ওলোমাই কয়লা খনন কৰা এটা দ গাঁতত পেলাই দি হত্যা কৰা বুলি সন্দেহ প্ৰকাশ কৰিছে। আজি বিয়লিৰ ভাগত বোকাজান আৰক্ষীৰ দলটোৱে বোকাজান মহকুমাৰ মহকুমা দণ্ডাধীশৰ উপস্থিতিত মৃতদেহ দুটা উদ্ধাৰ কৰি বৰপথাৰ আৰক্ষী থানালৈ লৈ আনে আৰু কাইলৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিফু মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰিব। উল্লেখ্য যে অচিনাক্ত দুৰ্বৃত্তৰ দলটোৱে কি কাৰণত পৰিয়ালটোৰ ওপৰত আক্ৰমণ চলাই তিনিটি শিশুক গুৰুতৰভাৱে আহত কৰাৰ লগতে পিতৃ-মাতৃক অতি নৃশংসভাৱে হত্যা কৰিলে তাৰ কাৰণ এতিয়াও জানিব পৰা হোৱা নাই। আৰক্ষীয়ে ইতিমধ্যে দুৰ্বৃত্তৰ দলটোৰ বিৰুদ্ধে অনুসন্ধান অব্যাহত ৰাখিছে আৰু আৰক্ষীৰ তদন্তৰ পিছতহে এই নৃশংস হত্যাকাণ্ডৰ প্ৰকৃত কাৰণ জানিব পৰা যাব। এই ঘটনাটোৱে এতিয়া সৰ্বত্ৰে চাঞ্চল্যৰ সৃষ্টি কৰিছে।



সংগোপনে শক্তিপীঠ কামাখ্যা মন্দিৰ পূজা-অৰ্চনা কৰি গ'ল দক্ষিণৰ দম্পতী চুপাৰষ্টাৰ সূৰ্য্য আৰু জ্যোতিকাই...

# অখিলে আজমলৰ ভূমিকা পালন কৰিছেঃ মেহদী আলম

**ই-সংবাদ, ২০ এপ্ৰিলঃ** শিৱসাগৰ সমষ্টিত পঞ্চায়ত নিৰ্বাচনকেন্দ্ৰীক মিত্ৰতা নকৰাত গৌৰৱ গগৈ আৰু দেৱব্ৰত শইকীয়াক মুখ্যমন্ত্ৰীৰ এজেণ্ট বুলি অখিল গগৈয়ে আক্ৰমণ কৰাৰ পিছতে আজি কংগ্ৰেছে প্ৰত্যুত্তৰ দিছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ উপ-সভাপতি মেহেদী আলম বৰাই কংগ্ৰেছ দলৰ আভ্যন্তৰীণ বিষয় সন্দৰ্ভত ৰাইজৰ দলৰ মুৰব্বী অখিল গগৈক মন্তব্য নিদিবলৈ সকীয়াই দিয়ে। মেহেদী আলম বৰাই কয় যে অখিল গগৈয়ে সাংসদ গৌৰৱ গগৈ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগলগা বুলি কৰা মন্তব্য অনুপযুক্ত আৰু বিভ্ৰান্তিকৰ। এনে মন্তব্য কেৱল তথ্যগতভাৱে অশুদ্ধ নহয়, ৰাইজৰ বাবে অপ্ৰয়োজনীয় বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। কংগ্ৰেছ দলৰ আভ্যন্তৰীণ কাম-কাজত হস্তক্ষেপ কৰাৰ কোনো কৰ্তৃত্ব নাই। আমি সতৰ্ক কৰি দিছো। ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিজেপি বিৰোধী মিত্ৰতা গঢ়ি তোলাৰ বাবে কংগ্ৰেছ প্ৰতিশ্ৰুতিৰ বুলি মেহেদী আলম বৰাই দোহাৰি কয় যে আসন ভাগ-বাটোৱাৰা এনেদৰে নহয়। পঞ্চায়ত নিৰ্বাচনত মিত্ৰতা নকৰাৰ কথা কংগ্ৰেছে আগতে কৈছে। ৰাজ্যিক ভিত্তিত তৃণমূল পৰ্যায়সৈ বিস্তৃত নিৰ্বাচনত মিত্ৰতা কৰা সম্ভৱ নহয়। বিজেপিৰ বিৰুদ্ধে গণতান্ত্ৰিক শক্তিক একত্ৰিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে মিত্ৰতা সন্দৰ্ভত কোনো চূড়ান্ত সিদ্ধান্ত লোৱা হোৱা নাছিল। যিকোনো মিত্ৰজোঁট হ'লে আনুষ্ঠানি ৰূপ দিয়া হ'ব। ৰাজ্যব্যাপী বিজেপি বিৰোধী মিত্ৰতাৰ সম্ভাৱনা অস্বীকাৰ কৰি বৰাই আৰু কয় যে জিলা পৰ্যায়ত সহযোগিতাৰ ওপৰত প্ৰাথমিক আলোচনা হৈছিল। কিন্তু অৱশেষত অখিল গগৈক শাসকীয় দলৰ সৈতে ঘনিষ্ঠতা বিচাৰি থকা দেখিছিলো। কংগ্ৰেছৰ গণতান্ত্ৰিক নীতিৰ বিপৰীতে ৰাইজৰ দলে স্বৈৰাচাৰী নেতৃত্বৰে কাম কৰে। মুখ্যমন্ত্ৰী শৰ্মাৰ ৰাজনৈতিক কৌশলৰ ইংগিত দি অখিল গগৈ বদৰুদ্দিন আজমলৰ দৰে ভূমিকা পালন কৰিবলৈ প্ৰস্তুত কৰা হৈছে নেকি? ব্যক্তিগত লাভৰ বাবে অখিল গগৈয়ে প্ৰায়ে বিৰোধী ঐক্য ব্যাহত কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভূমিস্খলন, বানত কাশ্মীৰত নিহত ৩ জন

বৰষুণৰ পিছতে জম্মু-কাশ্মীৰত প্ৰকৃতিয়ে ৰুদ্ৰ ৰূপ ধৰিছে। ৰামবান আৰু ৰিয়াচি জিলাত পাহাৰীয়া ধল বৈ অহাত অবৰ্ণনীয় পৰিৱেশৰ সৃষ্টি হৈছে। ভয়াৱহ বান, পাহাৰীয়া ধলৰ ফলত এই পৰ্যন্ত ৫ গৰাকী লোক ২৪ নিহত হৈছে। নাগৰিকক ভ্ৰমণৰ নিৰ্দেশনা অনুসৰণ কৰিবলৈ আৰু স্পৰ্শকাতৰ অঞ্চলত অপ্ৰয়োজনীয় চলাচল পৰিহাৰ কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। জানিব পৰা মতে, প্ৰথমে শিলাবৃষ্টি, ধুমুহা আৰম্ভ হৈছিল। তাৰ পিছতে বাৰে বাৰে বজ্ৰ পৰে। শেষত ৰামবানৰ চেৰী বাগান গাঁৱত ডাৱৰ বিস্ফোৰণৰ ফলত ভূমিস্খলন হয়। ৰামবানত আকিব আহমেদ আৰু মহম্মদ চাকিব নামৰ দুই ভাতৃ নিহত হয়। ৰিয়াচি জিলাৰ আনৰাছ অঞ্চলত বজ্ৰপাতৰ ফলত এগৰাকী মহিলাসহ দুগৰাকী লোকৰ মৃত্যু হয়। ভয়াৱহভাৱে পানী বাঢ়ি অহাত শ শ লোক ঘৰত, ৰাস্তাত আবদ্ধ হৈ পৰিছে। ঠায়ে ঠায়ে  পথ ডুব যোৱাত বহু গাড়ী ৰাজপথত থিয় কৰি ৰাখিবলগীয়া হৈছে। বহু বাহন উটি গৈছে। পথত গছৰ ডাল, প্ৰকাণ্ড প্ৰকাণ্ড শিল, পাহাৰীয় মাটি ভৰি পৰিছে। বহু ঠাইত পানীৰ সোঁতে পথ উটুৱাই নিয়াৰ ফলত যোগাযোগ বিচ্ছিন্ন হয়। ডাৱৰ বিস্ফোৰণৰ পিছতে ৰামবানৰ ধৰমকুণ্ড বানৰ কবলত পৰে। ফলত বহু আৱাসিক এলেকা ডুব যোৱাত হঠাতে বহুসংখ্যক পৰিয়াল গৃহহাৰা হয়। এই পৰ্যন্ত দুয়োটা এলেকাত প্ৰায় ডেৰ শতাধিক লোক আবদ্ধ হৈ আছে। উদ্ধাৰ কৰিবলৈ বিভিন্ন চৰকাৰী সংস্থা মোতায়েন কৰা হৈছে। কিছুসংখ্যক লোকক উদ্ধাৰ কৰি সুৰক্ষিত স্থানলৈ স্থানান্তৰিত কৰা হৈছে। মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই নিহত লোকসকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰি শোক প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰামবানত ভূমিস্খলন আৰু আকস্মিক বানৰ ঘটনাত অত্যন্ত শোকাহত। জীৱন আৰু সম্পত্তিৰ যথেষ্ট ক্ষতি হৈছে। কঠিন সময়ত ক্ষতিগ্ৰস্ত পৰিয়ালৰ প্ৰতি মোৰ সমবেদনা। প্ৰয়োজন অনুসৰি তাৎক্ষণিক উদ্ধাৰৰ প্ৰচেষ্টা নিশ্চিত কৰিবলৈ স্থানীয় প্ৰশাসনৰ সৈতে যোগাযোগ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে উদ্ধাৰ, সাহায্য আৰু মেৰামতিৰ বাবে এক পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী জিতেন্দ্ৰ সিঙে জিলা প্ৰশাসনক সতৰ্ক হৈ থাকিবলৈ আৰু সকলো প্ৰয়োজনীয় সাহায্য, উদ্ধাৰ আৰু বিত্তীয় সহায় আগবঢ়াবলৈ নিৰ্দেশ দিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে উপায়ুক্ত বাচিৰউল হক চৌধুৰীৰে যোগাযোগত আছে। বিত্তীয় আৰু অন্যান্য দুয়োধৰণৰ সাহায্য প্ৰদান কৰা হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সিংহৰ দৰে গৰ্জন দি ভিজা মেকুৰী হ'ল

সভাপতি পদত অধিষ্ঠিত হৈও স্থিতি সবল কৰিব পৰা নাই নেকি? দাদা ব্ৰিগেডৰ শক্তিৰ ওচৰত নতশিৰ হ'বলৈ বাধ্য হ'ল নেকি দিলীপ শইকীয়া। কিয়নো যিগৰাকী মণ্ডল সভাপতিক ধমক দিছিল সেইগৰাকী মণ্ডল সভাপতি এতিয়া উঠি ৰজা বহি ৰজা। মণ্ডল সভাপতি মিণ্টু তামুলীয়ে বুঢ়া আঙুলি দেখুৱাইছে দিলীপ শইকীয়াক। শইকীয়াক প্ৰত্যাহ্বান জনাই মণ্ডল বিজেপিৰ কাৰ্যালয়ত মিণ্টু তামুলী জিন্দাবাদ ধ্বনি দিয়া পৰিলক্ষিত হয়। পহিলা ব'হাগৰ দিনটোত মিণ্টু তামুলীক সভাপতি পদৰ পৰা খেদিবলৈ নিৰ্দেশ দিছিল স্বয়ং সভাপতি দিলীপ শইকীয়াই। খোদ সভাপতি শইকীয়াৰ নিৰ্দেশক অমান্য কৰিছে স্থানীয় বিধায়ক মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই। মণ্ডল সভাপতি মিণ্টু তামুলীক খেদা দূৰৰ কথা এতিয়া শক্তি কেইবাগুণ বৃদ্ধি হোৱাহে দেখা গৈছে। চৰ্চা মতে, দলত শক্তিহীন হৈ পৰিছে খোদ সভাপতি শইকীয়া। শইকীয়াই মণ্ডল সভাপতিক ধমক দি অনুশোচনা হোৱাৰ কথা প্ৰকাশ কৰিছে। খঙৰ বাবে কালি ৰাজ্যপাল ৰমেন ডেকাক সম্বৰ্ধনা জ্ঞাপন কৰিবলৈ ৰঙিয়াত অনুষ্ঠিত কাৰ্যসূচীত অনুশোচনা দিলীপ শইকীয়াৰ। শইকীয়াই কয় যে খং মানেই চণ্ডাল হ'ব নালাগে। ৰাজ্যপাল ৰমেন ডেকা বহি থকা সভাখনত কয় যে ৰমেনদাই মোক কৈছিল যে কেতিয়াও ৰাজহুৱা স্থানত টেম্পাৰ হেৰুৱাব নালাগে। সিদিনা এটা মোৰ ভুল হৈছে। কালি ভুল হোৱাৰ কথা স্বীকাৰ কৰাৰ পিছতে বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ সাংগঠনিক শক্তিক লৈ প্ৰশ্ন উঠিব ধৰিছে। যোৱা তিনিটা দশক গেৰুৱা দল বিজেপিক সেৱা কৰা সভাপতি দিলীপ শইকীয়া এজন মণ্ডল সভাপতিৰ ওচৰত দুৰ্বল হৈ পৰিছে বুলি চৰ্চা হ'ব ধৰিছে। কিয়নো সেইজন মণ্ডল সভাপতিৰ মূৰত হাতখন আছে জয়ন্তমল্ল বৰুৱাৰ। পহিলা ব'হাগৰ সেই গৰ্জন ক'লৈ গ'ল বুলি নলবাৰীত মানুহে ক'বলৈ আৰম্ভ কৰিছে। সূত্ৰ এটাই প্ৰকাশ কৰা মতে, খোদ নলবাৰীত জয়ন্তমল্ল বৰুৱাৰ সৈতে থকা একাংশ নেতাই এই কথাক লৈ অট্টহাস্য কৰিবলৈ আৰম্ভ কৰিছে। বাঁহজানী মণ্ডল বিজেপিৰ সভাপতি মিণ্টু তামুলীক দলীয় অনুশাসনৰ বাবে ধমক দি বিপদত পৰিছে নেকি ৰাজ্যিক সভাপতি? থৰকাছুটি হেৰুওৱাৰ উপক্ৰম হৈছে নেকি ৰাজ্যিক সভাপতিৰ? নলবাৰী চহৰে-নগৰে এতিয়া এই চৰ্চা। দিলীপ শইকীয়াই এগৰাকী মন্ত্ৰীক ভয় কৰি ক্ষমা খুজিবলগীয়া হৈছে নেকি বুলি চৰ্চা চলিছে। কোৱা বাহুল্য যে মিণ্টু তামুলী হৈছে মন্ত্ৰী জয়ন্তৰ ঘনিষ্ঠ। যাৰ বাবে মিণ্টু তামুলীৰ দৰে মণ্ডল সভাপতিৰ ওচৰত বৈশ্যতা স্বীকাৰ কৰিলে নেকি দিলীপ শইকীয়াই। পুৰণি এগৰাকী নেতা দলটোৰ সভাপতি হোৱাত পুৰণি নেতাসকল উৎসাহী হৈছিল যদিও এনে কাণ্ডত পুৰণিসকল পুনৰ চিন্তাত পৰিছে। নাম প্ৰকাশত অনিচ্ছুক নলবাৰীৰ এজন নেতাই কয় যে দিলীপ শইকীয়াই বহু ত্যাগ কৰিছে। পূৰ্বতে গুৱাহাটীত ঘৰ নাছিল। এবিভিপি কাৰ্যালয়তে নৈশ যাপন কৰিছিল। সংবাদপত্ৰৰ কাৰ্যালয়, প্ৰেছ ক্লাবলৈ খোজকাঢ়ি গৈ প্ৰেছ বিজ্ঞপ্তি বিলাইছিল। বহু ত্যাগ আছে শইকীয়াৰ। শেহতীয়াকৈ মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠতাৰ সুবাদতে জয়ন্তমল্ল বৰুৱাৰ ৰঙা চকুত মণ্ডল সভাপতিৰ ওচৰত অনুশাসন কৰিবলৈ গৈ ভুল হোৱা বুলি নতশিৰে সংবাদ মাধ্যমৰ আগত স্বীকাৰ কৰা বিষয়টোৱে তাৎপৰ্য বহন কৰিছে। এতিয়া সৰ্বত্ৰ এটাই চৰ্চা হৈছে যে অটল বিহাৰী বাজপেয়ী ভৱনত কি স্থিতি হব শইকীয়াৰ।

# আধৰুৱা নিৰ্মাণ! মহাৰাষ্ট্ৰ চৰকাৰক ধমক বম্বে উচ্চ ন্যায়ালয়ৰ

**মুম্বাই, ২০ এপ্ৰিলঃ** নৱী মুম্বাইত অবৈধ নিৰ্মাণৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবে মহাৰাষ্ট্ৰ চৰকাৰৰ নগৰ উন্নয়ন সংস্থা চিডকোক কঠোৰ ধমক দিলে বম্বে উচ্চ ন্যায়ালয়ে। আদালতৰ স্পষ্ট প্ৰশ্ন, "এই ৰাজ্যত আইনৰ শাসন প্ৰচলিত নেকি, নে এতিয়া বাহুবলৰ দ্বাৰা শাসন কৰা হৈছে?" দীপক পাটিল নামৰ এজন ব্যক্তিয়ে তেওঁলোকৰ মালিকানাধীন ১২৩ বৰ্গমিটাৰ মাটিত অবৈধভাৱে দোকান নিৰ্মাণ কৰাৰ অভিযোগ উত্থাপন কৰি আদালতৰ কাষ চাপিছিল এহাল দম্পতীয়ে। এই অবৈধ নিৰ্মাণ কাৰ্য ভাঙি পেলাবলৈ চিডকোক নিৰ্দেশ দিবলৈ আদালতত আবেদন জনায়। শেহতীয়াকৈ সেই গোচৰৰ শুনানিৰ সময়ত ন্যায়াধীশ এ গডকাৰী আৰু ন্যায়াধীশ জে পি কমলে ৰাজ্য প্ৰশাসনক এক শক্তিশালী বাৰ্তা প্ৰদান কৰে। আদালতৰ পৰ্যবেক্ষণ অনুসৰি নগৰ আৰু উদ্যোগ উন্নয়ন নিগমে ইচ্ছাকৃতভাৱে অবৈধ নিৰ্মাণৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। স্থানীয় গুণ্ডাবোৰে অবৈধ নিৰ্মাণত হস্তক্ষেপ কৰিবলৈ চেষ্টা কৰাৰ সময়ত গাঁও পঞ্চায়তৰ মুখ্য কৰ্তৃপক্ষক ভাবুকি প্ৰদান কৰা বুলি দাবী কৰে। কিন্তু এই ব্যাখ্যাত উচ্চ ন্যায়ালয় সন্তুষ্ট নহ'ল। বৰঞ্চ বিচাৰপীঠে পোনপটীয়াকৈ ৰাজ্যৰ আইন-শৃংখলাৰ পৰিস্থিতিৰ ওপৰত প্ৰশ্ন উত্থাপন কৰে। ন্যায়াধীশসকলে কয়, "আমি এই কথা বুজি পোৱা নাই যে এই ৰাজ্যত আইন নাই নে দাদাগিৰি চলিছে। এজন পঞ্চায়তৰ মুৰব্বীয়ে চৰকাৰী বিষয়াৰ কামত কেনেকৈ বাধা দিব পাৰে? গণতান্ত্ৰিক দেশত এনে হ'ব নোৱাৰে।" চিডকো কৰ্তৃপক্ষৰ ভূমিকাক 'কৰ্তব্যত গাফিলতি' বুলি অভিহিত কৰি উচ্চ ন্যায়ালয়ে কয় যে কোনো ধৰণৰ অবৈধ নিৰ্মাণ ৰোধ কৰা আৰু আইনৰ শাসন বজাই ৰখাটো চিডকোৰ সাংবিধানিক কৰ্তব্য। আদালতৰ কঠোৰ মন্তব্য, "কৰ্তব্য পালন কৰাৰ সময়ত যদি আপুনি ভাবুকি পায়, তেন্তে প্ৰশাসনে আৰক্ষীৰ সুৰক্ষা নিশ্চিত কৰিব লাগে। কিন্তু সেই অজুহাতত আপোনাৰ কৰ্তব্য এৰাই চলাটো সহ্য কৰা নহ'ব।" ৰায় ঘোষণা কৰাৰ সময়ত আদালতে লগতে কয় যে চিডকোৱে তৎকালীনভাৱে প্ৰশ্ন কৰা ভূমিত নিৰ্মিত অবৈধ দোকানখন ভাঙি পেলাব লাগিব। এটা সময়সীমা নিৰ্ধাৰণ কৰা হৈছে, য'ত কোৱা হৈছে যে অহা এসপ্তাহৰ ভিতৰত ভাঙি পেলোৱাৰ কাম সম্পূৰ্ণ হ'ব লাগিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আধাঘণ্টা পলম কিয়? যোৰহাটত

আন এক কলংকিত অধ্যায়ৰ সূচনা কৰিলে একাংশ সুৰামত্ত লোকে। হুঁচৰি দলক গৃহস্থই আদৰি আশিস লোৱাৰ পৰিবৰ্তে অভদ্ৰ ব্যৱহাৰৰ লগতে শাৰীৰিকভাৱে অপদস্থ কৰি অসমীয়া সংস্কৃতিতে একপ্ৰকাৰৰ কালিমা সানিলে। শিৱসাগৰৰ দিখৌপৰীয়া হুঁচৰি দলৰ লগত সাংস্কৃতিক নগৰী খ্যাত যোৰহাটৰ পুলিবৰত এটা পৰিয়ালে কৰিলে এই জঘন্য কাণ্ড। অভিযোগ অনুসৰি হুঁচৰি গাবলৈ নিমন্ত্ৰণ জনাই ঋতু শইকীয়া নামৰ লোকজনে আন একাংশ লোকৰ সহযোগত চূড়ান্ত অপদস্থ কৰে দিখৌপৰীয়া হুঁচৰি দলক। ২২ জনীয়া হুঁচৰি দলটোৰ কেইবাগৰাকী বিহুৱা আৰু নাচনীক শাৰীৰিকভাৱে অপদস্থ কৰে বুলি অভিযোগ উঠিছে। শিৱসাগৰৰ হুঁচৰি দলটোৱে উত্থাপন কৰা অভিযোগ অনুসৰি যোৰহাট পুলিবৰৰ ঋতু কলিতা নামৰ ব্যক্তিজনে ফোনযোগে যোগাযোগ কৰি শিৱসাগৰৰ দিখৌপৰীয়া হুঁচৰি দলক হুঁচৰি গাবলৈ নিমন্ত্ৰণ জনাইছিল। সেই অনুসৰি কালি নিশা প্ৰায় ৯.৩০ মান বজাত উপস্থিত হৈছিল হুঁচৰি দলটো। নিৰ্ধাৰিত সময়তকৈ প্ৰায় আধা ঘন্টা পলমকৈ হুঁচৰি দলটো উক্ত ব্যক্তিজনৰ ঘৰত উপস্থিত হৈছিল। এই কাৰণতে খৰ্গহস্ত হৈ পৰে গৃহস্থ। পলম কিয় হ'ব, বিলাসী বাহনৰ পৰিবৰ্তে হুঁচৰি দলটো টাটা মেজিকত কিয় যাব, ছাউণ্ড বক্স সৰু কিয় আদি প্ৰশ্ন উত্থাপন কৰি অভব্য আচৰণ তথা গালি-গালাজ পাৰিবলৈ ধৰে হুঁচৰি দলটোক। তাৰ মাজতে ধৈৰ্যসহকাৰে নিৰ্ধাৰিত সময় অনুসৰি হুঁচৰি পৰিৱেশন কৰি সামৰণি মাৰে। কিন্তু ঋতু শইকীয়া তাতে ক্ষান্ত নাথাকি আৰু অধিক সময় হুঁচৰি গাবলৈ জোৰ দিয়ে। অভিযোগ মতে সেই সময়ত ঋতু শইকীয়াসহ একাংশ লোক সুৰামত্ত অৱস্থাত আছিল। গৃহস্থৰ ধমক খাই অধিক সময় হুঁচৰি গাই আশীৰ্বাদ দিয়ে যদিও সেই সময়তো "কি আশীৰ্বাদ দিছ এইবোৰ" বাক্যৰে তৰ্ক কৰে। বাক্-বিতণ্ডা সামৰি হুঁচৰি দলটোৱে মৌখিক চুক্তি অনুসৰি পাবলগীয়া ১৫ হাজাৰ টকা বিচাৰে গৃহস্থক। ১৫ হাজাৰ টকাৰ ঠাইত ১৩ হাজাৰ টকা দিয়ে গৃহস্থই। গৃহস্থ অধিক উত্তেজিত হৈ থকাত টকাক লৈ তৰ্ক নকৰি মেজিকত উঠিবলৈ বুলি হুঁচৰি দলটো চোতালৰ পৰা ওলাই যোৱাৰ সময়তে ঋতু শইকীয়াসহ একাংশ লোকে আগচি ধৰে। তাৰ পিছত কেইবাগৰাকী বিহুৱাক চৰ, ঘোচা সোধাই মাৰপিট কৰাৰ উপৰি দুই-তিনিগৰাকী নাচনীৰ গাতো হাত দিয়ে। নাচনীকো গঁতিয়াই অভদ্ৰামীৰ সকলো সীমা চেৰাই যায়। তেনে সময়ত হুঁচৰি দলটোৱে প্ৰাণ ৰক্ষাৰ হেতু ভয়ত চিঞৰ-বাখৰ আৰম্ভ কৰাৰ লগতে অভিভাৱকসকললৈ কান্দি কান্দি ফোন কৰে। পৰিস্থিতি উত্তপ্ত হৈ পৰাত আৰক্ষী উপস্থিত হৈ উদ্ধাৰ কৰে হুঁচৰি দলটোক। লক্ষণীয় যে হুঁচৰি দলটোত থকা অধিকাংশই আছিল নাবালক তথা কিশোৰ-কিশোৰী। ফলত অভিভাৱকসকল অধিক চিন্তিত হৈ ঋতু শইকীয়ালৈ ফোন কৰি কিয় তেনেকৈ আক্ৰমণ কৰিলে সোধে যদিও ওলোটাই ধমকহে দিয়ে। আৰক্ষী অধীক্ষকক ফোন কৰি, ডি চিক ফোন কৰি হুঁচৰি দলটো নিষিদ্ধ কৰা হ'ব বুলি ভাবুকি দিয়ে ঋতুৱে। এই অভিযোগ হুঁচৰি দলটোৰ। আনহাতে নিশাই হুঁচৰি দলটোৱে ঘটনা সন্দৰ্ভত পুলিবৰ থানাত এজাহাৰ দাখিল কৰে। অভিযোগ অনুসৰি ঋতু শইকীয়া এগৰাকী প্ৰতিপত্তিশীল, প্ৰভাৱশালী ব্যক্তি। সেয়ে আৰক্ষী-প্ৰশাসনলৈ কেৰেপ নকৰি নাবালক ল'ৰা-ছোৱালীকো শাৰীৰিকভাৱে আক্ৰমণ কৰিবলৈ কুণ্ঠাবোধ নকৰিলে। এনে দাদাগিৰি কৰি অসমীয়া সংস্কৃতিক কলংকিত কৰা, আইন হাতত তুলি লোৱাসকলৰ বিৰুদ্ধে যোৰহাট আৰক্ষীয়ে কি পদক্ষেপ ল'ব অনাগত সময়ত লক্ষণীয় হ'ব। ইপিনে এই ঘটনাক সহজভাৱে ল'ব পৰা নাই অভিভাৱকসকলৰ লগতে সচেতন ৰাইজে। যদিহে হুঁচৰি দলটোৱে কিবা ভুল কৰিছিল তেন্তে শুধৰাই কিয় নিদিলে ? অভিভাৱকসকলক কিয় নক'লে? যদি কিবা অপৰাধ কৰিছিল আৰক্ষীক কিয় নজনালে? তাকে নকৰি নিজেই দাদাগিৰি দেখুৱাই আক্ৰমণ কৰিবলৈ কোনে অধিকাৰ দিলে, সাহস ক'ত পালে আদি বিভিন্ন ধৰণৰ প্ৰশ্ন তুলিছে ৰাইজে। লগতে আৰক্ষীক ঘটনাৰ উচিত তদন্ত কৰি ঋতু শইকীয়া আৰু সহযোগীসকলক গ্ৰেপ্তাৰৰ দাবী জনাইছে স্থানীয় ৰাইজে। ইপিনে ঋতুৰ ঘনিষ্ঠ যোৰহাটৰ দুই-একে হুঁচৰি দলটোৰহে ভুল বুলি প্ৰতিপন্ন কৰিবলৈ সকলো প্ৰকাৰে চেষ্টা কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এশগৰাকী লোকৰ শেষকৃত্য সম্পন্ন

ৰহমানে পুনৰ দেখুৱাই দিলে মানৱতাই শ্ৰেষ্ঠ ধৰ্ম। ইতিমধ্যে ৯৯ গৰাকী অনাথ বৃদ্ধ-বৃদ্ধাৰ অন্ত্যেষ্টিক্ৰিয়া কৰাৰ অন্তত আজি আন এগৰাকী অনাথ লোকৰ জানাজা সম্পন্ন কৰি সাংবাদিক মজিবুৰ ৰহমানে সমাজলৈ দাঙি ধৰিলে আন এক নিদৰ্শন। জীৱনৰ শেষ সময়ছোৱাত আত্মীয়-স্বজনৰ পৰা এলাগী হৈ পৰা কেইবাশতাধিক বৃদ্ধ-বৃদ্ধা, অনাথ লোকক বিভিন্ন প্ৰান্তৰ পৰা উদ্ধাৰ কৰি আনি সাংবাদিক মজিবুৰ ৰহমানে আশ্ৰয় আৰু ভৰণ-পোষণ দি আহিছে তেওঁৰ পৰিচালনাত চলি অহা শান্তি নিৱাস বৃদ্ধাশ্ৰমত। ৩৪ গৰাকী বৃদ্ধ-বৃদ্ধাৰে কলমলাই থকা শান্তি নিৱাস বৃদ্ধাশ্ৰমত আজি পুৱাৰ ভাগত ইহলীলা সম্বৰণ কৰে গোৱালপাৰাৰ ৯০ উৰ্ধ্বৰ এগৰাকী বৃদ্ধৰ। মজনুৰ হক নামৰ বৃদ্ধগৰাকীৰ এদিন সকলো আছিল। জীৱনৰ সৰ্বোচ্চ হেৰুৱাই অৱশেষত পদপথেই তেওঁৰ শেষ ভৰষা হৈ পৰিছিল। তিনিগৰাকী কন্যা, পত্নীৰ স'তে সুখেৰে চলি অহা ঘৰখনত এদিন বৃদ্ধগৰাকীৰ জীৱনলৈ নামি আহিছিল অন্ধকাৰ। এসময়ত কয়লাৰ ব্যৱসায় কৰা মজনুৰ হকৰ দুৰৱস্থাৰ কথা জানিলে বেয়া লাগি যাব আপোনাৰ। দীৰ্ঘ বছৰে কয়লা ব্যৱসায়ৰ স'তে জড়িত হৈ নিজৰ তিনিগৰাকী কন্যাক সামাজিকভাৱে বিবাহো সম্পন্ন কৰি দিছিল। আনকি বিবাহত যৌতুক হিচাপে গাড়ীও দিছিল। ট্ৰাক, চাৰিচকীয় বিলাসী বাহনৰ গৰাকী বৃদ্ধগৰাকীৰ অন্তিম সময়ত তিনি কন্যাৰ এজনীয়েও খবৰ নল'লে। পৰৱৰ্তী সময়ত পত্নীৰ দীৰ্ঘদিনীয়া চিকিৎসাৰ নামত গাড়ী, মটৰ বিক্ৰী হোৱাৰ পিছত উপায়বিহীন হৈ ঘৰ-মাটিও বিক্ৰী কৰি দিয়ে বৃদ্ধগৰাকীয়ে। ভাৰাঘৰত থাকি পত্নীৰ চিকিৎসাৰ লগতে নিজে ভুগি অহা পাৰ্কিনচন ৰোগৰ চিকিৎসা কৰাই আহিছিল যদিও পিছলৈ পত্নীক হেৰুৱাই নিঠৰুৱা হৈ পৰে তেওঁ। পত্নীক হেৰুৱাই নিঠৰুৱা হৈ পৰা বৃদ্ধগৰাকীৰ সকলো টকা-পইচা শেষ হোৱাত ভাৰাঘৰ এৰি দিবলগীয়াত পৰে। এমুঠি অন্নৰ হাহাকাৰত ভুগি থকাৰ সময়তে তেওঁৰ এনে দুৰ্দশাৰ কথা জানি সাংবাদিক মজিবুৰ ৰহমানে বৃদ্ধগৰাকীৰ আশ্ৰয় আৰু ভৰণ-পোষণৰ দায়িত্ব গ্ৰহণ কৰে। দীৰ্ঘদিন ধৰি নলবাৰীৰ শান্তি নিৱাস বৃদ্ধাশ্ৰমত সাংবাদিক মজিবুৰ ৰহমানে বৃদ্ধৰ আলপৈচান ধৰি অহাৰ পিছত আজি শেষ নিশ্বাস ত্যাগ কৰে বৃদ্ধ মজনুৰ হকে। বৃদ্ধগৰাকীৰ মৃত্যুৰ খবৰে শোকদগ্ধ কৰি তোলে শান্তি নিৱাসৰ অন্যান্য আৱাসীক। আজি বিয়লিৰ ভাগত এক শোকাকুল পৰিবেশত বৃদ্ধগৰাকীক শেষ শ্ৰদ্ধা জনায় শান্তি নিৱাসৰ বৃদ্ধ-বৃদ্ধাসকলে। পৰৱৰ্তী সময়ত নলবাৰীৰ ৰাজহুৱা কবৰস্থানত বহুসংখ্যক লোকৰ উপস্থিতিত তেওঁৰ জানাজা সম্পন্ন কৰা হয়। তেওঁৰ জানাজা সম্পন্ন কৰে নলবাৰী বড় মছজিদ মাদ্ৰাছাৰ হেড মদাৰিছ, হাফিজ কাৰী মৌলানা মহম্মদ গোফৰান চাহেবে। আজিৰ এই জানাজা অনুষ্ঠানত সহযোগিতা আগবঢ়ায় যুৱ সমাজকৰ্মী ৰাহুল আমিন, ইছলাম আলী, জব্বৰ আলী, নুৰ ইছলাম আলী, জালাল আলী, নলবাৰী প্ৰেছ ক্লাবৰ সভাপতি জিতেন শৰ্মা, সাংবাদিক জ্যোতিস্মান শৰ্মা, উদ্দীপ্ত কুমাৰ, শিক্ষাসেৱী চাইফুদ্দিন আহমেদ, দিব্যজ্যোতি হালৈকে ধৰি বহুসংখ্যক লোকে। উল্লেখ্য, সাংবাদিক মজিবুৰ ৰহমানৰ এই কাৰ্যৰ শলাগ লৈছে ৰাইজে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# শিল্পী সমাজে জনালে প্ৰতিবাদ

অভিযোগত আজি গুৱাহাটীত শিল্পী সমাজে প্ৰতিবাদ সাব্যস্ত কৰিছে। চানমাৰিস্থিত জয়ন্ত হাজৰিকা স্মৃতি উদ্যানত শিল্পী সমাজে হাতে হাতে প্লেকাৰ্ড লৈ প্ৰতিবাদ সাব্যস্ত কৰে। পূব গুৱাহাটী বিহু সন্মিলনীৰ সাঃ সম্পাদকৰ সীমান্ত ঠাকুৰীয়াৰ বিৰুদ্ধে চানমাৰি আৰক্ষী থানাত এজাহাৰ দাখিলৰ পিছতে আজি প্ৰতিবাদ সাব্যস্ত কৰিছে। বিহু মঞ্চত দিগন্ত ভাৰতীক দুৰ্ব্যৱহাৰ, অপমান, আক্ৰমণ আৰু অপৰাধমূলকভাৱে ভয় খুওৱাৰ অভিযোগ উত্থাপন কৰিছে। ক্ষমা নোখোজা পৰ্যন্ত পূব গুৱাহাটী বিহু সন্মিলনীক বৰ্জনৰ সিদ্ধান্ত লয় শিল্পী সমাজে। আজি প্ৰতিবাদত যতীন বৰা, প্ৰিয়ংকা ভৰালী আদিয়ে অংশ গ্ৰহণ কৰে। হাতে হাতে প্লেকাৰ্ড লৈ শ্লোগান দি দিগন্ত ভাৰতীক কৰা আচৰণৰ বাবে সমিতিক ৰাজহুৱা ক্ষমা প্ৰাৰ্থনা আৰু আনুষ্ঠানিক তদন্তৰ দাবী জনায়। ৰাজ্যখনৰ শিল্পী আৰু চলচ্চিত্ৰ নিৰ্মাতাসকল এই কাণ্ডক সাংস্কৃতিক অনুষ্ঠানৰ পৱিত্ৰতাৰ প্ৰতি অসন্মানজনক আৰু অৱমাননামূলক কাৰ্য বুলি অভিহিত কৰিছে। প্ৰতিবাদী শিল্পী সমাজে কয় যে অসমৰ সমগ্ৰ শিল্পী সমাজৰ অনুভূতিত আঘাত হনা হৈছে। ভিডিঅ' প্ৰমাণ আছে যে ঘটনাৰ সময়ত কি হৈছিল সেয়া স্পষ্ট হৈ আছে। যাৰ বাবে ক্ষমা খোজাৰ দাবীত আমি শিল্পী সমাজে অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান ক্ষেত্ৰৰ সংগীতজ্ঞ জয়ন্ত হাজৰিকাৰ প্ৰতিমূৰ্তিৰ ওচৰত প্ৰতিবাদ সাব্যস্ত কৰিছো। প্ৰতিবাদত অংশ লৈ অভিনেতা যতীন বৰাই কয় যে মই তেওঁৰ সৈতে বহু বছৰ ধৰি কাম কৰি আহিছো আৰু তেওঁ কেনে ধৰণৰ ব্যক্তি সেয়া জানো। তেওঁক এজন বিহু সন্মিলনৰ শিষ্টাচাৰৰ পাঠৰ প্ৰয়োজন নাই। আমি অসমৰ শিল্পীসকলে এই কাৰ্যক তীব্ৰ গৰিহণা দিছো। কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীয়ে কয় যে আমি দাবী কৰিছো যে দিগন্ত ভাৰতী ছাৰৰ লগত যিয়ে এই ব্যৱহাৰ কৰিছে তেওঁ ক্ষমা খুজিব লাগিব। ইয়াত কোনো বেলেগ কথা নাহে। আটাইতকৈ দুখৰ কথা এতিয়ালৈকে তেওঁলোকে অনুশোচণা কৰা নাই আৰু এইটো অতি দুখৰ আৰু লাজৰ বিষয়। পূব গুৱাহাটী বিহু সন্মিলন সমিতিৰ বিহুত দিগন্ত ভাৰতীৰ পত্নীয়ে গীত পৰিৱেশন কৰিবলৈ গৈছিল। পত্নীৰ সংগীতানুষ্ঠান চাবলৈ গৈছিল দিগন্ত ভাৰতী। তেনে সময়তে সাধাৰণ সম্পাদক সীমান্ত ঠাকুৰীয়াই মঞ্চলৈ জোৰকৈ মাতি পিছত জিনছ পেণ্ট পিন্ধাৰ বাবে গাই থাকোঁতেই অভব্য আচৰণ কৰি হাতৰ পৰা মাইক্ৰ'ফোন কাঢ়ি নি মঞ্চৰ পৰা নমাই দিছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰত-বাংলাদেশৰ ত্ৰিপুৰাৰ সীমান্ত

নিৰ্মাণ কৰি দিল্লীৰ কপালত চিন্তাৰ ৰেখা আঁকিছে ঢাকাই। মহম্মদ ইউনুছ নেতৃত্বাধীন বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰে ৰূপায়ন কৰিছে এই প্ৰকল্প। আনহাতে বাংলাদেশৰ এই কাৰ্য্যক ঐতিহাসিক দ্বিপাক্ষিক চুক্তিৰ প্ৰত্যক্ষ উলংঘা বুলি অভিহিত কৰিছে ভাৰতে। একে সময়তে দুয়োখন দেশৰ সম্পৰ্কত নতুন বিভাজনৰ সৃষ্টি হ'ব পাৰে বুলিও বিশেষজ্ঞসকলে আশংকা কৰিছে। প্ৰতিবেদন অনুসৰি বাংলাদেশৰ ফেনী জিলাৰ কালিকাপুৰ গাঁৱত সীমান্তৰ শূন্য ৰেখাৰ পৰা মাত্ৰ ৫০ গজ দূৰত্বত এই বান্ধ নিৰ্মাণৰ কাম চলি আছে। কিন্তু বংগবন্ধু শেখ মুজিবুৰ ৰহমান আৰু ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ মাজত স্বাক্ষৰিত পুৰণি চুক্তি অনুসৰি আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ পৰা ১৫০ গজৰ ভিতৰত যিকোনো নিৰ্মাণ কাম সম্পূৰ্ণ নিষিদ্ধ। সেই চুক্তিক কাৰ্যতঃ আওকাণ কৰি ঢাকাই এই বান্ধ নিৰ্মাণৰ কাম প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। বাংলাদেশৰ যুক্তি যে ভাৰতৰ পৰা অহা বানৰ পানী ৰোধ কৰিবলৈ তেওঁলোকে বান্ধ নিৰ্মাণ কৰিছে। কিন্তু বিশেষজ্ঞসকলৰ মতে ৮-৯ ফুট উচ্চতাৰ এই বান্ধটোৱে সীমান্ত অঞ্চলৰ বাবে পৰিৱেশ দুৰ্যোগৰ সৃষ্টি কৰাই নহয়, ভৱিষ্যতে ভাৰতৰ বাবেও ডাঙৰ কৌশলগত সমস্যাৰ সৃষ্টি কৰিব পাৰে। ইফালে, স্থানীয় গাঁওবাসীৰ অভিযোগ লাভ কৰি পৰিস্থিতি পৰিদৰ্শন কৰিবলৈ আহিছে ত্ৰিপুৰা লোক নিৰ্মাণ বিভাগৰ সচিব কিৰণ গীটে। অহা দেওবাৰে তেওঁ বেলোনিয়া মহকুমাৰ অন্তৰ্গত বল্লামুখ আৰু ঈশানচন্দ্ৰনগৰ অঞ্চল ভ্ৰমণ কৰিব। এই বিষয়ত মাত মাতিছে অঞ্চলটোৰ বিধায়ক দিপাংকৰ সেনেও। তেওঁ দাবী কৰে যে উত্তৰ বেলোনিয়া, বল্লামুখ আৰু ঈশানচন্দ্ৰনগৰৰ বাসিন্দাসকলৰ মাজত চৰম শংকিত অৱস্থা এই মুহূৰ্তত। কাৰণ এই বান্ধৰ ফলত সমগ্ৰ ভাৰতীয় অঞ্চল বানপানীত বুৰ যাব পাৰে। কেৱল পানীৰ জলজঁট নহয়, সীমান্তত এনে কাঠামো নিৰাপত্তাৰ ক্ষেত্ৰতো গভীৰ চিন্তাৰ বিষয়। ইফালে, কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে সমগ্ৰ বিষয়টো নিৰীক্ষণ কৰি থকা বুলি জানিব পৰা গৈছে। কূটনৈতিক সূত্ৰৰ মতে বাংলাদেশ চৰকাৰে এই পদক্ষেপ লোৱাৰ পূৰ্বে ভাৰতৰ সৈতে আলোচনা কৰা নাছিল। এনে স্পৰ্শকাতৰ ক্ষেত্ৰত এনে একপক্ষীয় কাৰ্য্যই শান্তিপূৰ্ণ সম্পৰ্কৰ ভাৰসাম্য বিঘ্নিত কৰিব পাৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গ্ৰেপ্তাৰলৈ ভয় নাই ৰাহুল গান্ধীৰ

ৰাজনৈতিক উত্তেজনাৰ। ইডিৰ চাৰ্জশ্বিটত কংগ্ৰেছৰ প্ৰাক্তন অধ্যক্ষা ছোনিয়া গান্ধী আৰু সাংসদ ৰাহুল গান্ধীৰ নাম সাঙোৰ খোৱাৰ পিছতে দেশজুৰি প্ৰতিবাদমুখৰ হৈ পৰে কংগ্ৰেছ। কেন্দ্ৰীয় তদন্তকাৰী সংস্থাৰ এই তদন্তক লৈ ভীতিগ্ৰস্ত হৈছে নেকি ৰাহুল গান্ধী? এই প্ৰশ্নৰ উত্তৰ দিছে খোদ ৰাহুল গান্ধী নিজেই। আজোককা তথা দেশৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ আদৰ্শৰ কথা উল্লেখ কৰি কংগ্ৰেছ সাংসদগৰাকীয়ে কয়, 'মই মোৰ আজোককাৰ পৰা শিকিছো কিদৰে ভয়ক জয় কৰিব পাৰি আৰু সাহসেৰে থিয় দিব পাৰি।' নেহৰুৰ আদৰ্শ, চৰিত্ৰ, জীৱন দৰ্শনৰ কথা উল্লেখ কৰি ৰাহুলে এক সাক্ষাৎকাৰত কয় যে ভাৰতৰ স্বাধীনতা সংগ্ৰামত নেহৰুৰ সৰ্বোচ্চ অৱদান আছিল সাহস- ব্ৰিটিছৰ শোষণৰ বিৰুদ্ধে থিয় দি স্বাধীনতাৰ দাবী উত্থাপন কৰাৰ সাহস। কংগ্ৰেছ নেতা সন্দীপ দীক্ষিতৰ সৈতে হোৱা বাৰ্তালাপত বিৰোধী নেতাগৰাকীয়ে নিজৰ পাৰিবাৰিক মূল্যবোধ, ৰাজনৈতিক দৃষ্টিভংগী আৰু মতাদৰ্শগত উত্তৰাধিকাৰৰ বিষয়ে মুকলিকৈ কয়। ৰাহুলে কয়, "নেহৰুৰ পৰা মই সততা আৰু সাহস উত্তৰাধিকাৰী সূত্ৰে পাইছো। তেওঁ আমাক কেতিয়াও ৰাজনীতি শিকোৱা নাছিল, বৰঞ্চ ভয়ক জয় কৰি সত্যৰ কাষত কেনেকৈ থিয় দিব পাৰি সেই বিষয়ে শিকাইছিল। তেওঁৰ পৰা মই শিকি অহা আটাইতকৈ ডাঙৰ শিক্ষাটো হ'ল সত্যৰ অদম্য অনুসন্ধানৰ পাঠ।" নেহৰুৰ চিন্তাধাৰাই তেওঁৰ জীৱনত কেনেদৰে গভীৰ প্ৰভাৱ পেলাইছে সেই বিষয়ে আলোকপাত কৰি ৰাহুলে কয়, "নেহৰুৱে আমাক প্ৰশ্ন কৰিবলৈ শিকাইছিল। তেওঁ আমাক কৌতুহলী হ'বলৈ শিকাইছিল। মোৰ তেজত তেওঁৰ সেই শিক্ষা আছে।" এই সাক্ষাৎকাৰত ৰাহুলে তেওঁৰ আইতাক আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ পৰা শুনা নেহৰুৰ বিষয়ে কেইবাটাও কাহিনীও কয়। "মোৰ আইতাই এবাৰ মোক কৈছিল যে কেনেকৈ নেহৰুৱে পাহাৰত খোজ কাঢ়ি থাকোঁতে হিমবাহত পৰিল। তেওঁ জীৱ-জন্তু আৰু চৰাইক নিজৰ পৰিয়ালৰ অংশ বুলি গণ্য কৰিছিল। তেওঁ কেতিয়াও ব্যায়াম বন্ধ কৰা নাছিল। আমি শিকি অহা শিক্ষা সেইটোৱেই। মোৰ মায়ে এতিয়াও বাৰীত সময় কটায়, আৰু মই জুডো কৰো। ই কোনো চখ নহয়, ই জীৱনৰ এটা গুৰুত্বপূৰ্ণ অংশ। আমি নীৰৱে প্ৰত্যাহ্বানৰ সন্মুখীন হওঁ।" ৰাহুল গান্ধীয়ে কয়। তেওঁ পুনৰ কয়, "মহাত্মা গান্ধী, নেহৰু, আম্বেদকাৰ, পেটেল আৰু সুভাষ চন্দ্ৰ বসু- আটায়ে আমাক ভয়ক আকোৱালি ল'বলৈ শিকাইছে। কোনো আমাক ৰাজনীতি শিকোৱা নাই, কিন্তু কেনেকৈ সাহসী হ'ব লাগে শিকাইছে। গান্ধীজীয়ে কেৱল সত্যক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি এখন সাম্ৰাজ্যৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। তেওঁৰেই কৈছিল, সত্য একমাত্ৰ শক্তি।" ভাৰতৰ আজিৰ বাস্তৱত নিজৰ স্থিতি স্পষ্ট কৰি ৰাহুলে কয়, "প্ৰকৃত নেতৃত্ব হ'ল কাৰোবাক নিয়ন্ত্ৰণ কৰা নহয়, বৰঞ্চ মমতা আৰু সহানুভূতি প্ৰদৰ্শন কৰা। আজি যেতিয়া সঁচা কথা কোৱাটো এটা সমস্যা হৈ পৰিছে, তেতিয়াও মই মোৰ পথ বাছি লৈছো। যিয়েই নহওক কিয়, সত্যৰ কাষত থিয় দিম।"

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# অখিল গগৈয়ে বিজেপিৰ

অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়া আৰুশুভ্ৰমিত্ৰ গগৈৰ নাম উল্লেখ কৰিছিল অখিল গগৈয়ে। অখিল গগৈয়ে আনকি পঞ্চায়ত নিৰ্বাচনত সাংসদ গৌৰৱ গগৈয়ে বিজেপিক সহায় কৰাৰ এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। অখিল গগৈয়ে তোলা অভিযোগ নস্যাৎ কৰি সংবাদমেলত শুভ্ৰমিত্ৰ গগৈয়ে কয় যে অখিল গগৈৰ বৰ্তমান বক্তব্যই জনসাধাৰণৰ আগত হাঁহিয়াতৰ পাত্ৰ হৈ পৰিছে তেওঁ নিজেই। কোনো কালেই অখিল গগৈয়ে দ্বিতীয়জন নেতা সৃষ্টি কৰিব নিবিচাৰে। ২০২১ চনৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ তৰফৰ পৰা মই অখিল গগৈৰ প্ৰতিদ্বন্দ্বী আছিলোঁ। কিন্তু সেই সময়ত এজন জাতীয়তাবাদী শিবিৰৰ যুৱ নেতাই অখিল গগৈৰ হৈ বহু কষ্ট কৰি শিৱসাগৰ সমষ্টিৰ পৰা তেওঁক জয়ী কৰাইছিল। কিন্তু দুৰ্ভাগ্যজনক বিষয় যে নিৰ্বাচনত জয়ী হোৱাৰ পিছত একেজন অখিল গগৈয়ে এতিয়া সেইগৰাকী জাতীয়তাবাদী শিবিৰৰ নেতাক, মদাহী, ড্ৰাগছ আসক্ত আদি যি বিশেষণেৰে সম্বোধন কৰিছে ইয়াৰ উত্তৰ কোনে দিব। ক্ৰমাৎ অখিল গগৈৰ চৰিত্ৰ অসমৰ ৰাইজৰ সন্মুখত ওলাই পৰিছে। পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছৰ সৈতে ৰাইজৰ দলৰ মিত্ৰতা সন্দৰ্ভত গোকাট মিছা কথা কৈছে অখিল গগৈয়ে। কাৰণ ৰাজ্যৰ প্ৰতিটো ৰাজনৈতিক দলৰ লগতে সাধাৰণ ৰাইজেও জানে যে ৩ এপ্ৰিল, ২০২৫ তাৰিখৰ পৰা ১১ এপ্ৰিল, ২০২৫ তাৰিখ পঞ্চায়ত নিৰ্বাচনৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীসকলৰ মনোনয়ন দাখিলৰ অন্তিম তাৰিখ আছিল। সকলো দলৰ সমৰ্থিত প্ৰাৰ্থীয়ে ১১ তাৰিখৰ ভিতৰত নিজৰ নিজৰ মনোনয়ন দাখিল কৰিছিল। কিন্তু অখিল গগৈয়ে ৰাইজক আভুৱা-ভাঁৰিবলৈ ১৬ এপ্ৰিল, ২০২৫ তাৰিখে কংগ্ৰেছৰ সৈতে ৰাইজৰ দলৰ মিত্ৰতা হ'ব লাগে বুলি প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বলৈ পত্ৰ প্ৰেৰণ কৰিছিল। সাধাৰণ জনতাৰ পৰা বাঃ বাঃ ল'বলৈ অখিল গগৈয়ে পত্ৰখন সামাজিক মাধ্যমত প্ৰকাশ কৰিছিল। কিন্তু অখিল গগৈৰ এই চক্ৰান্তৰ কথা ৰাইজে বুজি পালে। মিত্ৰতা নিৰ্বাচনৰ পূৰ্বে হয়। কিন্তু মনোনয়ন দাখিল কৰি প্ৰাৰ্থীয়ে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ পিছত মিত্ৰতা নহয়। তেতিয়া কেৱল যুঁজহে হয়। মনোনয়ন দাখিলৰ পাঁচ দিনৰ পিছত কোনেও মিত্ৰতাৰ বাবে আসন বুজাবুজিৰ কাৰণে আন এটা দলৰ মুৰব্বীলৈ চক্ৰান্ত কৰি পত্ৰ নিলিখে। ২০২১ চনৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ প্ৰাৰ্থিত্ব লাভ কৰি মই নিৰ্বাচনত অৱতীৰ্ণ হৈছিলো। কিন্তু কালি অখিল গগৈয়ে কৈছে যে মোৰ প্ৰাৰ্থিত্ব বিজেপিৰ পৰা হৈছে। অখিল গগৈৰ বক্তব্যত এনে উমান পোৱা যায় যে অখিল গগৈয়ে ৰাইজৰ দলৰ সভাপতি হৈ বিজেপিৰ পৃষ্ঠপোষকৰ দায়িত্ব পালন কৰিছে। কোনটো ৰাজনৈতিক দলৰ কাক প্ৰাৰ্থিত্ব দিব লাগে ইয়াৰ ঠিকাদাৰী লাভ কৰিছে অখিল গগৈয়ে।" ইয়াৰ উপৰি শুভ্ৰ মিত্ৰ গগৈ বিজেপিৰ এজেণ্ট তথা দাদা ব্ৰিগেডৰ সদস্য বুলি সংবাদ মাধ্যমৰ আগত যি ভাষ্য দিছিল সেয়া গোকাট মিছা বুলি উল্লেখ কৰিছে কংগ্ৰেছ নেতাগৰাকীয়ে। ইয়াৰ পৰিবৰ্তে অখিল গগৈৰ প্ৰতি প্ৰশ্ন কৰি কয়, "কাজিৰঙাৰ অৰ্কিড পাৰ্কলৈ বৰপীৰা পাৰি অসমৰ বিজেপি চৰকাৰৰ মন্ত্ৰী তথা দাদা ব্ৰিগেডৰ সেনাপতি হিচাপে পৰিচিত পীয়ুষ হাজৰিকাক ভাত খুৱাইছিলে কোনে। মন্ত্ৰীগৰাকীৰ সৈতে অখিল গগৈৰ কি আলোচনা হৈছিল, ইয়াৰ উত্তৰ কোনে দিব? শিৱসাগৰ ভ্ৰমণলৈ আহোঁতে মন্ত্ৰী পীয়ুষ হাজৰিকাক প্ৰশংসাৰে যে অখিল গগৈয়ে ওপচাই পেলাইছিল তাত মোৰ কিবা হাত আছিল নেকি? আমি কালিও কৈছোঁ আৰু আজিও ক'ম যে অখিল গগৈয়ে যোৱাটো বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত হাতত লৈ ফুৰা ৰঙা-নীলা ফাইলকেইটা ক'ত হেৰাল? ফাইল কেইটা ঘুণে ধৰিছে নেকি? তেওঁ বিধায়ক হোৱাৰ পিছত ফাইলকেইটাৰ কথা এবাৰো কিয় উত্থাপন নহ'ল? গেৰুকামুখৰ নদীবান্ধ প্ৰকল্পৰ বিৰোধিতাৰে, স্মাৰ্ট মিটাৰৰ বিৰোধিতাৰে যি আন্দোলন কৰিছিল এই আন্দোলন আজিৰ তাৰিখত ক'ত হেৰাল?" ইপিনে গৌৰৱ গগৈৰ পত্নীৰ আই এছ আইৰে সম্পৰ্ক থকা বুলি অভিযোগ তুলি চৰকাৰে তদন্ত কৰাৰ পিছৰে পৰা হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে গৌৰৱ গগৈ নৰম তথা দুৰ্বল হোৱা বুলি অখিল গগৈয়ে অনা অভিযোগ সন্দৰ্ভত কংগ্ৰেছ নেতাগৰাকী মন্তব্য দিয়াৰ পৰা বিৰত থাকে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কণ্ঠশিল্পী জুবলীৰ পাতি লোৱা ভাতৃ

লোৱা ভাতৃৰ বহু কথা প্ৰকাশ কৰিছে। ১৮ এপ্ৰিলত ৰঙালী বিহুৰ তৃতীয়টো দিনত তামুলপুৰত মঞ্চত বিহু পৰিৱেশন কৰি থকাৰ সময়ত ভাতৃ নৰিয়াত থকাৰ কথা প্ৰকাশ কৰিছিল কণ্ঠশিল্পীগৰাকীয়ে। আবেগিক হৈ জুবলীয়ে চকুলো টুকি চিকিৎসাধীন ভাতৃৰ কথা উল্লেখ কৰিছিল। জুবলীয়ে কৈছিল যে এই সময়ত মই হাস্পতালত থাকিব লাগিছিল। এই সময়ত ৰাইজৰ লগত আছো। ভাইটি ভেন্টিলেচনত আছে, এই মুহূৰ্তত মই তাৰ লগত থাকিব পৰা নাই। ৰাইজক কথা দিছো যেতিয়া আহিবই লাগিব। আমি অনুষ্ঠান কৰিম, আপোনালোকে চিন্তা নকৰিব।। আপোনালোকক অনুৰোধ জনাইছো আশীৰ্বাদ কৰক ভাইটি যাতে সুস্থ হৈ উঠে। লখিমপুৰৰ শিখ সম্প্ৰদায়ত জন্ম গ্ৰহণ কৰিছিল জুবলী বৰুৱাৰ পাতি লোৱা ভাতৃয়ে। পাতি লোৱা ভাতৃয়ে নাম শপতনামযোগে তেজয় বৰুৱা কৰিবলৈ সাজু হৈছিল। কালি নিশা ফৰিদাবাদত আছিল জুবলীৰ সংগীতানুষ্ঠান। নিশা অনুষ্ঠানৰ পূৰ্বে সামাজিক মাধ্যমত ভাতৃৰ মৃত্যুৰ খবৰ ৰাজহুৱা কৰিছিল। জুবলীয়ে সামাজিক মাধ্যমত দিয়া পোষ্টটোত কয়, "আজি মন গৈছে কথা এটা ক'বলৈ। আজি মোৰ এজন ভাইটিৰ লগত চিনাকি কৰি দিবলৈ, নাম তাৰ তেজয় বৰুৱা। মৰমত মাতো মানু বুলি। এটি যেন হাঁহিৰ ভঁৰাল সি। সৰু কথা এটাতে ইমান হাঁহিব পাৰে। আমাৰ হাঁহি আছিল সি, আমাৰ জীৱনৰ এটা দৃঢ় অংশ আছিল সি। মই তাৰ হেনো বেষ্ট বায়েক। সকলো কথা কয়, তাৰ জীৱনৰ প্ৰায়বোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত মোক সুধিহে যেন লয়। নাজানো তাৰ বাবে কি কৰিলো, কিন্তু তাৰ মতে বহুত কৰিছো। কিবা প্ৰকাৰে মৰম লগায় সদায়। সি বিহুৰ সময়ত মোক সম্বৰ্ধনা জনোৱা, মোৰ গাত থকা গামোচাখনহে বিচাৰে। আজিও তেনে এখন গামোচা দিবলৈ বুলি আহিলো। সি গমেই নাপালে কিন্তু তাক যে ধুনীয়া গামোচা এখন দিলো। তাৰ মতে মই আকৌ বেষ্ট ছিংগাৰ হয়। সামাজিক মাধ্যমৰ প্ৰচাৰত সক্ৰিয় নথকাৰ বাবে প্ৰায়ে বহুত আপত্তি, বহু গীত আছে বহু বছৰৰ পৰা মুক্তি পাবলগীয়া তাকে লৈ বহু আপত্তি। মুঠতে মোৰ কাৰণে এসোপামান কাম কৰাৰ সপোন। মোক আৰু ডাঙৰ কৰাৰ সপোন। আৰু কত কি সপোন! অন্ধ ভক্ত সি মোৰ গানৰ। প্ৰকৃত নাম তাজেন্দৰ সিং। লখিমপুৰৰ শিখ সম্প্ৰদায়ত জন্ম গ্ৰহণ কৰা জুবলী বৰুৱাৰ ভায়েক তেজয় বৰুৱা। নাম হেনো বদলি কৰিব শপতনামা কৰি। ইমান আপোন ভাব, ইমান মৰম। বিশ্বাস আছিল সি মোক চাব, সি কথাও দিছিল কিন্তু সি কথা ৰাখিব নোৱাৰিলে। সি এৰি গ'ল আমাক। সি যোৱা ডেৰমাহে যুঁজ দি ভাগৰি পৰিল। ৩৬ বছৰ হৈছিল আৰু অলপ জোৰ দিব লাগিছিল। তাক উঠাই আনি ক'বলৈ মন গৈছে, পৰিয়ালৰ দুজনকৈ লোক - মোৰ দেউতা আৰু মোৰ বাইদেওৱে কেন্সাৰৰ সৈতে যুদ্ধ কৰি আছে যোৱা তিনি-চাৰি বছৰ ধৰি, এতিয়াও সাহস এৰি দিয়া নাই, তই কিয় সাহস এৰি দিলি। মই বেয়া পাইছো তোক। মই ভগৱানকো বেয়া পাইছো, কাৰণ বহুত কাকুতি মিনতি কৰিলো তেওঁক কিন্তু নুশুনিলে। ভাগৰুৱা মই, মোক প্ৰয়োজন আছিল তোৰ এইটো সময়ত। তোৰ মা আছিল বৈ, মাক ভালদৰে চাবলগীয়া আছিল তোৰ। কি যে কৰিলি! আজি ফৰিদাবাদত অনুষ্ঠান আছে, ৰাইজ আছে বৈ। ৰাইজৰ আশীৰ্বাদত বহুত শক্তি, ময়ো মানো কিন্তু আজি কি ক'ম? কি আশীৰ্বাদ দিব তোক ৰাইজে? মইতো হাঁহিবও লাগিব, গীতো গাব লাগিব। কিন্তু চকুলো ওলাব নোৱাৰিব। কিয়নো আগত ৰাইজ আছে বৈ। মনে কষ্ট পাব কিন্তু আজি তোৰ কাৰণেই গাম, মই জানো তই তাৰ পৰা দেখি ভাল পাবি। তই ভালে থাক ... বিদায় মোৰ সোণ।"

**Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223**

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বৰমা ছোৱালী হাইস্কুলত ইছৰোৰ দ্বাৰা

জনায়। ছাত্ৰ-ছাত্ৰীসকলক মহাকাশ গৱেষণাৰ প্ৰতি আকৰ্ষিত কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা বুলি জানিবলৈ দিয়ে ইছৰোৰ সঞ্চালকগৰাকীয়ে। ভাৰতৰো নিজাকৈ মহাকাশত যোৱাৰ প্ৰস্তুতি ইতিমধ্যে কৰি থকা হৈছে বুলিও জানিবলৈ দিয়ে। ইফালে বিটিচিপ্ৰধান প্ৰমোদ বড়োৱে ইছৰোৰ অধীনত সমগ্ৰ বিটিআৰতে দহখন বিদ্যালয়ত মহাকাশ গৱেষণাগাৰ স্থাপন কৰাৰ পৰিকল্পনা গ্ৰহণ কৰা বুলি জানিবলৈ দিয়ে। বিটিআৰ অঞ্চলত বিজ্ঞান শিক্ষা আগুৱাই নিবৰ কাৰণে আমাৰ ছাত্ৰ-ছাত্ৰীক বিজ্ঞান টেকন'লজিৰ লগতে বিভিন্ন শিক্ষা প্ৰদান কৰা হৈছে । ইতিমধ্যে বিটিআৰ অঞ্চলৰ পৰা এটা বেছ ইছৰোলৈ গৈ আহিছে। পৰৱৰ্তী সময়ত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী পঠিওৱাৰ যো-জা কৰা হৈছে। বিটিআৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীক ছেটেলাইট নিৰ্মাণৰ কাৰণে ট্ৰেইনিং দিয়াৰ ব্যৱস্থা কৰা হ'ব। আজিৰ উন্মোচনী অনুষ্ঠানত উপস্থিত থাকে ইছৰোৰ সঞ্চালক ড° দীপক সিং, বৰমা সমষ্টিৰ বিধায়ক ভুপেন বড়ো, নীলোৎপল কাশ্যপ (বিটিচি অতিৰিক্ত শিক্ষা বিভাগ), জেহৰুল ইছলাম (স্কুল পৰিদৰ্শক বাগছা), গোবিন্দ যাদৱ (চি ই অ'), বিটিআৰৰ ই এম উইলছন হাছদা।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ছিপাঝাৰৰ বোনমাঝাত পথ নিৰ্মাণত

হৈছিল ৩৫ লাখ ২ হাজাৰ ৯২৫ টকা। ইয়াৰ বৰবড়ি চ'কৰ পৰা গোলোক শইকীয়াৰ পদূলিলৈ মুঠ ৬০০ মিটাৰ দৈৰ্ঘ্যৰ পথটোৰ নিৰ্মাণৰ শুভাৰম্ভ কৰিছিল ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে। কিন্তু আশ্চৰ্যজনকভাৱে পথটো মাত্ৰ ৩৩৮ মিটাৰ দৈৰ্ঘ্য নিৰ্মাণ হোৱাৰ পিছতে হঠাতে কাম বন্ধ কৰা হ'ল। অৰ্থাৎ ২৬২ মিটাৰ পথ নিৰ্মাণ নোহোৱাকৈয়ে পৰি ৰ'ল। অভিযোগ অনুসৰি পথটোৰ নিৰ্মাণ সম্পূৰ্ণ নকৰাকৈয়ে আবণ্টিত ধন আত্মসাৎ কৰাৰ ফন্দি পাতিছিল নিৰ্মাণত জড়িত সাংগপাংগোসকলে। যাৰ পৰিপ্ৰেক্ষিতত পথ নিৰ্মাণৰ শুভাৰম্ভণিত উৎফুল্ল হৈ বিধায়কক গামোচা পিন্ধোৱা ৰাইজ এতিয়া ক্ষোভত ফাটি পৰিছে। ইপিনে দুৰ্নীতি-অনিয়মৰ ক্ষেত্ৰত শূণ্য সহনশীলতাৰ বাণী আওৰাই ফুৰা বিধায়কগৰাকী তথা চৰকাৰখনে এইক্ষেত্ৰত চকুমুদা কুলিৰ ভাও লোৱা কাৰ্যত উন্নয়নৰ ফোঁপোলা স্বৰূপ আৰু ৰাইজৰ প্ৰতি দায়বদ্ধতাৰ প্ৰকৃত ৰূপটো প্ৰকট হৈ পৰিছে বুলি মন্তব্য কৰিছে সচেতন ৰাইজে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বাঘমাৰাত গাঁঠিৰ ধনেৰে খহনীয়া

খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰি আহিছে। বিগত সময়ছোৱাত জলজলীৰ খহনীয়াই অঞ্চলটোৰ কেইবাশ হেক্টৰ কৃষিভূমি নৈৰ বুকুত জাহ যোৱাত শতাধিক পৰিয়ালৰ কৃষিভূমি যথেষ্ট হ্ৰাস পাইছে। একাংশ লোকৰ সমস্ত কৃষিভূমি জাহ যোৱাত ভূমিহীনত পৰিণত হৈছে। এনে পৰিস্থিতিত কৃষিৰ ওপৰত নিৰ্ভৰশীল অঞ্চলটোৰ অৰ্থনৈতিক উন্নয়ন প্ৰায় স্থবিৰ হৈ পৰিছে। বিগত সময়ছোৱাত জলজলী নৈৰ খহনীয়াৰ কবলত পৰাৰ বাবেই বাঘমাৰা নিচানৰ চৰ মধ্য ইংৰাজী বিদ্যালয় আৰু পূব বাঘমাৰা চৰ প্ৰাথমিক বিদ্যালয় নামৰ শিক্ষানুষ্ঠান দুখন স্থানান্তৰিত কৰা হৈছে। অঞ্চলটোৰ কৃষিভূমিৰ লগতে কেইবাটাও পৰিয়ালৰ ঘৰ-দুৱাৰো খহনীয়াত জাহ যোৱাৰ পিছত সম্প্ৰতি ১ নং বাঘমাৰা চৰৰ মূল গাঁওখনৰ প্ৰতিও চৰম ভাবুকি আহিছে। স্বাধীনাতাৰ সময়ৰ পৰাই বসবাস কৰি অহা ১ নং বাঘমাৰাচৰ গাঁৱৰ পূব দিশৰ উপৰি ধাৰাবাশ্যা গাঁৱৰ কমেও পাঁচ শতাধিক পৰিয়ালে সম্প্ৰতি শংকাত দিন পাৰ কৰিছে। কিন্তু ইমানৰ পিছতো খহনীয়া প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগ আৰু স্থানীয় বিধায়ক শ্বেৰমান আলী আহমেদে খহনীয়া প্ৰতিৰোধৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় লোকে। জলজলী নৈৰ ভয়ংকৰ খহনীয়াৰ পৰা সমগ্ৰ ১ নং বাঘমাৰা চৰ গাঁওখনক ৰক্ষা কৰিবলৈ অৱশেষত ৰাইজে নিজেই ব্যৱস্থা গ্ৰহণ কৰিবলৈ ওলাই অহা পৰিলক্ষিত হৈছে। প্ৰত্যেক বছৰেই স্থানীয় ৰাইজে স্থানীয় বিধায়ক, চৰকাৰ বা স্থানীয় প্ৰতিনিধিৰ কোনো সঁহাৰি নাপাই নিজেই গাঁঠিৰ ধনেৰে সাধ্য অনুপাতে বাঁহেৰে নদীবান্ধৰ কাম কৰিছে। যোৱা বছৰো ৰাইজৰ দান-বৰঙনিৰে প্ৰায় ছয় লাখ টকাৰ কাম কৰিছে। বাৰিষাৰ আগতেই স্থানীয় ভীতিগ্ৰস্ত প্ৰতিটো পৰিয়ালে দান-বৰঙনি উঠাই শ্ৰমদানেৰে খহনীয়া প্ৰতিৰোধ কৰিবলৈ আগবাঢ়ি আহিছে। কিছুদিন পূৰ্বে নদীবান্ধ নিৰ্মাণ কমিটী নামেৰে এখন কমিটী বনাই আজি নিৰ্মাণ কমিটীৰ উদ্যোগত নদীবান্ধ কামৰ শুভাৰম্ভ কৰে। উক্ত অনুষ্ঠানত ১৬ নং বাঘমাৰা জিলা পৰিষদৰ এ আই ইউ ডি এফৰ প্ৰাৰ্থী কহিনুৰ বেগম, কংগ্ৰেছ প্ৰাৰ্থী আকলিমা খাতুন, বাঘমাৰা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থী আব্দুৰ ৰহমান, কংগ্ৰেছ আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থী শ্বাহানুৰ ৰহমান, মিত্ৰজোঁটৰ অগপ দলৰ প্ৰাৰ্থী শ্বেখ ৰহিজ উদ্দিন আহমেদ, পঞ্চায়তৰ সদস্য পদৰ প্ৰাৰ্থীসকল উপস্থিত থাকি আৰ্থিক-মানসিক সহযোগিতা আগবঢ়োৱাৰ কথা কোৱাৰ লগতে নিৰ্বাচিত হ'লে প্ৰথমে নদীবান্ধৰ কাম কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। চৰকাৰী অৱহেলাৰ বিপৰীতে পাঁচ শতাধিক পৰিয়ালৰ ঘৰ-দুৱাৰ খহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ গাঁওবাসীৰ এনে প্ৰচেষ্টা সফল হ'বনে নাই লগতে স্থানীয় প্ৰতিনিধিয়ে দিয়া প্ৰতিশ্ৰুতি কাৰ্যকৰী কৰিববনে নাই সেয়া সময়েহে ক'ব। শীঘ্ৰে অঞ্চলটোৰ খহনীয়া প্ৰতিৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ জলসম্পদ বিভাগ, স্থানীয় বিধায়ক শ্বেৰমান আলী আহমেদ, চেঙাৰ বিধায়ক আশ্ৰাফুল হুছেইনৰ লগতে জিলা আয়ুক্তক দাবী জনাইছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ভূ-মাফিয়াৰ বাহনৰ খুন্দাত নাজিৰাত

কৰিছিল লোকজনে। নিশা বহু দেৰিলৈকে অঞ্চলটোত চলে অবৈধ ভূ-খনন। এই গুৰুতৰ অভিযোগ কৰিছে স্থানীয় ৰাইজে। যোৱানিশাও বহু দেৰিলৈকে ভূ-মাফিয়াই মাটি খনন কৰি আছিল। দিনৰ ভাগত নিহত লোকজনে উক্ত স্থানত মাটি খনন কাৰ্যৰ বিৰোধিতা কৰিছিল। স্থানীয় ৰাইজৰ অভিযোগ অবৈধ মাটিখননৰ লগত জড়িত ডাম্পাৰে ব্যক্তিজনক নিশা খুন্দা মাৰে। নিশাৰ ভাগতেই সংকটজনক অৱস্থাত লোকজনক চিকিৎসালয়লৈ নিয়া হয় যদিওঁ চিকিৎসলয়তে মৃত্যুক সাবটি লয় লোকজনে। স্থানীয় ৰাইজৰ সন্দেহৰ ভিত্তিত নাজিৰা আদৰ্শ আৰক্ষী থানাই ইতিমধ্যে জব্দ কৰে অবৈধ মাটিখননৰ লগত জড়িত ডাম্পাৰ আৰু জে চি বি। উল্লেখযোগ্য যে স্থানীয় বন বিভাগৰ ছত্ৰছায়াত নাজিৰাৰ, গেলেকী আদি স্থানত একাংশ ভূ-মাফিয়াই চলাইছে অবৈধ মাটিখনন। বৃদ্ধি পাইছে দৈনিক অবৈধ মাটিখননৰ সৈতে জড়িত ডাম্পাৰৰ দৌৰাত্ম্য। কিন্তু এইসমূহ অবৈধ খনন বন্ধ কৰাত সম্পূৰ্ণ ব্যৰ্থ হৈছে প্ৰশাসন অথবা বন বিভাগ।যাৰ বাবে এনে ধৰণৰ ঘটনা সংঘটিত হ'বলৈ পাইছে বুলি ৰাইজৰ অভিযোগ।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

## নগাঁৱৰ পশ্চিমাঞ্চলত অব্যাহত গৰু চোৰৰ সন্ত্ৰাস

# নগাঁৱত বিহু দেখুৱাইছে গৰু চোৰে

**ই-সংবাদ, বেবেজীয়া, ২০ এপ্ৰিলঃ** বৰ্তমান ৰঙালী বিহুৰ আনন্দ-উল্লাসৰ মাজতে নগাঁও জিলাৰ পশ্চিমাঞ্চলত গৰু চোৰে বিহু দেখুৱাইছে ৰাইজক। কিয়নো আৰক্ষীৰ নিষ্ক্ৰিয়তাৰ সুযোগ লৈ বিহুৰ বতৰত প্ৰতি নিশাই চোৰে উদং কৰিছে ইঘৰৰ পিছত সিঘৰৰ গোহালি। সেয়ে গৰু চোৰৰ এনে সন্ত্ৰাসত ৰাইজৰ মাজত একপ্ৰকাৰ আতংকৰ সৃষ্টি হৈছে। এনে আতংকময় পৰিস্থিতিৰ মাজতে পুনৰ শনিবাৰে নিশা জাজৰি থানাৰ অন্তৰ্গত চকলাঘাট দৰণ্ডীয়াল গাঁৱৰ শ্যাম কাকতি নামৰ কৃষকজনৰ গোহালিৰ তলা কাটি তিনিজনী গাইসহ এটা দমৰা আৰু এটি চেউৰী গৰু চোৰে চুৰি কৰি নিয়ে। ইয়াৰে এজনী গাই গৰু মাত্ৰ চাৰি দিন মানৰ আগতেহে জগিছিল। সেই গৰুজনীকো পোৱালিসহ লৈ যায় চোৰে। ফলত গোহালিৰ গৰু কেইটাকে সাৰথি কৰি পৰিয়ালটো পোহপাল দি অহা কৃষকজনৰ মূৰত এতিয়া সৰগ ভাঙি পৰাৰ দৰে হৈছে। অৱশ্যে, কৃষকজনৰ সন্মুখৰ এজন ব্যক্তিৰ ঘৰত লগাই থোৱা চিচি টিভিত নিশা ১.২৭ বজাত তিনিটা চোৰে কৃষকজনৰ ঘৰৰ পদূলিয়েদি গৰু কেইটা উলিয়াই নিয়া ধৰা পৰিছে। পিছে ঘন চুবুৰি এটাৰ পৰা এনেদৰে আগৰাতিতে চোৰে গোহালিৰ লোৰ শিকলি কাটি গৰু চুৰি কৰি লৈ যোৱাৰ পৰা এটা কথা ওলাই পৰিছে যে চোৰে সেই ঠাইখনৰ মানুহখিনিৰ শোৱাৰ সময় ভালদৰে অৱগত। আশ্চৰ্যজনক কথাটো হ'ল ধাৰাবাহিক চুৰিকাৰ্য সংঘটিত হৈ থকাত জনসাধাৰণ সজাগ-সচেতন হৈ থকাৰ পিছতো নিতৌ নগাঁৱৰ পশ্চিমাঞ্চলৰ বিভিন্ন অঞ্চলত গৰু চুৰিৰ ঘটনা ঘটিয়ে আছে। ইয়াৰ পূৰ্বে, ব'হাগ বিহুৰ উৰুকাৰ আগদিনা চকলাঘাটৰে গজপুৰীয়া গাঁৱৰ সুৰেন শইকীয়া নামৰ শাক-পাচলিৰ বেপাৰী এজনৰ এটি প্ৰায় লাখ টকীয়া চাহিয়াল গাইগৰুৰ লগতে আন দুটা দেশীয় গৰু আৰু একেখন গাঁৱৰে ত্ৰিনয়ন বৰুৱাৰ দুটি গাই গৰু চুৰি হৈছিল। তদুপৰি বিহুৰ উৰুকাৰ দিনা কুঁজিদাহ বেজৰুকৰ প্ৰদীপ বৰাৰ ঘৰৰ পৰা তিনিজনীকৈ বৰ্ণসংকৰ গাই, একেই চুবুৰিৰ জনৈক লাই নামৰ ব্যক্তিজনৰ গোহালিৰ পৰাও একেই জাতৰ দুটি গাই গৰু তথা উৰুকাৰ নিশা কাকমাৰি গাঁৱৰ গুণীন্দ্ৰ মোহন ডেকাৰ ঘৰৰ পৰাও এটি খীৰতী গাই চোৰে চুৰি কৰি নিছিল। সেইদৰে, গৰু বিহুৰ দিনা কুঁজিদাহ উলুবাৰীৰ গোলাপ মহন্তৰ গোহালি উদং কৰি দুটা দমৰাসহ ডেৰ লক্ষাধিক টকা মূল্যৰ দুটি খীৰতী গাই চুৰি হৈছিল। এনেদৰে ধাৰাবাহিকভাৱে গৰু চুৰিকাণ্ড সংঘটিত হৈ অহাৰ হেতু ভুক্তভোগী লোকসকলে আৰক্ষীৰ নিষ্ক্ৰিয়তাক কঠোৰ সমালোচনা কৰিছে। কাজেই, নগাঁও জিলাৰ পশ্চিমাঞ্চলত এনে চুৰিকাণ্ড ৰোধ কৰাৰ বাবে বেবেজীয়া, ৰহা আৰু জাজৰি আৰক্ষীৰ লগতে ইয়াৰ অধীনত থকা গাঁওৰক্ষী বাহিনীসমূহ যদিহে সজাগ-সক্ৰিয় নহয় তেন্তে পশ্চিম নগাঁৱৰ ৰাইজৰ গো-ধনসমূহ চোৰৰ হাতৰ পৰা যে বাচি নাথাকে সেয়া একপ্ৰকাৰ খাটাং হৈ পৰিছে বুলি সচেতন মহলে মন্তব্য কৰিছে।

# পাঁচ শতাধিক বিহুৱা-বিহুৱতীৰ গীত-নাচেৰে মুখৰিত নগাঁৱৰ উৰিয়াগাঁও খেলপথাৰ

**ই-সংবাদ, পুৰণিগুদাম, ২০ এপ্ৰিলঃ** ঢোল-পেঁপা-গগনাৰ মাতত কালি উদুলি-মুদুলি হ'ল নগাঁৱৰ ঐতিহ্যমণ্ডিত উৰিয়াগাঁৱৰ খেলপথাৰ। পাঁচ শতাধিক বিহুৱতীৰ বিহু নৃত্য-গীত পৰিৱেশনেৰে বিয়লিৰে পৰা নিশা পৰ্যন্ত উদুলি-মুদুলি হৈ পৰিল পৰিৱেশ। নগাঁৱৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান "গান্ধাৰ"ৰ উদ্যোগত ২ এপ্ৰিলৰ পৰা ১২ এপ্ৰিললৈকে উৰিয়াগাঁও খেলপথাৰত আয়োজন কৰা সদৌ অসম বিহুৰ আখৰা-২০২৫ ৰ অনুষ্ঠানৰ লগত সংগতি ৰাখি কালি সামৰণী অনুষ্ঠানৰ অংশ হিচাপে মুকলি বিহু, সদৌ অসম জেং বিহু,সম্বৰ্ধনা আৰু অভিধা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে উদযাপন সমিতিৰ সভাপতি পল্লৱজ্যোতি মহন্ত, অৱসৰপ্ৰাপ্ত শিক্ষক নাৰায়ণ চন্দ্ৰ বণিয়া, শিক্ষয়িত্ৰী তথা যোগ প্ৰশিক্ষক লিলি সন্দিকৈয়ে। ইয়াৰ পিছতে কণ কণ শিশু শিল্পীসকলৰ হুঁচৰি প্ৰদৰ্শন, প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা বিহু নাচ প্ৰদৰ্শন, সমবেত সংগীতৰ লগতে সদৌ অসম ভিত্তিত জেং বিহু প্ৰতিযোগিতা অনুষ্ঠিত হয়।গান্ধাৰৰ সম্পাদক প্ৰদীপ বৰাই আঁত ধৰা অনুষ্ঠানত ঢোলৰ ওজা সোমনাথ বড়া, বিশিষ্ট নাট্যকাৰ, পৰিচালক মৃণাল কুমাৰ বৰা, লোক সংস্কৃতিৰ উপাসক দিপ্তী শইকীয়া, বিশিষ্ট বিহুশিল্পী পদুম প্ৰসাদ শইকীয়া, বিহু প্ৰশিক্ষক চয়নিকা কাশ্যপ, চন্দ্ৰ শইকীয়া, প্ৰিয়ংকা কলিতা, আনন্দ বৰা, নাট্যশিল্পী গগন চৌধুৰী, বড়ো সাহিত্য সভাৰ সভাপতি-সম্পাদক প্ৰমুখ্যে বহু বিশিষ্ট শিল্পীক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ উপৰি বিশিষ্ট অভিনেত্ৰী তথা লোক নৃত্যশিল্পী মাধুৰিমা চোধুৰীক "কলিমতী" অভিধা প্ৰদান, বিশিষ্ট শিক্ষাবিদ তথা লেখিকা মালবিকা দাস, শিখা হাজৰিকাক "গান্ধাৰ আদৰ্শ মাতৃ" বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত অভিধা গ্ৰহণ কৰি অভিনেত্ৰী মাধুৰিমা চৌধুৰীয়ে নিজৰ ভাষণ প্ৰসংগত কয়, গান্ধাৰে যি মোক বিহুৰ দেৱী কলিমতী অভিধাৰে সন্মানিত কৰিলে, তাৰ বাবে মই চিৰকৃতজ্ঞ হৈ ৰ'লো। এয়া ভগৱানৰ দান বুলি ভাবি লৈছো। "গান্ধাৰে" প্ৰদান কৰা "অভিধা" লাভ কৰি মই অতিশয় সুখী হৈছো। এই সন্মানৰ বাবে কিমান যোগ্য মই নাজানো, তথাপি এনে ধৰণৰ স্বীকৃতিবোৰে কাম কৰিবৰ বাবে অধিক অনুপ্ৰেৰণা আৰু সাহস যোগায় বুলি ভাষণত অভিনেত্ৰী চৌধুৰীয়ে উল্লেখ কৰে। অনুষ্ঠানত জ্যেষ্ঠ চিকিৎসক তথা প্ৰাক্তন বিধায়ক দুৰ্লভ চমুৱাই ভাষণ প্ৰদান কৰে। অনুষ্ঠানত ঢোলৰ ওজা সোমনাথ বড়াই প্ৰদৰ্শন কৰা ঢোলবাদনে সকলোকে মোহিত কৰে। উল্লেখযোগ্য যে অনুষ্ঠানটোত কেৰালা, কলিকতা, উৰিষ্যা, কাণপুৰৰ অহা পৰ্যটকসকলেও মুকলি বিহু উপভোগ কৰে।

# ঐতিহাসিক ন-ৰোৱা কুজিসত্ৰত কুজিসত্ৰ মহোৎসৱ

## স্মৃতিগ্ৰন্থ 'সত্ৰতীৰ্থ' উন্মোচন

**ই-সংবাদ, বেবেজীয়া, ২০ এপ্ৰিলঃ** অসমৰ অন্যতম প্ৰাচীন ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰী ন-ৰোৱা কুজিসত্ৰৰ গৌৰৱোজ্জ্বল ৩৭৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে পৰম্পৰাগত সত্ৰীয়া ৰীতি-নীতিৰ মাজেৰে পাঁচদিনীয়াকৈ আয়োজিত কুজিসত্ৰ মহোৎসৱত বৈছে ভক্তিৰ নিজৰা। মহোৎসৱৰ কেউটা দিনতে পৰিবেশিত খোল-তাল আৰু নাম-কীৰ্তনৰ অমল ধ্বনিৰে মুখৰিত হৈ পৰিছে বিভিন্ন প্ৰান্তৰ। ভক্তৰ উপস্থিতিৰে উদুলি-মুদুলি হৈ পৰিছে মহোৎসৱস্থলী দামোদৰদেৱ আতা ক্ষেত্ৰ। এনেদৰে সৃষ্টি হোৱা সুন্দৰ আধ্যাত্মিক পৰিৱেশৰ মাজতে মহোৎসৱৰ আজি চতুৰ্থ দিনা পুৱা বিভিন্ন ধৰ্মীয় কাৰ্যসূচী ৰূপায়ণৰ অন্তত বিয়লি এখনি মনোজ্ঞ আলোচনা-চক্ৰ আৰু স্মৃতিগ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত কৰা হয়। 'সত্ৰীয়া সংস্কৃতিত বিজ্ঞানৰ অৱস্থিতি' শীৰ্ষক আলোচনা-চক্ৰখনৰ আৰম্ভণিতে এগছি বন্তি প্ৰজ্বলন কৰে মাজগাঁও শ্ৰীশ্ৰী নুমলীয়া সত্ৰৰ সত্ৰাধিকাৰ পৰমানন্দ গোস্বামীয়ে। তিৰা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দীপেন্দ্ৰনাথ বৰদলৈয়ে সঞ্চালকৰ আসন অলংকৃত কৰা আলোচনা-চক্ৰখনৰ আৰম্ভণিতে বৰগীত পৰিৱেশন কৰে বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ তথা শিল্পী দীপাংক গিৰি দেৱগোস্বামীয়ে। শ্ৰীশ্ৰী নৰোৱা কুজি সত্ৰৰ সত্ৰাধিকাৰ নিত্যানন্দ দেৱগোস্বামীয়ে আদৰণী ভাষণ প্ৰদান কৰা আলোচনা-চক্ৰখনতে সত্ৰখনিৰ ৩৭৫ বছৰীয়া বৰ্ণিল ইতিহাসক সামৰি প্ৰবীৰ শইকীয়া আৰু সত্যব্ৰত দেৱগোস্বামীৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা 'সত্ৰতীৰ্থ' নামৰ স্মৃতিগ্ৰন্থখন উন্মোচন কৰে তিৱা সাহিত্য সভাৰ উপ-সভাপতি ড° বিদ্যুৎ বিকাশ সেনাপতিয়ে। তেওঁ ভাষণ প্ৰসংগত কয় যে সংযম আৰু সুন্দৰ মন লৈ দিনটোৰ কাম-কাজ সম্পাদন কৰিলে লাভৱান হোৱা যায়। সাংবাদিক ভৱজ্যোতি ডেকাই সূত্ৰ ধৰা আলোচনা-চক্ৰখনত বিশিষ্ট সত্ৰীয়া শিল্পী ৰঞ্জিত মহন্ত, ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান হাজৰিকা, বিশিষ্ট গল্পকাৰ শিৱানন্দ কাকতি আলোচক হিচাপে উপস্থিত থাকি নিৰ্ধাৰিত বিষয় সন্দৰ্ভত তথ্যসমৃদ্ধ বক্তব্য প্ৰদান কৰে। সন্ধিয়া ভকত আদৰণিৰ পিছতে মহাপালনাম মহোৎসৱৰ শুভাৰম্ভৰ লগতে পৰম্পৰাগত বাটনাম কীৰ্তনৰ সামৰণি আৰু গন্ধোৎসৱ অনুষ্ঠিত কৰা হয়। কাইলৈ অন্তিম দিনা পুৱা আইসকলৰ নাম আৰু খোল-প্ৰসংগৰ পিছতে মহাপালনাম মহোৎসৱৰ অন্ত পৰিব। দুপৰীয়া কীৰ্তন মহোৎসৱ আৰু প্ৰসাদ বিতৰণৰ অন্তত বিয়লি আমন্ত্ৰিত ভকত-বৈষ্ণৱৰ বিদায় সম্ভাষণৰ লগতে সন্ধিয়া 'সত্ৰীয়া সাংস্কৃতিক অনুষ্ঠানৰ এসন্ধ্যা' শীৰ্ষক এক ব্যতিক্ৰমী অনুষ্ঠানৰ দ্বাৰা পাঁচদিনীয়া কুজিসত্ৰ মহোৎসৱৰ সামৰণি মৰা হ'ব বুলি সত্ৰাধিকাৰ নিত্যানন্দ দেৱগোস্বামীয়ে জানিবলৈ দিছে।

# ৰঙিয়াত ৰাষ্ট্ৰীয় বজৰং দলৰ প্ৰতিবাদ

**ই-সংবাদ, ৰঙিয়া, ২০ এপ্ৰিলঃ** পশ্চিমবংগত হিন্দু নাগৰিকৰ ওপৰত সংঘটিত হিংসাত্মক ঘটনাৰ প্ৰতিবাদত আজি সন্ধিয়া ৰাষ্ট্ৰীয় বজৰং দলে ৰঙিয়াত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ প্ৰতিকৃতি দাহ কৰি ৰাজপথ উত্তাল কৰি তোলে প্ৰতিবাদকাৰীসকলে। ৰঙিয়াৰ হৰদত্তৰ-বীৰদত্ত ভৱনৰ সমীপত সংগঠনটোৰ নেতা-কৰ্মীসকল সমবেত হৈ পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ প্ৰতিকৃতি দাহ কৰি হিন্দুৰ ওপৰত নিৰ্যাতন বন্ধ কৰাৰ দাবী জনায়। কাৰ্যসূচীত বজৰংগ দলৰ শীৰ্ষ নেতা দীনেশ কলিতাও উপস্থিত থাকে।

## সাহিত্যিক গীতালি বৰুৱালৈ শ্ৰদ্ধাঞ্জলি সাহিত্য সভাৰ বিষয়ববীয়াৰ

**ই-সংবাদ, ২০ এপ্ৰিলঃ** পশ্চিম অসমৰেই নহয় বৃহৎ অসমীয়া সমাজৰ নেত্ৰী গীতালি বৰুৱাক জীয়াই ৰখাৰ স্বাৰ্থই গুৰুত্ব পোৱা উচিত। সাহিত্য সমাজ আৰু শিক্ষাৰ উত্তৰণৰ বাবে অহোপুৰুষাৰ্থ কৰি থকা গীতালি বৰুৱা সমাজৰ বাবে অত্যন্ত প্ৰয়োজনীয় ব্যক্তি। তেওঁৰ আদৰ্শ আৰু তেওঁৰ কৰ্মৰাজি সমাজৰ সকলো স্তৰলৈ বিস্তৃত হ'ব লাগে বুলি শ্ৰদ্ধাঞ্জলি ভাষণত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই উল্লেখ কৰে। ভাষণ প্ৰসংগত তেওঁ লগতে কয়, অসম সাহিত্য সভাৰ লগত গীতালি বৰুৱাৰ সম্পৰ্ক অভিন্ন, এই সম্পৰ্ক সভাৰ বহুসংখ্যক কৰ্মকৰ্তাৰ লগত ব্যাপ্ত হৈ আছে; সেয়ে তেওঁৰ আকস্মিক বিয়োগত মৰ্মাহত হৈ পৰা সাহিত্যকৰ্মীসকল, গোৱালপাৰা, বঙাইগাঁও, কোকৰাঝাৰ, চিৰাং, যোৰহাট, মাজুলী, নগাঁও আদি জিলাৰ পৰা আহি এই সভাত উপস্থিত হৈছে। এইটোৱেই হৈছে সভাৰ একত্ব ৰূপ, বিগত সময়ছোৱাত সাহিত্য সভাত গীতালি বৰুৱাই এই ৰূপটোৱেই পৰিগ্ৰহ কৰিছিল। অনুষ্ঠানত অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে কয়, গীতালি বৰুৱা আমাৰ সমাজৰ বাবে আদৰ্শস্থানীয় মহিলা, এইগৰাকী মহিলাই সুন্দৰ সমাজ নিৰ্মাণৰ ক্ষেত্ৰত সফলতা দাবী কৰিব পাৰে; গীতালি বৰুৱাই জীৱন যাত্ৰা সামৰি কৰা এই মহাপ্ৰস্থানে অসম সাহিত্য সভাৰ বহু ক্ষতি কৰিলে। আনহাতে অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱায়ো সাহিত্যিকগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি ভাষণ আগবঢ়ায়। আজি ধুবুৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গীতালি বৰুৱাৰ বিলাসীপাৰাস্থিত নিজা বাসভৱন থাপনাত পবিত্ৰ আদ্যশ্ৰাদ্ধ উপলক্ষে অনুষ্ঠিত স্মৃতিচাৰণ সভাখনত অসম সাহিত্য সভাৰ অনুবাদ প্ৰকল্পৰ সঞ্চালক হৃদয়ানন্দ গগৈ, ধুবুৰী আঞ্চলিক কাৰ্যালয়ৰ সাংগঠনিক সম্পাদক ধৰ্মেশ্বৰ দাস, স্থায়ী বিত্তীয় নিধিৰ আহ্বায়ক গোবিন্দ কলিতা, কেন্দ্ৰীয় প্ৰচাৰ আহ্বায়ক শংকুসিদ্ধ নাথ, গোৱালপাৰা জিলা সাহিত্য সভাৰ সভাপতি জয়চন্দ্ৰ নাথ, সম্পাদক শিৱপ্ৰসাদ ৰাভা হাদু, প্ৰাক্তন সভাপতি বাণীকান্ত ৰাভা, প্ৰাক্তন জিলা সম্পাদক জিতুমণি দাস, জিলা কাৰ্যনিৰ্বাহক সদস্য ডাঃ ফাৰুক আখতাৰ, আব্দুল হাই আহমেদ, কোকৰাঝাৰ জিলা সাহিত্য সভাৰ সভাপতি শ্বৰীফ হুছেইন, সম্পাদক শৰৎ ডেকা, চিৰাং জিলা সাহিত্য উপ-সভাপতি অতুল চন্দ্ৰ ৰায়, জিলা প্ৰতিনিধি সুভাষ মজুমদাৰ।

# বৰপেটাৰোডত ৰবীন্দ্ৰ নৃত্য আৰু ৰবীন্দ্ৰ সংগীত প্ৰতিযোগিতা

**ই-সংবাদ, বৰপেটাৰোড, ২০এপ্ৰিলঃ** আজি বৰপেটাৰোডৰ শংকৰদেৱ শিশু নিকেতনত পুৱা ১০ বজাৰ পৰা কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬৪ সংখ্যক জন্ম-জয়ন্তী উপলক্ষে ৰাজ্যজুৰি ৰবীন্দ্ৰ নৃত্য আৰু ৰবীন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। তিনিটা শাখাত অনুষ্ঠিত ৰবীন্দ্ৰ সংগীত প্ৰতিযোগিতাত বৰপেটা জিলাৰ বিভিন্ন স্থানৰ দুই শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। ইয়াৰে প্ৰথম, দ্বিতীয় আৰু তৃতীয় বিজয়ীসকলে ১০ আৰু ১১ মে'ত গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত হ'বলগীয়া অসম ভিত্তিত প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব বুলি জিলা সমন্বয়ক সমীৰ চক্ৰৱৰ্তীয়ে জানিবলৈ দিয়ে। আজিৰ অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সমাজ সেৱক জিতেন নাথে, কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰতিচ্ছবিত মাল্য প্ৰদান কৰে বৰপেটাৰোড শাখা সাহিত্য সভাৰ সভাপতি অৰূপ বায়নে, সভাত উপস্থিত থাকে বৰপেটাৰোড প্ৰেছ ক্লাবৰ সম্পাদক অলকেশ বায়ন, সাংবাদিক অঞ্জনজ্যোতি নাথ, প্ৰবোধ চক্ৰৱৰ্তী, গণেশ সাহা।

# হোজাই জিলাত পঞ্চায়ত নিৰ্বাচনৰ তৎপৰতা

**ই-সংবাদ, মোৰাঝাৰ, ২০ এপ্ৰিলঃ** সুকলমে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসন সাজু হৈ উঠিছে। হোজাই জিলাত আগন্তুক পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে জিলাখনৰ জিলা পৰিষদৰ সদস্য আৰু আঞ্চলিক পঞ্চায়ত সদস্যসকলৰ সৈতে এখন পৰ্যালোচনা সভা অনুষ্ঠিত কৰে। হোজাই জিলাত দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া আগন্তুক পঞ্চায়ত নিৰ্বাচনত তিনিটা বিধানসভা সমষ্টিত সৰ্বমুঠ ৩৭ জনে মনোনয়ন-পত্ৰ দাখিল কৰিছিল। ইয়াৰ ভিতৰত এজনে উঠাই লোৱাত ৩৬ খন মনোনয়ন-পত্ৰ বৈধ আৰু ইতিমধ্যেই কাকী জিপিচিৰ প্ৰাৰ্থীগৰাকীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয় সাব্যস্ত কৰিছে। হোজাই জিলাৰ তিনিটা বিধানসভা সমষ্টিৰ আঞ্চলিক পঞ্চায়তৰ সদস্য ২৩৭ জনে মনোনয়ন-পত্ৰ দাখিল কৰিছিল। তাৰ ভিতৰত ১৯৫ জন বৈধ আৰু বাকীখিনিয়ে মনোনয়ন-পত্ৰ উঠাই লৈছে বুলি জিলা আয়ুক্তই সদৰী কৰে। লগতে জিলাখনত ৱাৰ্ড সদস্য ১৯১৯ জনে মনোনয়ন-পত্ৰ দাখিল কৰিছিল আৰু সৰ্বশেষত ১৮৬৯ খন মনোনয়ন-পত্ৰ বৈধ। বাকী কেইজনে মনোনয়ন-পত্ৰ প্ৰত্যাহাৰ কৰে। জিলাখনত নিৰ্বাচনক লৈ ৰাইজক সজাগ কৰাৰ লগতে ৰাজনৈতিক দল, নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলৰ লগত সভা অনুষ্ঠিত কৰা হৈছে। মডেল কৰ্ট অৱ কণ্ডাক্ট সন্দৰ্ভত প্ৰাৰ্থীসকলে কি কি নিয়ম পালন কৰিব লাগে, কোন প্ৰাৰ্থীয়ে কিমান টকা খৰচ কৰিব সেই বিষয়ে জিলা আয়ুক্ত আৰু নিৰ্বাচনী পৰ্যবেক্ষকে বুজাই দিয়ে। ইতিমধ্যে জিলাখনত পঞ্চায়ত নিৰ্বাচনৰ বাবে দায়িত্ব দিয়া নিৰ্বাচনৰ পৰ্যবেক্ষক দুজনে ইতিমধ্যে পলিং ষ্টেচনসমূহ চোৰাচিতা কৰাৰ লগতে সকলো কাম আগবঢ়াই নিছে। জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে শুকুৰবাৰে বিয়লি জিলাৰ সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰত জিলাখনৰ সকলো প্ৰাৰ্থীক লৈ অনুষ্ঠিত বৈঠকত মিলিত হৈ নিৰ্দেশনাসমূহ দাঙি ধৰে।

# আমবাৰী শ্ৰীশ্ৰী দুধকোঁৱৰ দেৱালয়ত উদুলি মুদুলি পৰিৱেশ

**ই-সংবাদ, ধূপধৰা, ২০ এপ্ৰিলঃ** আন বছৰৰ দৰে এইবেলিও ৰঙালী বিহু উপলক্ষে গোৱালপাৰা জিলাৰ ধূপধৰাৰ সমীপৰ আমবাৰী গাঁৱৰ ইতিহাসপ্ৰসিদ্ধ শ্ৰীশ্ৰী দুধকোঁৱৰ দেৱালয়ত ১৪ এপ্ৰিলৰ পৰা সাতদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত পূজা আৰু মেলাৰ আজি সামৰণি পৰে। আমবাৰী গাঁও উন্নয়ন সমিতিৰ উদ্যোগত পৰম্পৰাগতভাৱে চলি অহা এই পূজা আৰু মেলাৰ আটাইকেইটা দিনত অগণন ভক্তপ্ৰাণ ৰাইজে ভিৰ কৰে আৰু এক উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয়। কাৰ্যসূচী অনুসৰি ১৪ এপ্ৰিলৰ দিনা পুৱা পতাকা উত্তোলনৰ পিছতে বিগ্ৰহত পূজা আৰম্ভ হয় আৰু বন্তি প্ৰজ্বলনেৰে দৰ্শনাৰ্থীৰ বাবে বিগ্ৰহ দৰ্শনৰ প্ৰৱেশ দ্বাৰ মুকলি কৰা হয় । পুৱা ন বজাত গছপুলি ৰোপণ কৰা হয়। ১৫ এপ্ৰিলৰ পুৱা পূজা আৰম্ভ আৰু বিগ্ৰহ দৰ্শনৰ পিছত দুধকোঁৱৰ দেৱালয়ত ভাগৱত পাঠ কৰা হয়। বিয়লি সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে অৱসৰী পশু চিকিৎসা বিভাগৰ ক্ষেত্ৰ সহায়ক লক্ষীকান্ত ৰায়ে। ইয়াৰ পিছত মেলাথলীত আমন্ত্ৰিত কণ্ঠশিল্পীয়ে সংগীতানুষ্ঠান পৰিৱেশন কৰে। আন দিনকেইটাতো পুৱাৰ পৰা পূজা আৰম্ভ হোৱাৰ পিছত দুধকোঁৱৰ দেৱালয়ত মহিলাসকলে নাম-কীৰ্তন পৰিৱেশন কৰে। ইয়াৰ উপৰি সাংস্কৃতিক অনুষ্ঠান, একক-দলীয় নৃত্য প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়। একেদৰে একক-দলীয় নৃত্য প্ৰতিযোগিতা আৰু স্থানীয় শিল্পীয়ে গীত পৰিৱেশন কৰে। আনহাতে ১৮ এপ্ৰিলৰ আবেলি সুঁৱৰি উৎসৱৰ পিছতে আমন্ত্ৰিত নাম দলে নাম প্ৰদৰ্শন কৰে আৰু সন্ধিয়া সাত বজাত নাগাৰা নাম পৰিৱেশন কৰা হয়। ১৯ এপ্ৰিলৰ আবেলি আমন্ত্ৰিত বিভিন্ন বিহু হুঁচৰি দলৰ বিহু হুঁচৰি প্ৰদৰ্শনৰ লগতে স্থানীয় বিহু নৃত্য প্ৰদৰ্শনৰ পিছত আমন্ত্ৰিত নৃত্য শিল্পীয়ে নৃত্য পৰিৱেশন কৰে। ইফালে আজি অন্তিম দিনা পুৱা পূজা আৰম্ভৰ পিছত আবেলি শ্ৰীশ্ৰী মহাদেৱ বিগ্ৰহত পুৰুষ-মহিলাৰ লগতে নাম-প্ৰসংগ, আমন্ত্ৰিত বিহু হুঁচৰি দলৰ বিহু হুঁচৰি প্ৰদৰ্শন কৰে।

## শংকৰদেৱ সংঘৰ নিষ্ঠাৱান কৰ্মীৰ মৃত্যুত শোক প্ৰস্তাৱ লৈ মৃতকৰ আবাসত সংঘৰ ভক্তবৃন্দ

**ই-সংবাদ, কামপুৰ, ২০ এপ্ৰিলঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সেৱক, সমাজকৰ্মী নিৰঞ্জন বৰাৰ মৃত্যুত ৰামধেনু গোষ্ঠীৰ সদস্য, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সেৱক, সমাজকৰ্মী নিৰঞ্জন বৰাৰ বাসগৃহত আজি এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। ১৩ এপ্ৰিলত আকস্মিকভাৱে ইহলীলা সম্বৰণ কৰা ধৰ্মপৰায়ণ ব্যক্তি মেধি দেউৰী নিৰঞ্জন বৰাৰ আত্মাৰ সদগতি কামনা কৰাৰ উদ্দেশ্যে অনুষ্ঠিত ৰামধেনু গোষ্ঠীৰ শোক সভাখনত সভাপতিত্ব কৰে গোষ্ঠীৰ সভাপতি তথা কামপুৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সভাৰাম মজুমদাৰে। গোষ্ঠীৰ সম্পাদক তথা শিক্ষক প্ৰদ্যুম্ন বৰাই উদ্দেশ্য ব্যাখ্যাত সমাজকৰ্মী নিৰঞ্জন বৰাই জীৱিত কালত সমাজৰ হিতৰ বাবে তেওঁ কৰি যোৱা কৰ্মৰাশিৰ গুণানুকীৰ্তন কৰাৰ লগতে সমাজে এগৰাকী ভাল, কৰ্মদক্ষ সমাজসেৱকক হেৰুৱালে বুলি মন্তব্য কৰে সম্পাদকগৰাকীয়ে। শোক সভাখনত অংশগ্ৰহণ কৰি গোষ্ঠীৰ উপ-সভাপতি ধীৰেন নাথ আৰু ভদ্ৰকান্ত বৰাই ধৰ্মপ্ৰাণ ব্যক্তিগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি কয় যে তেওঁৰ দৰে এজন ব্যক্তি অতি কম সময়ৰ ভিতৰতে সকলোৰে প্ৰিয়ভাজন হোৱাটো আমাৰ সমাজৰ বাবে এটা শুভ বাৰ্তা। যাৰ বাবে আজি আমি সকলো একগোট হৈ তেওঁক স্মৰণ কৰাৰ সুবিধা পাইছোঁ। জ্যেষ্ঠ সাংবাদিক সভাৰাম মজুমদাৰে নিৰঞ্জন বৰাৰ মৃত্যুত ৰামধেনু গোষ্ঠীৰ অপূৰণীয় ক্ষতি হ'ল বুলি শোক প্ৰকাশ কৰে। প্ৰাক্তন ছাত্ৰ সন্থা সমন্বয়ৰক্ষী সমিতিৰ সভাপতি অমিয় বৰা, বৈকুণ্ঠগামী নিৰঞ্জন বৰাৰ ভাতৃ তথা জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ যুৱ নেতা সত্য বৰা, প্ৰশান্ত বৰা, সমাজসেৱিকা মণি লস্কৰ, বিউটি লস্কৰ আৰু অঞ্চলটোৰ ৰাইজৰ উপস্থিত থাকে।

## মাধৱপাৰা জিলা পৰিষদ সমষ্টিৰ কংগ্ৰেছ দলৰ মুখ্য কাৰ্যালয় মুকলি

**ই-সংবাদ, কামপুৰ, ২০ এপ্ৰিলঃ** আজি ৰহা বিধানসভা সমষ্টিৰ মাধৱপাৰা জিলা পৰিষদ সমষ্টিৰ পাঁচটা পঞ্চায়তৰ বাবে কংগ্ৰেছ দলে কচুৱাৰ তিনিআলি বজাৰত নিৰ্বাচনৰ বাবে মুখ্য কাৰ্যালয় মুকলি কৰে। পাখিমুৰীয়া ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি হেমন্ত দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা নিৰ্বাচনী সভাখনৰ উদ্দেশ্যে ব্যাখ্যা আৰু আদৰণী পৰ্বৰ আঁত ধৰে ক্ৰমে খুকন আৰু দুলাল দেৱনাথে। নিৰ্বাচনী কাৰ্যালয়টো মুকলি কৰি মাধৱপাৰা জিলা পৰিষদ সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী আব্দুল জব্বাৰে শাসকীয় বিজেপি দলটোৱে সংখ্যালঘু জনগণৰ বিপৰীতে কৰি অহা কাৰ্যৰ ওপৰত বক্তব্য দাঙি ধৰি ক্ষুৰধাৰ সমালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে নানা আঁচনিৰ শ্ল'গান দি মূৰকত পাভলুটি মৰা আৰু ৰাজ্যৰ ভেঞ্চাৰ শিক্ষানুষ্ঠান প্ৰাদেশীকৰণৰ নামত কেৱল চৰম ভেঁকো-ভাওনা কৰা বুলি উল্লেখ কৰি বিজেপি দলৰ ভয়-ভাবুকিত হতাশ নহৈ ধৰ নিৰপেক্ষ কংগ্ৰেছ দলৰ প্ৰাৰ্থীসকলক পঞ্চায়ত নিৰ্বাচনত জয়যুক্ত কৰিবলৈ আব্দুল জব্বাৰে আহ্বান জনায়। প্ৰায় তিনি শতাধিক ৰাইজ উপস্থিত থাকে সভাখনত।

# ৰাজকদমতল শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, নলবাৰী, ২০ এপ্ৰিলঃ** নলবাৰীৰ ঐতিহাসিক ৰাজকদমতল-পাণ্ডাৰথানত আজি ৰাজকদমতল শাখা সাহিত্য সভাৰ ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱস দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। পুৱা ১০ বজাত পতাকা উত্তোলন কৰে শাখা সাহিত্য সভাৰ সভাপতি ৰমেশ মেধিয়ে। তাৰ পিছতে ৰাজকদমতল শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি সঞ্জীৱ বৰুৱাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে ৰাজকদমতল সন্ধা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কনক চন্দ্ৰ তালুকদাৰে। প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে গোৰেশ্বৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বীৰেন ভট্টাচাৰ্যই। ভাষণ প্ৰসংগত ভট্টাচাৰ্যই কয় যে অসম সাহিত্য সভাই বৰ্তমানে এক নতুন গতি লাভ কৰিছে। বিশিষ্ট অতিথি হিচাপে যোগদান কৰে লেখক দিলীপ শৰ্মাই। সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে যোগদান কৰি লেখক সুভাষ বৰ্মনে কয় যে শাখা সাহিত্য সভাই স্থানীয়ভাৱে সাহিত্যৰ পৰিৱেশ এটা গঢ়ি তুলিব পাৰে। ভাষণ প্ৰসংগত বৰ্মনে শাখা সাহিত্য সভাৰ উদ্যোগত বিদ্যালয় পৰ্যায়ত সাহিত্যৰ অনুষ্ঠান আয়োজন কৰিবলৈ আহ্বান জনায়। নলবাৰী জিলা সাহিত্য সভাৰ প্ৰকাশন সমিতিৰ আহ্বায়ক মইনুল হক চৌধুৰী সভাত উপস্থিত থাকি কেতবোৰ গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। ৰমেশ মেধিৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ আঁত ধৰে শাখা সাহিত্য সভাৰ সম্পাদক লোহিত চন্দ্ৰ বৰ্মনে। এই সভাত লেখক কেশৱ শৰ্মা, হৰেন বৰ্মন, মুকুল শৰ্মা, বিপুল তালুকদাৰ, সুৰেন ৰাজবংশী, ক্ষিতিন দাস, অভিজিৎ বৰ্মন, জয় চন্দ্ৰ মেধি, ভৰেশ তালুকদাৰ, ৰাতুল চন্দ্ৰ বৰ্মন, বিকাশ বৰ্মন, মানসজ্যোতি বৰ্মনকে ধৰি অনেক গণ্য-মান্য লোক উপস্থিত থাকে। সভাৰ আৰম্ভণিতে নিৰঞ্জন দাস আৰু প্ৰতুল ৰাজবংশীৰ নেতৃত্বত চিৰ চেনেহী মোৰ ভাষা জননী গীতটি পৰিৱেশন কৰে ৰূপম সংগীত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে।

# বকলীয়াঘাটৰ সমাজ সেৱক তথা সাংস্কৃতিকপ্ৰেমী ব্ৰজেন ৰাজবংশী আৰু নাই

**ই-সংবাদ, হাওৰাঘাট, ২০ এপ্ৰিলঃ** পাহাৰীয়া জিলা কাৰ্বি আংলং বকলীয়াঘাটৰ হগলাকটা গাঁৱৰ এগৰাকী সমাজ সেৱক তথা সাংস্কৃতিকপ্ৰেমী ব্ৰজেন ৰাজবংশীৰ ৯৩ বছৰ বয়সত ১৮ এপ্ৰিলত পৰলোক প্ৰাপ্তি ঘটে। বকলীয়াঘাটৰ সাংবাদিক জ্যোতিপৰ্ণ ৰাজবংশীৰ ককাক ব্ৰজেন ৰাজবংশী গাঁওখনৰ ভিতৰতে জ্যেষ্ঠ আৰু সজ পৰামৰ্শদাতা আছিল। বিভিন্ন অনুষ্ঠানসমূহত ওতপ্ৰোতভাৱে জড়িত থকাৰ লগতে অঞ্চলটোৰ সকলোৰে মৰমৰ জনপ্ৰিয় ব্যক্তি আছিল প্ৰয়াত ব্ৰজেন ৰাজবংশী। তেওঁ ৰজাপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষকতা কৰাৰ সময়ত অসম চৰকাৰৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী প্ৰয়াত চুম ৰংহাং তেওঁৰ আন এগৰাকী প্ৰিয় ছাত্ৰ আছিল বুলি গম পোৱা যায়। হগলাকটা গাঁৱত প্ৰথম বিদ্যালয় নিৰ্মাণ কৰাৰ লগতে বকলীয়াঘাটত তেওঁ যথেষ্ঠ অৰিহণা যোগাই আহিছিল। তেওঁৰ এনে মৃত্যুত সমগ্ৰ অঞ্চলটোৰ লগতে বকলীয়াঘাটত পৰে শোকৰ ছাঁ।

# মোৰাঝাৰত অজাপৰ নিৰ্বাচনী কাৰ্যালয় মুকলি

**ই-সংবাদ, মোৰাঝাৰ, ২০ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচন উপলক্ষে শাসকীয় দলৰ লগতে প্ৰতিটো বিৰোধী ৰাজনৈতিক দলে নিজৰ নিজৰ দলীয় প্ৰচাৰ কাৰ্য আৰম্ভ কৰা পৰিলক্ষিত হৈছে। ইয়াৰ সমান্তৰালকৈ আজি অসম জাতীয় পৰিষদৰ মোৰাঝাৰ জিলা পৰিষদৰ প্ৰাৰ্থী খালিদা বেগমৰ মোৰাঝাৰ বজাৰত নিৰ্বাচনী কাৰ্যালয় মুকলি উপলক্ষে আজি সন্ধিয়াৰ পিছত প্ৰথমখন নিৰ্বাচনী কাৰ্যালয়ৰ শুভ উদ্বোধন কৰা হয়। এই উপলক্ষে এখন নিৰ্বাচনী সভা অনুষ্ঠিত হয়। অজাপৰ জিলা সম্পাদক মিনহাজ আহমেদে আঁত ধৰা সভাত মোৰাজাৰ জিলা পৰিষদৰ প্ৰাৰ্থী খালিদা বেগমে ভাষণ প্ৰসংগত ৰাইজৰ উন্নয়নৰ হকে কাম কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। লগতে কয় ৰাজনীতি আমাৰ উপাৰ্জনৰ উৎস নহয়, মই জয়ী হলে ৰাইজৰ আঁচনিৰ টকা আত্মসাৎ নকৰো। আমাৰ চলিব পৰা সামৰ্থ্য আছে। গতিকে আমি দুৰ্নীতি নকৰো। সভাত অজাপৰ কেন্দ্ৰীয় মুখপাত্ৰ তথা প্ৰাক্তন সাংবাদিক জিয়াউৰ ৰহমানে বিজেপি, কংগ্ৰেছ আৰু এআইইউডিএফ দলক ভাষণ প্ৰসংগত তীব্ৰ সমালোচনা কৰা পৰিলক্ষিত হয় । উল্লেখ্য যে পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি বিভিন্ন ৰাজনৈতিক দল আৰু প্ৰাৰ্থীয়ে নিৰ্বাচন প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। অজাপৰ কেন্দ্ৰীয় সম্পাদক তথা মুখপাত্ৰ জিয়াউৰ ৰহমান মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰাৰ লগতে মোৰাঝাৰ জিলা পৰিষদৰ প্ৰাৰ্থী খালিদা বেগম আৰু বুৰুংগা পঞ্চায়তৰ আঞ্চলিক সদস্যা পদৰ প্ৰাৰ্থী ৰুমানা বেগমে ভাষণ প্ৰদান কৰি ৰাইজৰ পৰা সহায়-সহযোগিতা বিচাৰে। সভাত অজাপৰ জিলা সভাপতি লুতফুৰ ৰহমান, বিন্নাকান্দি সমষ্টি কমিটীৰ সভাপতি শ্বাহনৱাজ মনজুৰ হুছেইন, মনচুৰ আলম, পাৰভেজ আহমেদকে ধৰি অন্যান্যসকল উপস্থিত থাকে। সভাত প্ৰায় দুই শতাধিক লোক উপস্থিত থাকে। উক্ত সভাত দলৰ দলৰ মুখপাত্ৰ ৰহমানে কংগ্ৰেছ-বিজেপিক ক্ষুৰধাৰ সমালোচনা কৰাৰ লগতে দলীয় প্ৰাৰ্থীৰ হৈ ভোট দিয়াৰ বাবে ৰাইজক আহব্বান জনায়।

## ডিব্ৰুগড়ত উজনিৰ প্ৰথমখন মঞ্চ বিহুৰ সফল সামৰণি

**ই-সংবাদ, ডিব্ৰুগড়, ২০ এপ্ৰিলঃ** প্ৰতি বছৰৰ দৰে এইবছৰো উজনিৰ প্ৰথমখন মঞ্চ বিহু ঐতিহমণ্ডিত "ডিব্ৰুগড় ৰঙালী বিহু" তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। উৎসৱটি বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা আৰু পৰম্পৰাগত বিভিন্ন ধৰণৰ খেল-ধেমালি আৰু সাংস্কৃতিক কাৰ্যসূচীৰে বৰলুইতৰ পাৰৰ বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয় (পূৰ্বৰ জৰ্জ ইন্সটিটিউচন) খেলপথাৰত উদযাপন কৰা হয়। প্ৰথমদিনাৰ কাৰ্যসূচীত পুৱাৰ ভাগত উদযাপন সমিতিৰ সভাপতি অনিল দুৱৰাই বিহু পতাকা উত্তোলন কৰাৰ লগে লগে বনগীতৰ সম্ৰাট উপাধি প্ৰাপক পদ্ম দাসৰ নেতৃত্বত অমৰাগুৰি গাঁৱৰ যুৱতী আৰু মহিলাসকলে পতাকা উত্তোলনৰ গীত "শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে উছৱৰ মধু আলোড়ন" শীৰ্ষক গীতটি সমস্বৰে পৰিৱেশন কৰে। জেচিম আহমেদে আঁত ধৰা অনুষ্ঠানটিত বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কৰে সমাজকৰ্মী অশোক দাসে। ইয়াৰ লগে লগে স্মৃতি তৰ্পণস্থলীৰ কাষতে থকা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ আৱক্ষ মূৰ্তিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰি ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰই উপস্থিত ৰাইজক হেঁপাহৰ ৰঙালী বিহুৰ শুভেচ্ছা জনাই তিনিদিনীয়া কাৰ্যসূচী সৰ্বাংগসুন্দৰকৈ অনুষ্ঠিত কৰিবলৈ উদযাপন সমিতিক আহ্বান জনায়। বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰয়াত টংকেশ্বৰ বৰুৱাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি তেওঁৰ পৰিয়ালে উছৰ্গা কৰা "টংকেশ্বৰ বৰুৱা সোঁৱৰণী মণ্ডপ" উদ্বোধন কৰি প্ৰয়াত শিক্ষাবিদগৰাকীৰ একালৰ ছাত্ৰ তথা এই বিদ্যালয়ৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ চেহিৰ আহমেদে তেওঁৰ বিষয়ে কৰ্মৰাজিৰ বিষয়ে বক্তৃতা আগবঢ়াই শ্ৰদ্ধাৰে স্মৰণ কৰে। লগতে তেওঁ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ চিৰযুগমীয়া কবিতাটি আবৃত্তি কৰি উপস্থিত ৰাইজক আপ্লুত কৰে। বিহু মঞ্চ মুকলি কৰে অসম চৰকাৰৰ শিল্পী পেঞ্চনাৰ পদ্ম দাসে। ডিব্ৰুগড় পৌৰ নিগমৰ কাউন্সিলাৰ শ্ৰৱণ কুমাৰ দাসে উদ্বোধন কৰা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযত্ৰাত লেংৱেী চাংমাই গাঁৱৰ হস্তী, বৰবৰুৱাৰ পৰা আমন্ত্ৰিত গায়ন-বায়ন, কেইবাটাও বিহুদলসহ প্ৰায় চাৰি শতাধিক লোকে অংশগ্ৰহণ কৰে। পুৱাৰ কাৰ্যসূচীত সকলোৰে লগতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে খ্যাতনামা বিহুৱা দিলীপ দাস, আঁনাতাৰ শিল্পী মিৰ্জা নিয়ামুদ্দিন আহমেদ, চি ডব্লিউ চি বিভাগৰ সহকাৰী সঞ্চালক দিলীপ বৰুৱা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী লেখনি দাস বৰুৱা, নীলাভ নয়ন বৰদলৈকে প্ৰমুখ্য কৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। উদযাপন সমিতিয়ে শোভাযাত্ৰাৰ লগত সংগতি ৰাখি ডিব্ৰুগড় বন বিভাগৰ তৰফৰ পৰা বাটে বাটে ৰাইজক গছপুলি বিতৰণ কাৰ্যসূচী পালন কৰে। ইয়াৰ পিছতে বিভিন্ন ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। নিশালৈ সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি ব্ৰজেন ভুঞাই। দ্বিতীয় নিশাৰ সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰাই ।

# পশ্চিম নলবাৰী ৭২ সংখ্যক ৰঙালী বিহু সন্মিলনত মুকলি কুইজ প্ৰতিযোগিতা

**ই-সংবাদ, নলবাৰী, ২০ এপ্ৰিলঃ** অসমৰ দ্বিতীয়খন মঞ্চ বিহু চামতাৰ পশ্চিম নলবাৰী ৰঙালী বিহু সন্মিলনৰ চামতা বালিপথাৰ বিহু বাকৰিত চাৰিদিন ধৰি চলি থকা ৭২ সংখ্যক ৰঙালী বিহু সন্মিলনৰ আজিৰ চতুৰ্থ তথা শেষৰ দিনটোত বিহু মঞ্চত অনুষ্ঠিত হয় দ্বিতীয় বাৰ্ষিক নিভা ভট্টাচাৰ্য সোঁৱৰণী মুকলি কুইজ আৰু লিখিত কুইজ প্ৰতিযোগিতা। কুইজ প্ৰতিযোগিতাখন উদ্বোধন কৰে অসম চলচ্চিত্ৰ উন্নয়ন আৰু বিত্তীয় নিগমৰ উপাধ্যক্ষ আলেখ্য বৰুৱাই। বিশিষ্ট সাংস্কৃতিক কৰ্মী গিৰিন্দ্ৰ দাস আৰু প্ৰয়াত নিভা ভট্টাচাৰ্যৰ স্বামী, চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ সম্পাক বিকাশ ভট্টাচাৰ্যই আঁত ধৰা অনুষ্ঠানত নিভা ভট্টাচাৰ্যৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ভাৰতীয় তেল নিগমৰ অৱসৰপ্ৰাপ্ত প্ৰবন্ধক অজিত হালৈ, মঞ্চ আৰু ধাৰাবাহিকৰ সুদৰ্শন অভিনেতা সুকুমাৰ বৰ্মন আৰু সাহিত্য অকাদেমিৰ যুৱ সাহিত্যিক বঁটা প্ৰাপক বিজয়শংকৰ বৰ্মনে। পুষ্পাঞ্জলি প্ৰদান কৰে চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বলেন কুমাৰ গোস্বামী, চামতা আঞ্চলিক সাহিত্য সভাৰ সভাপতি এম হাচান আলী, মোহময়ী অভিনেত্ৰী হিমা প্ৰীতি, ৭২ সংখ্যক পশ্চিম নলবাৰী ৰঙালী বিহু সন্মিলনৰ সভাপতি যতীন শৰ্মা, কাৰ্যকৰী সভাপতি পৰেশ চক্ৰৱৰ্তী, সাংস্কৃতিক বিভাগৰ আহ্বায়ক ৰমণী বৰ্মন, চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ কাৰ্যকৰী সভাপতি অপূৰ্ব বৰ্মন, সহকাৰী সম্পাদক কুলেশ তালুকদাৰ, চামতা ছোৱালী হাইস্কুল অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অনিমেষ চৌধুৰী, নলবাৰী প্ৰেছ ক্লাবৰ সভাপতি জিতেন শৰ্মা, পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ উপদেষ্টা ৰাজেন বৈশ্য, নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ নেতা সুভাষ কলিতা, সুভাষ সাউদ, প্ৰশান্ত নাৰায়ণ চৌধুৰী, অমল কুমাৰ দাসে। দশম শ্ৰেণীলৈ হোৱা লিখিত কুইজ প্ৰতিযোগিতাখন পৰিচালনা কৰে কুইজ মাষ্টৰ সোণমণি দাসে। মুকলি কুইজ প্ৰতিযোগিতাখন পৰিচালনা কৰে কুইজ মাষ্টৰ দীপাংকৰ কৌশিকে। লিখিত কুইজ প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে জ্যোতিদীপা পৰাশৰ, পিনাক মিশ্ৰই। দ্বিতীয় পুৰস্কাৰ লাভ কৰে হিমাংশু ডেকা, সৃষ্টিশ্ৰেয়ম বৈশ্যই। তৃতীয় পুৰস্কাৰ লাভ কৰে অৰ্ণৱ হৃষিকেষনে। চতুৰ্থ পুৰস্কাৰ লাভ কৰে জিজ্ঞাসা বৰ্মন, হীৰকজ্যোতি তামুলীয়ে। পঞ্চম পুৰস্কাৰ লাভ কৰে চহিদুল ইছলাম, নেকিবুৰ জামানে। মুকলি কুইজ প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে মড়দুল ৰাম কলিতা, দিলীপ কুমাৰ শৰ্মাই। দ্বিতীয় পুৰস্কাৰ লাভ কৰে ৰুবুল কলিতা, ভূপাল শৰ্মাই। তৃতীয় পুৰস্কাৰ লাভ কৰে বিশ্বজিৎ শৰ্মা, বিজিত দাসে। দৰ্শক কুইজত শ্ৰেষ্ঠ দৰ্শকৰ বঁটা লাভ কৰে মণ্ডলদৈৰ চিৰঞ্জীৱ দত্তই। আনহাতে কালি নিশা অনুষ্ঠিত হোৱা মুকলি বিহু প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে মঘাই বিহুৱা দ'ল নুনমাটিয়ে। দ্বিতীয় পুৰস্কাৰ লাভ কৰে ভাস্কৰজ্যোতি বিহুৱা দ'ল হাৰিভাঙাই আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে বেলশৰ আঞ্চলিক ক্ৰীড়া সংঘ বিহুৱা দলে।

# উত্তৰ নলবাৰী মণ্ডল বিজেপিৰ পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি বিশেষ সাংগঠনিক সভা

**ই-সংবাদ, ২০ এপ্ৰিলঃ** দেওবাৰে সমাগত পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি উত্তৰ নলবাৰী মণ্ডল, বিজেপিৰ এখন বিশেষ সাংগঠনিক সভা অনুষ্ঠিত হয়। উক্ত সভাত কেইবা শতাধিক মণ্ডলটোৰ কাৰ্যকৰ্তা, বিভিন্ন স্তৰৰ নেতা-বিষয়ববীয়া, আগন্তুক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া জিলা পৰিষদ, আঞ্চলিক পঞ্চায়তকে ধৰি ৱাৰ্ড সদস্যৰ প্ৰাৰ্থী উপস্থিত থাকে। সভাত উপস্থিত থাকি স্থানীয় বিধায়ক তথা মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই পঞ্চায়ত নিৰ্বাচনৰ ৰণদুন্দুভি বজাই কাৰ্যকৰ্তাক মাৰ্গদৰ্শন কৰে। নলবাৰী সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই ভাৰতীয় জনতা পাৰ্টীয়ে "বিকাশ নীতি"ৰ' আধাৰত পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে বুলি কয়। তেওঁ কয় যে তৃণমূল পৰ্যায়ত সংগঠনৰ মূল শক্তি নিহিত থাকে। গ্ৰামাঞ্চলৰ উন্নয়নেই প্ৰাথমিকতা বুলি উল্লেখ কৰি সমাজৰ শেষৰজন ব্যক্তিলৈ চৰকাৰৰ প্ৰতিখন আঁচনি তথা প্ৰতিটো বিকাশমুখী পদক্ষেপৰ সুফল লাভ কৰি আহিছে আৰু লাভ কৰি থাকিব বুলি তেওঁ দোহাৰে। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা ভাৰতীয় জনতা পাৰ্টীৰ প্ৰতিগৰাকী সদস্যই নিষ্ঠাসহকাৰে এই নীতি সন্মুখত ৰাখি ৰাইজৰ কাষ চাপিবলৈ তেওঁ



মাৰ্গদৰ্শন কৰে। তদুপৰি তেওঁ দৃঢ়তাৰে উল্লেখ কৰে যে পূৰ্বৰ নিৰ্বাচনৰ তুলনাতো অধিকতম ভোটেৰে প্ৰতিগৰাকী প্ৰাৰ্থীয়ে বিজয় লাভ কৰিব। সভাত উপস্থিত থাকি জিলা সভাপতি জয়ন্ত কুমাৰ বুজৰবৰুৱাই প্ৰতিগৰাকী প্ৰাৰ্থীক ৰাইজৰ মানুহ হ'বলৈ আহ্বান জনায়। তেওঁ কয় যে কেৱল বিজয় নহয় বিকাশ নীতিক আধাৰ কৰি আগবাঢ়ি নিৰংকুশ বিজয় ভাজপাৰ লক্ষ্য। কাৰ্যক্ৰমত উপস্থিত থাকি নলবাৰী জিলা পঞ্চায়ত নিৰ্বাচনৰ ৰাজ্যিক সহঃপ্ৰভাৰী ডঃ জুৰি শৰ্মা বৰদলৈয়ে প্ৰতিগৰাকী কাৰ্যকৰ্তাক ঐক্যবদ্ধভাৱে আগবাঢ়িবলৈ আহ্বান জনায়। কাৰ্যক্ৰমত উত্তৰ নলবাৰী মণ্ডল বিজেপিৰ সভাপতি নন্দলাল সৰকাৰ, জিলা বিজেপিৰ মহিলা মৰ্চাৰ সভানেত্ৰী মাধৱী ৰাজবংশী উপস্থিত থাকি প্ৰাৰ্থীসকলক সম্ভাষণ জনায় আৰু কাৰ্যকৰ্তাক সম্বোধন কৰে।

# গোলকগঞ্জত হাত কেৰেয়া খুলি চোৰৰ পলায়ন

**ই-সংবাদ, গোলকগঞ্জ, ২০ এপ্রিলঃ** ধুবুৰী জিলাৰ গোলকগঞ্জত আজি দুপৰীয়া আৰক্ষীৰ হাতৰ পৰা হাত-কেৰেয়া খুলি পলায়ন কৰা গভাইত চোৰ সুদীৰ্ঘ চেষ্টাৰ ফলত পুনৰ আটক কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰে। জানিব পৰা মতে, শুকুৰবাৰে দুপৰীয়া গোলকগঞ্জৰ নান্দিনীপাৰত স্থানীয় ৰাইজে খেদি খেদি আটক কৰে টোকৰেৰছৰা প্ৰথম খণ্ড গাঁৱৰ ৰাজু মণ্ডল নামৰ এজন গভাইত চোৰক। অৱশ্যে পলায়ন কৰিবলৈ সক্ষম হয় একে গাঁৱৰে হাছেন আলী মণ্ডল নামৰ আন এজন চোৰ। আটকাধীন চোৰজনৰ পৰা দমকল, ৰড, মটৰকে ধৰি উদ্ধাৰ হয় বহু চুৰি সামগ্ৰী। ৰাইজে চোৰটোক গতাই দিয়ে গোলকগঞ্জ আৰক্ষীক। বিয়লি ৰাইজে নিজাববীয়াকৈ অভিযান চলাই আটক কৰে পলাতক চোৰ হাছেন আলী মণ্ডলক। আৰক্ষীয়ে শনিবাৰে দুয়োকে আদালতত হাজিৰ কৰি তদন্তৰ বাবে পুনৰ নিজৰ জিম্মাত আনে। আজি স্বাস্থ্য পৰীক্ষাৰ বাবে দুয়োকে লৈ গৈছিল গোলকগঞ্জ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত। ছেগ বুজি হাছানে হাত কেৰেয়া খুলি পলায়ন কৰে গোলকগঞ্জ ৰে'ল ষ্টেচনৰ দিশত। স্থানীয় ৰাইজ আৰু আৰক্ষীৰ মাজত ইয়াক কেন্দ্ৰ কৰি হুৱাদুৱা লাগে। ৰে'ল ষ্টেচনৰ কাষৰ ঘন জংঘল আৰক্ষী আৰু ৰাইজে ঘেৰি ধৰি চোৰৰ সন্ধান আৰম্ভ কৰে। এক শ্বাসৰুদ্ধকৰ পৰিস্থিতিৰ সৃষ্টি হয়। ৰাইজে চোৰৰ সন্ধান উলিওৱাৰ বাবে জংঘলত জুই লগাই দিয়ে। জুইৰ তাপ সহিব নোৱাৰি ওলাই দৌৰিব ধৰোঁতে আৰক্ষীয়ে আটক কৰে।

# পথৰুঘাট-দুনী জিলা পৰিষদ সমষ্টিত বিজেপি প্ৰাৰ্থী ৰূপালী দেৱীৰ মাৰাথন প্ৰচাৰ

**ই-সংবাদ, পশ্চিম দৰং, ২০ এপ্রিলঃ** ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে দৰং জিলাৰ ছিপাঝাৰ সমষ্টিতো পঞ্চায়ত নিৰ্বাচনৰ গৰম বতাহ বলিবলৈ ধৰিছে। ছিপাঝাৰৰ চাৰি জিলা পৰিষদ সমষ্টিৰ ৪ নং পথৰুঘাট-দুনী জিলা পৰিষদ সমষ্টিত ভাৰতীয় জনতা পাৰ্টি আৰু অসম গণ পৰিষদ দলৰ মিত্ৰজোঁটৰ মনোনীত প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱা ৰূপালী দেৱীয়ে জিলা পৰিষদ সমষ্টিটোত নিজৰ প্ৰচাৰ অভিযান জোৰদাৰ কৰি তুলিছে। আজিৰ দিনটোত কেইবাঠাইত দলীয় সংগীসকলক লগত লৈ প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি ইয়াৰ চেঙেলীয়াঝাৰ দুৰ্গা মন্দিৰৰ সমীপত বহুসংখ্যক দলীয় কৰ্মী, শুভাকাংক্ষী আৰু সৰ্বসাধাৰণ ভোটাৰ ৰাইজৰ উপস্থিতিত উল্লিখিত জিলা পৰিষদ সমষ্টিটোৰ বিজেপিৰ প্ৰাৰ্থী ৰূপালী দেৱীয়ে নিজৰ বক্তব্যত কয় যে তেওঁ নিৰ্বাচিত হ'লে ৰাইজৰ লগত থাকি উন্নয়নৰ কাম কৰিব। ৰাইজেই তেওঁৰ বাবে সৰ্বোচ্চ বুলি উল্লেখ কৰি প্ৰতিনিধি হ'লে তেওঁ সম বিকাশ-সম উন্নয়ন ধাৰাৰে ৰাইজৰ সমস্যা সমাধান কৰিবলৈ বদ্ধপৰিকৰ বুলি প্ৰকাশ কৰে। পথৰুঘাট মণ্ডলৰ মহিলা নেত্ৰী হৰিত্ৰা দেৱীয়ে আঁত ধৰা সভাত জিলা সমষ্টিৰ প্ৰাৰ্থী ৰূপালী দেৱীয়ে ছিপাঝাৰৰ উন্নয়নত স্থানীয় সাংসদ আৰু বিধায়কে ৰাইজৰ লগত থাকি সদায়ে ৰাইজৰ উন্নয়নৰ হকে কাম কৰাৰ দৰে তেৰোঁ ৰাইজৰ লগত থাকি ৰাইজৰ কাম কৰাৰ দৃঢ়তা প্ৰকাশ কৰি ৭ মে'ত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনত সকলোৱে পদুম ফুলৰ প্ৰতীকত বহুমূলীয়া ভোট দি ৰাইজৰ সেৱা কৰাৰ মনত যি ইচ্ছা সেই ইচ্ছা ৰাইজে পূৰণ কৰাৰ আশা কৰি সকলোলৈকে ধন্যবাদ আৰু সেৱা জনায়। সভাত ৰাইজৰ ফালৰ পৰা এগৰাকী সচেতন ব্যক্তিয়ে কয় যে প্ৰতিনিধি হিচাপে নিৰ্বাচিত হ'লে স্বৰাজোত্তৰ ৭৮ বছৰে চেঙেলীয়াঝাৰ অঞ্চলৰ দুৰদুৰীয়া নামৰ গাঁওখন চাৰিখন বাঁহৰ দলঙৰ মাজত আজিও আবদ্ধ হৈ আছে। তেওঁ যেন গাঁওখনৰ বাঁহৰ দলং আৰু পথসমূহৰ কথা এবাৰলৈ হ'লেও চিন্তা কৰে। তদুপৰি সৰ্বসাধাৰণ লোকসকলে কিবা দৰকাৰী কথা অথবা কামত কেতিয়াবা ফোন কৰিলে যেন অন্ততঃ ফোনটো দাঙি কি ক'ব বিচাৰিছে তাক শুনাৰ যেন চেষ্টা কৰে তাৰ বাবে অনুৰোধ জনায়। প্ৰাৰ্থীগৰাকীয়ে ৰাইজৰ মানুহ হিচাপে কোনো ব্যক্তি, ৰাইজৰ কথা শুনাটো প্ৰতিনিধিৰ দায়িত্ব ধৰি ল'ব আৰু তেওঁক ৰাইজৰ মাজৰে এজন হিচাপে সকলোৱে পাব বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়।

# দক্ষিণ জাজৰিত ৰঙালীৰ বসন্ত উৎসৱ

**ই-সংবাদ, বেবেজীয়া, ২০ এপ্রিলঃ** অসমীয়াৰ বাপতিসাহোন ব'হাগ বিহুৰ লগত সংগতি ৰাখি নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৱৰ্তী দক্ষিণ জাজৰিত ৰঙালীৰ বসন্ত উৎসৱ অনুষ্ঠানটো শনিবাৰে বেছ ওলহ-মালহেৰে উদযাপন কৰা হয়। দক্ষিণ জাজৰি সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানটি পহিলা ব'হাগৰ পৰা অঞ্চলটোৰ ল'ৰা-ছোৱালী, ডেকা-গাভৰু, পুৰুষ-মহিলা একত্ৰিত হৈ বিভিন্ন থলুৱা খেল-ধেমালি অনুষ্ঠিত কৰাৰ অন্তত শনিবাৰে সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সেই অনুসৰি বিয়লিৰ ভাগত ভেশচন প্ৰতিযোগিতাৰ পিছতে সাংস্কৃতিক মঞ্চ আৰু মুকলি বিহু উদ্বোধন কৰে নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি থগিত মহন্তই। মঞ্চ উদ্বোধনৰ পিছত সেই মঞ্চতে দক্ষিণ জাজৰি অঞ্চলৰ সাতগৰাকী সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা টুম্পা হীৰা, লিপিকা হীৰা, ৰিদিছা তামুলী, কৌস্তভ বৰদলৈ, ভাস্বতী দাস, গগনজ্যোতি হীৰা আৰু ৰিশিতা বৰদলৈক অভিনন্দন জনোৱা হয়। তাৰ পিছতে ইতিপূৰ্বে হৈ যোৱা ক্ৰীড়া প্ৰতিযোগীতাসমূহৰ বঁটা বিতৰণী অনুষ্ঠান সম্পন্ন হয়। সাংবাদিক ৰাহুল দেৱ বৰদলৈয়ে পৰিচালনা কৰা অভিনন্দন অনুষ্ঠানত অঞ্চলৰ বিশিষ্ট ব্যক্তি হেমচন্দ্ৰ তামুলী, দক্ষিণ জাজৰি সাংস্কৃতিক গোষ্ঠীৰ প্ৰতিষ্ঠাপক অনন্ত বৰদলৈ, সাৰ্বজনীন শ্ৰীমন্ত শংকৰ মন্দিৰৰ সভাপতি মহেন্দ্ৰ মহন্ত, নামঘৰীয়া কনক চন্দ্ৰ বৰদলৈ, আনন্দ বৰদলৈ, গোষ্ঠীৰ বৰ্তমানৰ সভাপতি প্ৰবীন চন্দ্ৰ বৰদলৈ আৰু জাজৰি প্ৰেছ ক্লাবৰ সভাপতি জয়ন্ত মুদৈক বিহুৱানেৰে ওলগ জনোৱা হয়।

# ৰঙিয়াৰ আৰিমত্ত-বৈদ্যগড় গাঁও পঞ্চায়তত বিজেপি দলৰ চাৰিখনকৈ নিৰ্বাচনী সভা



**ই-সংবাদ, ৰঙিয়া, ২০ এপ্রিলঃ** ৰঙিয়াৰ আৰিমত্ত-বৈদ্যগড় গাঁও পঞ্চায়তত বিজেপি দলৰ উদ্যোগত আজি চাৰিখনকৈ নিৰ্বাচনী সভা অনুষ্ঠিত কৰা হয়। ১৭ নং পাণ্ডুৰী জিলা পৰিষদৰ বিজেপি দলৰ মনোনীত প্ৰাৰ্থী নিপন ভুঞাৰ সমৰ্থনত অনুষ্ঠিত কৰা হয় উক্ত সভা। দলটোৰ বৰলীয়া ব্লক মণ্ডলৰ উদ্যোগত স্থানীয় বালাগাঁও-দলৈগাঁও চ'ক, হাচানটুক, তুলসীবাৰী পলিয়েষ্টাৰ চ'ক আৰু ৰাজহুৱা শ্ৰী শ্ৰী দুৰ্গা মন্দিৰ প্ৰাংগণত ধাৰাবাহিকভাৱে অনুষ্ঠিত কৰা হয় নিৰ্বাচনী প্ৰচাৰ সভা। সভাত স্থানীয় বিধায়ক তথা বিজেপি দলৰ প্ৰাক্তন সভাপতি ভবেশ কলিতাই অংশগ্ৰহণ কৰি নিপন ভুঞাৰ সমৰ্থনত ভাষণ ৰাখে। ভাষণ প্ৰসংগত কংগ্ৰেছ দলক ক্ষুৰধাৰ সমালোচনা কৰে বিধায়ক ভবেশ কলিতাই। বিজেপি দল নেতৃত্বাধীন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে গ্ৰহণ কৰা উন্নয়নমূলক আঁচনিৰ জৰিয়তে ৰাজ্যবাসীৰ অকুণ্ঠ সমৰ্থন লাভ কৰিবলৈ সক্ষম হোৱাৰ আশা প্ৰকাশ কৰে বিধায়কগৰাকীয়ে। সভাত ৰঙিয়া পৌৰসভাৰ পৌৰপতি অমৰেন্দ্ৰ লহকৰ, উপ-পৌৰপতি বিদ্যুৎ ডেকাৰ লগতে সুবল পাল, সুকুমাৰ লহকৰ, নবেন তালুকদাৰ, লিটন কলিতা, বলেন শীল জ্যেষ্ঠ নেতৃবৃন্দয়ো অংশগ্ৰহণ কৰে। একেখন মঞ্চতে ১৭ নং পাণ্ডুৰী জিলা পৰিষদৰ সদস্য পদৰ প্ৰাৰ্থী নিপন ভুঞা, আঞ্চলিক পঞ্চায়ত সদস্য পদৰ প্ৰাৰ্থী অচ্যুত লহকৰ, আৰিমত্ত-বৈদ্যগড় গাঁও পঞ্চায়তৰ সদস্য পদত মনোনীত ৰামেশ্বৰ কলিতা প্ৰমুখ্যে প্ৰাৰ্থীসকলে সমবেত ভোটাৰ ৰাইজক ভোট প্ৰদানেৰে বিজয়ী কৰিবলৈ আহ্বান জনায়। সভাত কংগ্ৰেছকে ধৰি বিভিন্ন দলৰ পৰা ভালেসংখ্যক নেতা-কৰ্মীয়ে আনুষ্ঠানিকভাৱে বিজেপি দলত যোগদান কৰে।

# কুৰুৱাত ৩৬ সংখ্যক লুইতপৰীয়া বিহু সন্মিলন

**ই-সংবাদ, দুমুনিচকী, ২০ এপ্ৰিলঃ** এতিয়া বিহুৰ বতৰ। ৰাজ্যৰ চৌদিশে সকলোৱে ব্যস্ত বিহুক লৈ। ঢোল-পেঁপাৰ মাতত ৰজনজনাইছে ৰাজ্যৰ চৌদিশ। বিভিন্ন ঠাইত পালন কৰা হৈছে ৰঙালী বিহু। ইয়াৰ ব্যতিক্ৰম নহয় ১৯৯০ চনত স্থাপিত দৰং জিলাৰ কুৰুৱাস্থিত (জাহাজঘাট) ৩৬ সংখ্যক লুইতপৰীয়া বিহু সন্মিলন । শ্ৰীশ্ৰী শংকৰদেৱ নামঘৰ খেলপথাৰত শুকুৰবাৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয় বিহু সন্মিলন। শনিবাৰে অন্যান্য অনুষ্ঠানৰ লগতে সন্ধিয়া বিভিন্ন প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পিছত স্থানীয় শিল্পীসকলৰ গীত-মাত পৰিবেশনৰ লগতে বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। নিশা আমন্ত্ৰিত জনপ্ৰিয় শিল্পী বৰ্ণালী কলিতা, মনোজ হালৈৰ গীতৰ অনুষ্ঠানেৰে অনুষ্ঠানৰ সামৰণি পৰে। ইফালে যিসকল ব্যক্তি তথা আঞ্চলিক ৰাইজে গঠনমূলক দিহা-পৰামৰ্শ তথা সহায়-সহযোগিতাৰে বিহু অনুষ্ঠান সাফল্যমণ্ডিত হ'ল সদৌটিলৈকে ৩৬ সংখ্যক লুইতপৰীয়া বিহু সন্মিলন উদযাপন সমিতিৰ সভাপতি মুকুট দাস আৰু মিন্টু হাজৰিকাই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছে।




শ্ৰীভূমিত অসম বিজেপিৰ সভাপতি দিলীপ শইকীয়াক উষ্ম আদৰণি, ফটো দেওবাৰৰ

# ধুবুৰী জিলাত ৫৬ জন ৱাৰ্ড সদস্যৰ বিনা প্ৰতিদ্বন্দ্বিতাত জয়লাভ

**ই-সংবাদ, গোলকগঞ্জ, ২০ এপ্ৰিলঃ** আগন্তুক পঞ্চায়ত নিৰ্বাচনত ধুবুৰী জিলাৰ মুঠ ৫৬ গৰাকী ৱাৰ্ড সদস্য বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰে। জিলা তথ্য আৰু জনসংযোগ বিভাগে আজি সদৰী কৰা মতে জিলা খনত ৪৪১৫ গৰাকী প্ৰাৰ্থীয়ে ৱাৰ্ড সদস্য পদত মনোনয়ন দাখিল কৰে। ইয়াৰে ৪৬ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বাতিল হয়, ৩৬৮ গৰাকীয়ে স্বইচ্ছাই মনোনয়ন প্ৰত্যাহাৰ কৰে। ৫৬ গৰাকী প্ৰাৰ্থী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰে গোলকগঞ্জ সম জিলা এলেকাত ৮ গৰাকী সদস্যই বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰে। বৰ্তমান মুঠ ৪০০১ গৰাকী ৱাৰ্ড সদস্যৰ প্ৰাৰ্থীৰ বিপৰীতে ৩৯৪৫ গৰাকী প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হব বুলি জানিব পৰা গৈছে।

# ৰঙিয়াৰ খৈৰাবাৰীৰ ৰাজহুৱা পুখুৰীত মৃতদেহ উদ্ধাৰক লৈ চাঞ্চল্য

**ই-সংবাদ, ৰঙিয়া, ২০ এপ্ৰিলঃ** ৰঙিয়াৰ খৈৰাবাৰীস্থিত ৰাজহুৱা পুখুৰী এটাত আজি পুৱাৰ ভাগত স্থানীয় লোক এজনৰ মৃতদেহ উদ্ধাৰক লৈ তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। যোৱানিশাৰে পৰা সন্ধানহীন হৈ থকা কিশোৰ শৰ্মা নামৰ লোকজনৰ মৃতদেহ উদ্ধাৰ হয় পুখুৰীটোত। পুৱাৰ ভাগত পুখুৰীটোৰ পাৰত লোকজনৰ মোবাইল ফোন প্ৰত্যক্ষ কৰি প্ৰত্যক্ষদৰ্শীয়ে সন্ধানহীন লোকজন পুখুৰীৰ পানীত পৰা বুলি সন্দেহ কৰে। লগে লগে এছ ডি আৰ এফ বাহিনীৰ লোকক খবৰ দিয়াত ঘটনাস্থলীত উপস্থিত হৈ তৎপৰতাৰে পুখুৰীটোৰ পৰা উদ্ধাৰ কৰে কিশোৰ শৰ্মাৰ মৃতদেহ। উদ্ধাৰকৃত মৃতদেহটো আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে।

# নলবাৰী মেটছ পইণ্টত শিক্ষাৰ্থীৰ সৈতে মত বিনিময় কনিষ্ঠ গৱেষকৰ

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২০ এপ্ৰিলঃ** নলবাৰী চ'ক বজাৰ এলেকাত অৱস্থিত বিশিষ্ট সমাজকৰ্মী, কৃতী অধ্যাপক অসীমজ্যোতি কলিতাৰ তত্ত্বাৱধানত চালিত মেটছ পইণ্ট নামৰ বৌদ্ধিক মহলত চৰ্চিত শিক্ষা কেন্দ্ৰটোত আজি দিনৰ ভাগত ছাত্ৰ-ছাত্ৰীৰ স'তে মত বিনিময় সম্পৰ্কীয় এক গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত বিশিষ্ট নাট্য শিল্পী, সমাজকৰ্মী গিৰীন্দ্ৰ দাসে ছাত্ৰ-ছাত্ৰীসকলৰ সমাজ আৰু বৌদ্ধিক চিন্তা-চেতনা তথা অধ্যয়নৰ আগ্ৰহ কিদৰে বৃদ্ধি পায় সেই সন্দৰ্ভত ভালেমান উদাহৰণ দাঙি ধৰি সাবলীল বক্তৃতা প্ৰদান কৰে। সভাত ইণ্টাৰ-ইউনিভাৰ্ছিটি চেণ্টাৰ ফৰ এসষ্ট্ৰ'লজী এণ্ড এষ্ট্ৰ'ফিজিক্স শিক্ষানুষ্ঠানৰ কনিষ্ঠ গৱেষক নীলাক্ষ বৰ্মনে অংক, ৰসায়ন আৰু পদাৰ্থ বিজ্ঞান শিক্ষণ পদ্ধতিৰ ওপৰত ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। সভাত জ্যেষ্ঠ সাংবাদিক মনোজ শৰ্মাক সম্বৰ্ধনা জনোৱা হয়।

## নায়েৰ আলগা হাজীপাৰা এম ই স্কুলক হাইস্কুললৈ উন্নীত কৰাৰ দাবী

**ই-সংবাদ, বিলাসীপাৰা, ২০ এপ্ৰিলঃ** বিলাসীপাৰা সম জিলাৰ অন্তৰ্গত নায়েৰ আলগা গাঁও পঞ্চায়তৰ নায়েৰ আলগা হাজীপাৰাৰ পুৰণা মজলীয়া বিদ্যালয়খন হাইস্কুললৈ উন্নীত কৰাৰ লক্ষ্যৰে কালি হাজীপাৰা শান্তি বজাৰত অভিভাৱকসকলৰ লগতে স্থানীয় ৰাইজৰ বিশাল গণ সমাবেশ অনুষ্ঠিত হৈ যায়। সভা পৰিচালনা কৰে স্থানীয় শিক্ষক আশ্ৰাব আলীয়ে। উদ্দেশ্য ব্যাখ্যা কৰে শিক্ষক আমিৰচান মণ্ডলে। উল্লেখ্য যে নায়েৰ আলগা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ লগতে প্ৰাথমিক মজলীয়া বিদ্যালয়ৰ সংযোগ হোৱাত বিদ্যালয়ত শিক্ষাৰ্থীৰ উপস্থিত তথা প্ৰতি বছৰে শিক্ষাৰ্থীৰ সংখ্যা অতিকৈ বৃদ্ধি পোৱাত অসুবিধাৰ সৃষ্টি হৈছে। শিক্ষকৰ সংখ্যা হ্ৰাস পোৱাত পাঠদান আৰু পৰিচালনা কৰাত অতিকৈ সমস্যাৰ সৃষ্টি হৈছে। মায়াৰ চৰ, বলিৰচৰ, ঘুনীমাৰী, গুটিপাৰা আদি ঠাইতে হাইস্কুল প্ৰতিষ্ঠা হৈছে যদিও এলেকাটোত শিক্ষাৰ্থীৰ সংখ্যা অতিকৈ বৃদ্ধি পাইছে। গৃহ আৰু শিক্ষকৰ অভাৱত অধিকসংখ্যক শিক্ষাৰ্থীয়ে ভাল ফল লাভ কৰিবলৈ সক্ষম হোৱা নাই। আনকি বহু মেধাৱী শিক্ষাৰ্থীয়ে অধিক নম্বৰ লৈ আন ঠাইৰ দৰে প্ৰতিযোগিতা কৰিব পৰা নাই। ভাল অভিযন্তা, চিকিৎসক, অসামৰিক পৰীক্ষাত ভাল ফলাফল দেখুৱাব পৰা নাই। সেয়ে হাজীপাৰা মজলীয়া বিদ্যালয়খন হাইস্কুললৈ উন্নীত কৰিলে প্ৰায় ৩০ খনকৈ গাঁৱৰ দুখীয়া মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে নিশ্চিতভাৱে শিক্ষাত ভাল ফলাফল দেখুৱাব পাৰিব। নায়েৰ আলগা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কাষতেই ছিনিয়ৰ মাদ্ৰাছা হাইস্কুল হৈছে। উক্ত হাইস্কুলখন যদি হাজীপাৰাৰ লগত সংযোগ কৰা যায় তেনেহ'লে বহু ছাত্ৰ-ছাত্ৰীৰ উপকাৰ হ'ব বুলি সচেতন ৰাইজে মত পোষণ কৰে। উক্ত বিদ্যালয় প্ৰাংগণত কালি দাবী সমিতিয়ে এখন সভা আহবান কৰে। সভাত নায়েৰ আলগা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আলী আকবৰ, সাহজাহান আলী, জয়নাল আবেদিন, আমীৰ চান মণ্ডলে শিক্ষাৰ দ্ৰুত উন্নতিৰ বাবে শিক্ষামন্ত্ৰীৰ ওচৰত হাইস্কুলৰ আহবান জনায়। বিলাসীপাৰা প্ৰাথমিক শিক্ষা বিষয়াক লিখিতভাৱে আবেদন দাখিল কৰিছে। সভাৰ শেষত ৰাইজে হাইস্কুল দিয়ক, ৰাইজৰ দাবী মানিবই লাগিব বুলি সমস্বৰে শ্লোগান দি আকাশ-বতাহ কঁপাই তোলে। কেইবাহাজাৰ লোকৰ গণস্বাক্ষৰ লোৱা হয়। উক্ত গণস্বাক্ষৰসম্বলিত আবেদন শিক্ষামন্ত্ৰীলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# খাৰুপেটীয়াত মেট্ৰিকত উত্তীৰ্ণ ছাত্ৰী-ছাত্ৰীক সম্বৰ্ধনা এম্বিশ্বন ক্লাবৰ

**ই-সংবাদ, খাৰুপেটীয়া, ২০ এপ্ৰিলঃ** দৰঙৰ খাৰুপেটীয়াত সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ ছাত্ৰী-ছাত্ৰীক আজি সম্বৰ্ধনা জ্ঞাপন কৰে এম্বিশ্বন ক্লাবে। তদুপলক্ষে খাৰুপেটীয়াৰ তপোবন এম ই স্কুল প্ৰেক্ষাগৃহত এম্বিশ্বন ক্লাবৰ সভাপতি অভিজিৎ সাহাৰ সভাপতিত্বত অনুষ্ঠিত সভাত খাৰুপেটীয়া নগৰৰ ৩ নং ৱাৰ্ডৰ পৰা ২০২৫ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা ২০গৰাকীকৈ ছাত্ৰী-ছাত্ৰীক আজি ফুলাম গামোচা, মানপত্ৰ, মিঠাইৰ টোপোলা আদিৰে সম্বৰ্ধনাজ্ঞাপন কৰে খাৰুপেটীয়াৰ নেতাজী নগৰৰ এম্বিশ্বন ক্লাবৰ বিষয়ববীয়াসকলে। সম্বৰ্ধনা অনুষ্ঠানটোত খাৰুপেটীয়া পৌৰসভাৰ কাৰ্যবাহী বিষয়া অংকিতা শৰ্মা, প্ৰাক্তন দৰং জিলা বিজেপিৰ সভাপতি অমেৰেন্দ্ৰ শৰ্মা, খাৰুপেটীয়া থানা পৰিচালনা সমিতিৰ সভাপতি কৃষ্ণ সাহা, ৩ নং ৱাৰ্ডৰ ৱাৰ্ড কমিছনাৰ ৰশ্মি দাস সাহা আদি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক দেশ তথা সমাজৰ হকে আগুৱাই যাবলৈ তথা অনাগত দিনত অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিবলৈ আহ্বান জনায়। উক্ত অনুষ্ঠানটোত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰঙালী বিহু আৰু অসমীয়া নৱবৰ্ষৰ শুভেচ্ছাৰ চিনস্বৰূপে আগবঢ়োৱা ফুলাম গামোচা কেইবাজনো বিশিষ্ট ব্যক্তিক প্ৰদান কৰে ৱাৰ্ড কমিছনাৰ ৰশ্মি দাস সাহাই। অনুষ্ঠানটোত শতাধিক ছাত্ৰ-ছাত্ৰী, অভিভাৱক উপস্থিত থাকে।

# ধুবুৰীত অসম সাহিত্য সভাৰ মন জুৰুৱা অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, ২০ এপ্ৰিলঃ** অসম সাহিত্য সভা এক অবিৰত শোভাযাত্ৰা; এই শোভাযাত্ৰাই সকলো সমালোচনাক সন্মানসহকাৰে অতিক্ৰম কৰি যোগাত্মক পথেৰে আগুৱাইছে। অসমীয়া ভাষা-সাহিত্য-কৃষ্টি-সংস্কৃতি সংৰক্ষণ আৰু সংবৰ্ধনেই সভাৰ মূল উদ্দেশ্য। অসম সাহিত্য সভাৰ তৃতীয় সেতুবন্ধ যাত্ৰাৰ তৃতীয় দিনাৰ কাৰ্যসূচী অনুসৰি আজি ধুবুৰীত মন জুৰুৱা অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই এইদৰে কয়। অসম সাহিত্য সভাৰ ধুবুৰী আঞ্চলিক কাৰ্যালয়ত ধুবুৰী জিলা সাহিত্য সভাৰ সভাপতি আনোৱাৰ হুছেইনৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাই বিশেষ আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰি কয় যে সভাখনক শক্তিশালী কৰাৰ দায়িত্ব আমি প্ৰত্যেকেই ল'ব লাগিব, পশ্চিম অসমৰ লগতে ধুবুৰীৰ প্ৰতিখন গাঁও, চৰ-চাপৰিত আমি অসম সাহিত্য সভাৰ ধ্বজা গৌৰৱেৰে উত্তোলন কৰিব লাগিব। ধুবুৰী জিলা সাহিত্য সভাৰ সম্পাদক আব্দুছ চালামে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত অসম সাহিত্যসভাৰ অনুবাদ প্ৰকল্পৰ সঞ্চালক হৃদয়ানন্দ গগৈ, ধুবুৰী আঞ্চলিক কাৰ্যালয়ৰ সাংগঠনিক সম্পাদক ধৰ্মেশ্বৰ দাস, স্থায়ী বিত্তীয় নিধিৰ আহ্বায়ক গোবিন্দ কলিতা, কেন্দ্ৰীয় প্ৰচাৰ আহ্বায়ক শংকুসিদ্ধ নাথ, গোৱালপাৰা জিলা সাহিত্য সভাৰ সভাপতি জয়চন্দ্ৰ নাথ, সম্পাদক শিৱপ্ৰসাদ ৰাভা হাদু, প্ৰাক্তন সভাপতি বাণীকান্ত ৰাভা, প্ৰাক্তন জিলা সম্পাদক জিতুমণি দাস, জিলা কাৰ্যনিৰ্বাহক সদস্য ডাঃ ফাৰুক আখতাৰ, আব্দুল হাই আহমেদ, কোকৰাঝাৰ জিলা সাহিত্য সভাৰ সভাপতি শ্বৰীফ হুছেইন, সম্পাদক শৰৎ ডেকা, চিৰাং জিলা সাহিত্য উপ-সভাপতি অতুল চন্দ্ৰ ৰায়, জিলা প্ৰতিনিধি সুভাষ মজুমদাৰ, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য হেৰম্ব কলিতা, ধুবুৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতিদ্বয় লুৎফুৰ ৰহমান, গিয়াছুদ্দিন আহমেদ, উপ-সভাপতি খাদেম আলী, প্ৰাক্তন উপ-সভাপতি অহিদ খান, প্ৰাক্তন সম্পাদক বিনয় কুমাৰ নাথ, ধুবুৰী আঞ্চলিক কাৰ্যালয়ৰ সম্পাদকদ্বয় হবিবৰৰহমান, হেমেন চক্ৰৱৰ্তী, ধুবুৰী সাহিত্য সভাৰ সভাপতি উদয়নচক্ৰৱৰ্তী, গদাধৰ কবি চক্ৰৰ সভাপতি সৰ্বেশ্বৰ বৰ কলিতা, সত্ৰ মহাসভা ধুবুৰী জিলাৰ সভাপতি ৰঞ্জিত কুমাৰ ঘোষে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। আজি দিনৰ ২ বজাৰ পৰা অনুষ্ঠিত সভাখনত ধুবুৰী, গোৱালপাৰা, কোকৰাঝাৰ জিলাৰ অন্তৰ্গত শাখা সাহিত্য সভাসমূহৰ বহুসংখ্যক বিষয়ববীয়া, দল-সংগঠন-ব্যক্তিবিশেষে উপস্থিত থাকি অসম সাহিত্য সভাৰ উপ-সভাপতি আৰু প্ৰধান সম্পাদকক বিশেষ সম্বৰ্ধনা জনায়। অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি পাচুগোপাল চক্ৰৱৰ্তীক 'সীমান্ত প্ৰহৰী' সন্মান প্ৰদান কৰাৰ লগতে ধুবুৰী আঞ্চলিক কাৰ্যালয়ৰ নৱমনোনীত সম্পাদক ড০ উমেশ দাস, সাংগঠনিক সম্পাদক ধৰ্মেশ্বৰ দাসক আনুষ্ঠানিকভাৱে দায়িত্ব অৰ্পণ কৰা সভাখন চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে আৰম্ভ আৰু জাতীয় সংগীত পৰিৱেশনেৰে সামৰণি ঘটে।

# পুৰণা জামুগুৰিত স্বাস্থ্য শিবিৰঃ উচ্চ ৰক্তচাপ আৰু বহুমূত্ৰ ৰোগৰ পৰীক্ষা আৰু সজাগতাৰ প্ৰয়াস

**ই-সংবাদ, ঢেকীয়াজুলি, ২০ এপ্ৰিলঃ** ঢেকীয়াজুলি সমষ্টিৰ অন্তৰ্গত পুৰণা জামুগুৰিত আজি এখন গুৰুত্বপূৰ্ণ স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়। ভাৰতীয় কায়া চিকিৎসক সংস্থা (আই এম এ), তেজপুৰ শাখাৰ উদ্যোগত আৰু ভট্টাচাৰ্য চাহ বাগিচাৰ সহযোগত এই শিবিৰৰ মূল উদ্দেশ্য আছিল উচ্চ ৰক্তচাপ আৰু বহুমূত্ৰ ৰোগৰ চিনাক্তকৰণৰ লগতে ৰাইজৰ মাজত এই ৰোগ সম্পৰ্কীয় সজাগতা সৃষ্টি কৰা। পুৱা ১০ বজাৰ পৰা আৰম্ভ হোৱা এই শিবিৰ দিনটোৰ ভিতৰত শ শ ৰাইজৰ উপস্থিতিৰে সমৃদ্ধ হৈ পৰে। শিবিৰত উন্নত মানৰ পৰীক্ষাৰ সুবিধাৰ লগতে বিনামূলীয়া ঔষধ বিতৰণৰ ব্যৱস্থা কৰা হয়। বিশেষজ্ঞ চিকিৎসকৰ এটা দলৰ নিৰলস প্ৰচেষ্টাৰ ফলত শিবিৰটো সফল আৰু ফলপ্ৰসূ হৈ পৰে। চিকিৎসকৰ দলটোত আছিল ড° দ্বিজেন দাস, ড° দিপ্তীৰেখা বৰুৱা, ড° ভৱানী ভুঞা, ড° পীযুষ আগৰৱালা, ড° হৰ্ষণ জৌড়, ড° ৰোহিত মুণ্ডিল্য, ড° ঐশ্বৰ্য এম আদিৰ লগতে মুঠ ১৪ গৰাকী বিশিষ্ট চিকিৎসক। তেওঁলোকৰ পৰামৰ্শ আৰু পৰীক্ষাৰ জৰিয়তে শিবিৰত অংশগ্ৰহণ কৰা ৰাইজে নিজৰ স্বাস্থ্যৰ অৱস্থাৰ বিষয়ে সঠিক তথ্য লাভ কৰিবলৈ সক্ষম হয়। শিবিৰৰ আৰম্ভণিতে আয়োজক সমিতিৰ পৰা এগৰাকী প্ৰতিনিধিয়ে উপস্থিত ৰাইজক এই উদ্যোগৰ গুৰুত্বৰ বিষয়ে অৱগত কৰে। তেওঁ কয় যে উচ্চ ৰক্তচাপ আৰু বহুমূত্ৰৰ দৰে ৰোগে গ্ৰামাঞ্চলৰ জনসাধাৰণৰ স্বাস্থ্যৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলায়। সময়মতে চিনাক্তকৰণ আৰু সঠিক চিকিৎসাৰ অভাৱত এই ৰোগবোৰে জটিল ৰূপ ধাৰণ কৰিব পাৰে। সেয়েহে এনে শিবিৰৰজৰিয়তে ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ লগতে স্বাস্থ্য পৰীক্ষাৰ সুবিধা প্ৰদান কৰাটো অতি জৰুৰী। শিবিৰত অংশগ্ৰহণ কৰা ৰাইজৰ মাজত সৰু-বৰ সকলো বয়সৰ লোকৰ উপস্থিতি লক্ষ্য কৰা যায়। বহুতৰে বাবে এই শিবিৰ আছিল নিজৰ স্বাস্থ্যৰ অৱস্থা জানিবলৈ এক সুবৰ্ণ সুযোগ। এগৰাকী স্থানীয় বাসিন্দা কবিতা দেৱীয়ে কয়, "আমাৰ দৰে গাঁৱৰ মানুহৰ বাবে এনে শিবিৰ অতি উপকাৰী। ডাক্তৰৰ পৰামৰ্শ আৰু বিনামূলীয়া ঔষধ পাই আমি সঁচাকৈয়ে উপকৃত হৈছো।" আন এগৰাকী অংশগ্ৰহণকাৰী মহিলাই জনায় যে তেওঁ দীৰ্ঘদিন ধৰি উচ্চ ৰক্তচাপত ভুগি আছিল, কিন্তু শিবিৰৰ জৰিয়তে তেওঁ সঠিক পৰামৰ্শ আৰু ঔষধ লাভ কৰিছে।




সৰ্ব ভাৰতীয় সাংবাদিক সন্থাৰ কোকৰাঝাৰ জিলা সমিতিৰ শপত গ্ৰহণ, কোকৰাঝাৰত দেওবাৰে

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

## জাতীয়তাবাদী নেতা গৌৰীশংকৰ

মাখিপাৰা নিবাসী গৌৰীশংকৰ ৰাভাৰ আজি পুৱতি নিশা বাৰ্ধক্যজনিত কাৰণত নিজ বাসভৱনত মৃত্যু হয়। তেওঁৰ মৃত্যুত সমগ্ৰ দুধনৈ অঞ্চলত শোকৰ ছাঁ পৰাৰ লগতে তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে গুণমুগ্ধ লোকেৰে প্ৰয়াত ৰাভাৰ বাসভৱন ভৰি পৰে। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচিত অন্তৰ্ভুক্তিৰে ৰাভা হাছং অঞ্চলৰ ৰাভা জনগোষ্ঠীৰ লগতে আন জাতি-জনগোষ্ঠীৰ সুৰক্ষা, নিৰাপত্তা, খিলঞ্জীয়াৰ ভাষা, কৃষ্টি, সংস্কৃতিৰ বিকাশ সাধন কৰি সামাজিক, শৈক্ষিক, অৰ্থনৈতিক, ৰাজনৈতিক অগ্ৰগতিৰ উদ্দেশ্য আগত লৈ ২০০৩ চনৰ ৭ আৰু ৮ জুনত দুধনৈ মহাবিদ্যালয়ত অনুষ্ঠিত ৰাজনৈতিক অভিৱৰ্তনত গঠিত ষষ্ঠ অনুসূচী দাবী সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি ষষ্ঠ অনুসূচীৰ সংগ্ৰামক ১২ বছৰ ধৰি আপোচহীনভাৱে সন্মুখৰ পৰা নেতৃত্ব প্ৰদান কৰিছিল প্ৰয়াত গৌৰীশংকৰ ৰাভাই। ৰাভা জাতীয় সংগ্ৰামক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত তেওঁৰ অৰিহণা উল্লেখনীয়। প্ৰয়াত গৌৰীশংকৰ ৰাভাই ৰাভা জাতীয় সংগ্ৰামক নেতৃত্ব বহন কৰাৰ উপৰি দামৰা ডনবস্কো বিদ্যালয়ত শিক্ষকতাৰ দায়িত্বও পালন কৰিছিল। গৌৰী শংকৰ ৰাভাৰ মৃতদেহ লৈ আজি দুধনৈস্থিত ষষ্ঠ অনুসূচী দাবী সমিতিৰ মুখ্য কাৰ্যালয়লৈ লৈ অহাৰ পিছত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। আনহাতে ষষ্ঠ অনুসূচী দাবী সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি হিচাপে দহ বছৰৰো অধিক কাল কাৰ্যনিৰ্বাহ কৰি যোৱা প্ৰয়াত গৌৰীশংকৰ ৰাভাই ৰাভা জাতীয় সংগ্ৰামত প্ৰাণ আঁহুতি দিয়া ৰাভা বীৰ শ্বহীদসকলৰ স্মৃতি ৰক্ষাৰ্থে দুধনৈৰ নিকটৱৰ্তী শ্বহীদ নগৰীত দান দিয়া ভূমিত গৌৰীশংকৰ ৰাভাৰ স্মৃতি যুগমীয়া কৰি ৰাখিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব বুলিও সংবাদ মাধ্যমৰ আগত কয় ৰাভা হাছং প্ৰধান টংকেশ্বৰ ৰাভাই। ষষ্ঠ অনুসূচী দাবী সমিতিৰ কাৰ্যালয়ত নিখিল ৰাভা ছাত্ৰ সন্থা (আৰছু), নিখিল ৰাভা মহিলা পৰিষদ, ষষ্ঠ অনুসূচী দাবী সমিতিৰ নেতা-কৰ্মীসকলেও শেষ শ্ৰদ্ধা নিবেদন কৰে। গৌৰীশংকৰ ৰাভাই মৃত্যুৰ সময়ত পত্নী, দুই পুত্ৰ, বোৱাৰী, এগৰাকী জীয়ৰী, জোঁৱাই, নাতি-নাতিনীক এৰি যায়। আনহাতে অসংখ্য গুণমুগ্ধৰ উপস্থিতিত আজি দুধনৈ ৰাজহুৱা শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

## পুৰণিগুদাম কেন্দ্ৰীয় বিহু সমিতিৰ

পৰিবেশন কৰে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীয়ে। এটাৰ পিছত এটা জনপ্ৰিয় গীত পৰিবেশন কৰি মুগ্ধ কৰে সকলোকে। প্ৰতিকূল বতৰকো নেওচি এটাৰ পিছত এটা জনপ্ৰিয় গীত পৰিবেশন কৰি গ'ল কণ্ঠশিল্পীগৰাকীয়ে। পুৰণিগুদামত গীত পৰিৱেশনৰ মাজতে পুৰণিগুদাম কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন "চম্পাৱতী" ক প্ৰশংসাৰে ওপচাই পেলাই কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীয়ে কয়, সু-শৃংখলিতভাৱে বিহু আয়োজন কৰিছে পুৰণিগুদামবাসীয়ে। লুইতকোঁৱৰ ৰুদ্ৰ বৰুৱাৰ জন্মস্থান পুৰণিগুদামত শিল্পীগৰাকীকো সুঁৱৰিলে কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীয়ে। ৰুদ্ৰ বৰুৱাৰ "পকা ধানৰ মাজে মাজে, সৰু সৰু আলি...." গীতটি পৰিবেশন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিলে কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীয়ে। ইফালে, গীতৰ মাজতে কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীয়ে অসমৰ এগৰাকী জনপ্ৰিয় শিল্পী, গীতিকাৰ দিগন্ত ভাৰতীক পূব গুৱাহাটী বিহু সন্মিলনত কৰা অপমান দুৰ্ভাগ্যজনক বুলি আখ্যা দিয়াৰ লগতে এনে কাৰ্যক ধিক্কাৰ দিয়ে। এনেধৰণৰ কাৰ্যৰ যাতে পুনৰাবৃত্তি নহয় তাৰ প্ৰতিও সকলোকে আহ্বান জনায় শিল্পীগৰাকীয়ে। ইফালে, পুৰণিগুদাম কেন্দ্ৰীয় বিহু উদযাপন সমিতিয়ে দিগন্ত ভাৰতীৰ ক্ষেত্ৰত হোৱা কাৰ্যক গৰিহণা দিয়ে আৰু পুৰণিগুদামবাসীয়ে শিল্পীৰ প্ৰতি দেখুওৱা সহযোগিতাৰ শলাগ লয় কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীয়ে। পুৰণিগুদাম কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন "চম্পাৱতী"ৰ বিহুৰ যোৱানিশা সফলতাৰে সামৰণি পৰাৰ লগতে কালি দিনৰ ভাগত মাৰথান, দৌৰ, ৰছী টনা প্ৰতিযোগিতা, টেকেলি ভঙা খেল অনুষ্ঠিত হোৱাৰ লগতে প্ৰথম দিনাৰ কাৰ্যসূচীত চিত্ৰাংকণ প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, মুকলি বিহু আদি অনুষ্ঠিত হয়। যোৱানিশা সাংস্কৃতিক অনুষ্ঠানৰ শুভ উদ্বোধন কৰে বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে আৰু অনুষ্ঠানত বিশিষ্ট অতিথি হিছাপে চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা উপস্থিত থাকে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

## কামাখ্যা মন্দিৰৰ সমীপত অজ্ঞাত

ব্যক্তিগৰাকী গুৱাহাটীৰ বাসিন্দা সুবোধ কুমাৰ সিং বুলি জানিব পৰা গৈছে। সুবোধ কুমাৰ সিঙৰ অভিযোগ অনুসৰি, তেওঁ কমাখ্যা মন্দিৰৰ পৰা মা বগলামুখী আৰু ভুবনেশ্বৰী মন্দিৰলৈ গৈ থকাৰ সময়তে প্ৰায় ১৫ জনীয়া দুৰ্বৃত্তৰ এটা দলে তেওঁক অনুসৰণ কৰি আছিল। পৰৱৰ্তী সময়ত বগলামুখী মন্দিৰৰ ওচৰত তেওঁক শাৰীৰিকভাৱে আক্ৰমণ কৰে। পাছত সুবোধ কুমাৰ সিঙে কামাখ্যা থানাত আনুষ্ঠানিকভাৱে অভিযোগ দাখিল কৰে। আৰক্ষীয়ে অভিযোগ গ্ৰহণ কৰাৰ লগে লগে তদন্ত আৰম্ভ কৰে আৰু সন্দেহযুক্ত ছজনক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা লোকসকলক পৰৱৰ্তী তদন্তৰ বাবে জলুকবাৰী থানালৈ স্থানান্তৰ কৰা হৈছে। আৰক্ষীয়ে জানিবলৈ দিয়ে যে এই ঘটনাৰ আঁৰত থকা মূল কাৰণ উন্মোচনৰ বাবে বিস্তৃত অনুসন্ধান চলি আছে আৰু বাকী অভিযুক্ত সকলক চিনাক্ত কৰাৰ প্ৰচেষ্টা চলি আছে।

# অভিষেক মেচত চমকপ্ৰদ প্ৰদৰ্শনেৰে দৰ্শকৰ হৃদয় জয় সূৰ্যবংশীৰ

**মুম্বাই, ২০ এপ্ৰিলঃ** নিজৰ অভিষেক মেচতে এক দুৰ্দান্ত প্ৰদৰ্শনেৰে ক্ৰীড়াপ্ৰেমীৰ হৃদয় জিনিবলৈ সক্ষম হ'ল বিহাৰৰ বৈভৱ সূৰ্যবংশীয়ে। মাত্ৰ ১৪ বছৰ বয়সত আইপিএল ইতিহাসৰ সৰ্বকনিষ্ঠ ক্ৰিকেটাৰ হিচাপে ৰাজস্থানৰ হৈ পেছাদাৰী ক্ৰিকেটত অভিষেক ঘটায় বৈভৱে। লক্ষ্ণৌ ছুপাৰজায়েণ্টছৰ বিৰুদ্ধে অভিষেক মেচৰ প্ৰথমটো বলতে ছিক্স কোবাই ক্ৰীড়াপ্ৰেমীৰ সন্মুখত নিজৰ 'বৈভৱ' জাহিৰ কৰে বিহাৰৰ এই কিশোৰজনে। মেচখনত ৰাজস্থান ৰয়েলছে জয়লাভ কৰিবলৈ সক্ষম নহ'লেও ২০টা বলত ৩৪ ৰানৰ এক অনবদ্য ইনিংছ খেলি নিজৰ সক্ষমতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হয় বৈভৱ সূৰ্যবংশীয়ে। অৱশ্যেই বৈভৱৰ বাবে এই কৃতিত্ব এদিনতে পোৱা স্বীকৃতি নহয়। দীৰ্ঘদিনীয়া অনুশীলন আৰু কঠোৰ অনুশাসনৰ ফল এয়া। বৈভৱে নিজৰ প্ৰিয় খাদ্য, যেনে পিজ্জা আৰু মটন সম্পূৰ্ণৰূপে ত্যাগ কৰিছে। শৈশৱৰ প্ৰশিক্ষক মানস ওঝাই কয়, "তেওঁ অতি কম বয়সৰ পৰাই ডায়েট মানি চলি আহিছে। তেওঁ আগতে খাবলৈ ভাল পোৱা সকলো বস্তু এৰি দিছে। এই ত্যাগ কাৰণ তেওঁ নিজকে এজন পেছাদাৰী খেলুৱৈ হিচাপে গঢ়ি তুলিব বিচাৰে।" মেচৰ প্ৰথম বলতে ছিক্স কোবাই বৈভৱে তেওঁৰ ক্ৰিকেট সামৰ্থ দেখুৱায়।



এই সন্দৰ্ভত প্ৰশিক্ষকে কয়, "মেচৰ আগতে তেওঁ কৈছিল, 'মই সুযোগ পালে ছয় মাৰিম।' মই তেওঁক ক'লোঁ, 'তোমাৰ খেল খেলা'। খেলপথাৰত ভৰি দিয়েই তেওঁ প্ৰমাণ কৰিলে তেওঁৰ সামৰ্থ।" লক্ষ্যণীয়ভাৱে সুন্দৰ ফৰ্মত খেলি ৩৪ ৰান খেলি আউট হোৱাৰ পিছত চকুত অশ্ৰু লৈ পেভিলিয়ন এৰে বৈভৱে। বৈভৱৰ ক্ৰিকেট প্ৰদৰ্শন সন্দৰ্ভত প্ৰশিক্ষকগৰাকীয়ে কয়, "তেওঁৰ যুৱৰাজ সিঙৰ আক্ৰমণাত্মকতা আছে। কিন্তু তেওঁ অতি আৱেগিকও। ওলাই আহি কান্দিছিল। আৰু এতিয়া তেওঁ ৰাহুল দ্ৰাবিদক ভগৱানৰ দৰে চাইছে।"



মুম্বাই ইণ্ডিয়ানছৰ ৰোহিত শৰ্মাৰ কেচ ধৰাৰ ব্যৰ্থ প্ৰয়াস চেন্নাই ছুপাৰ কিংছৰ বিজয় শংকৰৰ, দেওবাৰে

## প্ৰশিক্ষাৰ্থীৰ হাতত নিজেই ড্ৰাগছ তুলি দিয়াৰ গুৰুতৰ অভিযোগ

# ড'পিঙত উৎসাহ! নিলম্বিত দ্ৰোণাচাৰ্য্য বঁটাপ্ৰাপক প্ৰশিক্ষক

**নতুন দিল্লী, ২০ এপ্ৰিলঃ** শিক্ষাৰ্থীক পদক অৰ্জনৰ সপোন দেখুৱাৰ পূৰ্বে তেওঁলোকৰ হাতত নিষিদ্ধ ড্ৰাগছ তুলি দিলে খোদ প্ৰশিক্ষকে! দ্ৰোণাচাৰ্য্য বঁটাৰে সন্মানিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰশিক্ষকৰ এনে কৰ্মকাণ্ডই ক্ৰীড়া মহলত সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্যৰ। দুগৰাকী প্ৰশিক্ষকৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰীক ড'প খাবলৈ উচটনি দিয়াৰ বিস্ফোৰক অভিযোগ উত্থাপন হৈছে। অভিযোগ ইমানেই গুৰুতৰ যে ৰাষ্ট্ৰীয় এণ্টি ড'পিং এজেন্সীয়ে (নাডা) নিলম্বন কৰে ৰমেশ নাগপুৰী আৰু কৰমবীৰ সিং নামৰ দুই প্ৰশিক্ষকক। অভিযোগ অনুসৰি এই দুজন প্ৰশিক্ষক কেৱল ড'পিং খেলুৱৈক সক্ৰিয়ভাৱে জড়িত কৰাই নহয়, বিভিন্ন অবৈধ কাম-কাজতো সক্ৰিয়ভাৱে জড়িত আছিল। নাডাই জানিবলৈ দিয়া মতে, প্ৰশিক্ষক দুজনৰ বিৰুদ্ধে সংস্থাৰ ২.৯ অনুচ্ছেদ উলংঘা কৰাৰ অভিযোগ উত্থাপন হৈছে। নিয়ম অনুসৰি ড'পিঙত এজন খেলুৱৈক উৎসাহিত কৰা, সহায় কৰাটো এই ধাৰাত শাস্তিযোগ্য অপৰাধ। দৰাচলতে এই ধাৰাত দোষী সাব্যস্ত হ'লে দুবছৰৰ পৰা আজীৱন নিষেধাজ্ঞা আৰোপ কৰিব পাৰি। উল্লেখ্য যে, বৰ্তমান ভাৰতীয় এথলেটিকছ ফেডাৰেচনত কৰ্মৰত ৰমেশ নাগপুৰী জুনিয়ৰ ৰাষ্ট্ৰীয় দলৰ প্ৰশিক্ষকও। ২০২৩ চনত তেওঁক দ্ৰোণাচাৰ্য্য বঁটাৰে সন্মানিত কৰা হৈছিল। নাডাৰ একাধিক সূত্ৰই দাবী কৰিছে যে হায়দৰাবাদৰ ভাৰতীয় ক্ৰীড়া কৰ্তৃপক্ষৰ কেন্দ্ৰত নাডাৰ ড'প টেষ্টিং দলৰ উপস্থিতিত তেওঁ সন্দেহযুক্ত খেলুৱৈক পলায়ন কৰাত সহায় কৰিছিল। সেই সময়ত খেলুৱৈ দুগৰাকী পলায়ন কৰে। বৰ্তমান ড'পিং উলংঘাৰ অভিযোগত তেওঁলোকক নিষিদ্ধ কৰা হৈছে। নাডাই আৰু কয় যে এই কাণ্ড স্পষ্টভাৱে সংস্থাটোৰ নীতি আৰু আইনৰ বিৰুদ্ধে। প্ৰাথমিক তদন্তত তেওঁলোকৰ ভূমিকা সন্দেহজনক হোৱাৰ বাবেই প্ৰশিক্ষকসকলক চাকৰিৰ পৰা নিলম্বন কৰা হয়। বিষয়টোৰ সম্পূৰ্ণ তদন্ত আৰম্ভ কৰা হৈছে, আৰু সেই তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত অধিক সিদ্ধান্ত লোৱা হ'ব বুলি জানিবলৈ দিয়েছে। উল্লেখযোগ্য যে যোৱা সপ্তাহত ভাৰতীয় ১৮ বছৰ অনুৰ্ধৰ দলটোৱে এছিয়ান যুৱ এথলেটিকছ চেম্পিয়নশ্বিপত অংশগ্ৰহণৰ বাবে ছৌদি আৰবলৈ ৰাওনা হৈছিল। কিন্তু সেই দলটোত থাকিও ৰমেশ নাগপুৰী দল সৈতে যোৱা নাছিল। তদন্তৰ স্বাৰ্থত তেওঁক আঁতৰাই ৰখা হৈছে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA
MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি